# কানৈয়ান

ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

৬৪তম্ প্ৰকাশ, ২০১৪ - ১৫ বৰ্ষ



সম্পাদক ঃ হেমন্ত দত্ত

# কানৈয়ান

KANOIAN : The 64th Annual Journal of D.H.S.K. College of the session 2014-15, edited by Hemanta Dutta : Published by D.H.S.K.College Student's Union Society and Printed at Deep Publication & Printings, Padum Nagar 2, Dibrugarh Assam.

## সম্পাদনা সমিতি

**সভাপতি ঃ**
ড০ শশীকান্ত শইকীয়া

**তত্ত্বাৱধায়ক ঃ**
অদিতি কোঁৱৰ

**উপদেষ্টা ঃ**
অনন্ত তেৰণ

**সম্পাদক ঃ**
হেমন্ত দত্ত

**সদস্য - সদস্যা ঃ**
হৃদ্বীপ তালুকদাৰ
ৰিছা গগৈ
এনিশা বুঢ়াগোঁহাই
দেৱজিৎ গগৈ
প্ৰীতি কলিতা
প্ৰেম সোণোৱাল

**বেটুপাত ঃ**
হেমন্ত দত্ত

**অলংকৰণ আৰু অংগসজ্জা ঃ**
হেমন্ত দত্ত
হৃদ্বীপ তালুকদাৰ


**মুদ্ৰণ ঃ**
দীপ পাব্লিকেচন এণ্ড প্ৰিণ্টিংচ, পদুম নগৰ - ২
প্ৰভাতিপথ, ডিব্ৰুগড়
৯৯৫৪৭৭৭৪৩৫


ড০ শশীকান্ত শইকীয়া


অদিতি কোঁৱৰ


অনন্ত তেৰণ


হেমন্ত দত্ত


হৃদ্বীপ তালুকদাৰ



এনিশা বুঢ়াগোঁহাই


ৰিছা গগৈ


দেৱজিৎ গগৈ


প্ৰীতি কলিতা


প্ৰেম সোণোৱাল



# কানৈয়ান

*KANOIAN : The 64th Annual Journal of D.H.S.K. College of the session 2014-15, edited by Hemanta Dutta : Published by D.H.S.K.College Student's Union Society and Printed at Deep Publication & Printings, Padum Nagar 2, Dibrugarh Assam.*

## সম্পাদনা সমিতি

**সভাপতি ঃ**
ড০ শশীকান্ত শইকীয়া

**তত্বাবধায়ক ঃ**
অদিতি কোঁৱৰ

**উপদেষ্টা ঃ**
অনন্ত তেৰণ

**সম্পাদক ঃ**
হেমন্ত দত্ত

**সদস্য - সদস্যা ঃ**
হৃদ্বীপ তালুকদাৰ
ৰিছা গগৈ
এনিশা বুঢ়াগোঁহাই
দেৱজিৎ গগৈ
প্ৰীতি কলিতা
প্ৰেম সোণোৱাল

**বেতুপাত ঃ**
হেমন্ত দত্ত

**অলংকৰণ আৰু অংগসজ্জা ঃ**
হেমন্ত দত্ত
হৃদ্বীপ তালুকদাৰ

**মুদ্ৰণ ঃ**
দীপ পাব্লিকেশ্যন এণ্ড
প্ৰিণ্টিংচ, পদুম নগৰ - ২
প্ৰভাতিপথ, ডিব্ৰুগড়
৯৯৫৪৭৭৭৪৩৫


ড০ শশীকান্ত শইকীয়া


অদিতি কোঁৱৰ


অনন্ত তেৰণ


হেমন্ত দত্ত


হৃদ্বীপ তালুকদাৰ


এনিশা বুঢ়াগোঁহাই


ৰিছা গগৈ


দেৱজিৎ গগৈ



প্ৰীতি কলিতা


প্ৰেম সোণোৱাল

# কানৈয়ান

## ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

৬৪তম্ প্ৰকাশ, ২০১৪-১৫ বৰ্ষ



প্ৰতি,


..............................................................................................

..............................................................................................

সম্পাদক
হেমন্ত দত্ত

# কৃতজ্ঞতাৰ শৰাই

- ডিব্রুগড় বিশ্ববিদ্যালয়ব অসমীয়া বিভাগব প্রাধ্যাপক ড° ভীমকান্ত বৰুৱা ছাব।
- মহাবিদ্যালয়ব অধ্যক্ষ ড° শশীকান্ত শইকীয়া ছাব।
- প্ৰাক্তন অধ্যক্ষা ড° বাজী কোঁৱৰ বাইদেউ।
- মহাবিদ্যালয়ব প্ৰশাসনিক উপাধ্যক্ষ ড° আতিকুদ্দিন আহমেদ ছাব।
- মহাবিদ্যালয়ব শৈক্ষিক উপাধ্যক্ষ কল্পনা সেনগুপ্তা বৰুৱা বাইদেউ।
- আন্তবাষ্ট্ৰীয় খ্যাতিসম্পন্ন চিত্ৰশিল্পী ববিন বব ছাব।
- তত্ত্বাৱধায়ক অদিতি কোঁৱৰ বাইদেউ তথা সম্পাদনা সমিতিব সমূহ বিষয়-ববীয়া।
- আলোচনী বিভাগীয় উপদেষ্টা অনন্ত তেৱণ ছাব।
- মহাবিদ্যালয়ব অসমীয়া বিভাগব অধ্যাপক মৃদুল শৰ্মা ছাব।
- মহাবিদ্যালয়ব বাজনীতি বিভাগব অধ্যাপক ড° বিৰাজ দত্ত ছাব।
- বিভিন্ন লেখাবে আলোচনী শুভা বৰ্ধন কবা লেখক-লেখিকাসকল।
- মহাবিদ্যালয়ব সমূহ অধ্যাপক-অধ্যাপিকাবৃন্দ আৰু কৰ্মচাবীবৃন্দ।
- প্ৰতি ক্ষেত্ৰতে সহায়-সহযোগিতা আগবঢ়োৱা মোৰ সতীৰ্থ লগতে অগ্ৰজ আৰু অনুজসকল।
- দীপ পাব্লিক্যেশ্যন এণ্ড প্ৰিণ্টিংছব স্বত্বাধিকাবী আৰু সমূহ কৰ্মচাবীবৃন্দ।
- সদৌ শেষত, শত-সহস্ৰ 'কানৈয়ান'ব শুভাকাংক্ষীলৈ।



উকা কাগজত চিয়াঁহীৰ তুলিকাৰে কৃতজ্ঞতা প্ৰকাশ কৰিলে কিমানদূৰ সফলতা লাভ কৰে সেই কথা আমাৰ জ্ঞাত নহ'লেও উল্লেখিত সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত অনিচ্ছাকৃত ভুল-ক্ৰটিৰ বাবে পাঠকৰ ওচৰত ক্ষমা প্ৰাৰ্থনাৰে ....

সম্পাদক

# উৎসৰ্গা



স্বৰ্গীয় কল্যাণকুমাৰ বৰুৱা ছাৰ

| জন্ম | মৃত্যু |
| --- | --- |
| ৫ জুলাই, ১৯২৬ | ১ মাৰ্চ, ২০১৫ |

"মানুহৰ মৃত্যুও....
সেয়াও আপোন মানুহৰ...অসহনীয়...
তথাপি সেয়াই বাস্তৱ...
এই আলোচনীৰ পাততে আপোনাক সুঁৱৰিছোঁ
জীয়াই থাকক আমাৰ স্মৃতিৰ মাজত..."

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ প্ৰতিষ্ঠাপক অধ্যাপক **স্বৰ্গীয় কল্যাণকুমাৰ বৰুৱা ছাৰৰ সোঁৱৰণত** ২০১৪-১৫ বৰ্ষৰ কানৈয়ান' উৎসৰ্গা কৰা হ'ল ।

- সম্পাদনা সমিতি

# উৎসর্গ



# শ্ৰদ্ধাঞ্জলি



স্বৰ্গীয় প্ৰবীণ নেৱাৰ

ওঁ অসমতো মা সদ্‌গময়
তমসো মা জ্যোতি গৰ্ময়
ওঁ শান্তিঃ শান্তিঃ শান্তিঃ

অকালতে প্ৰাণ হেৰুৱা আমাৰ অগ্ৰজ প্ৰবীণ নেৱাৰৰ বিদেহী আত্মাৰ সদ্‌গতি কামনা কৰিলোঁ।



# প্ৰবীণ নেৱাৰ

তো মা সদ্গময়
মা জ্যোতি গৰ্ময়
ঃ শান্তিঃ শান্তিঃ

*ণ নেৱাৰৰ বিদেহী আত্মাৰ সদ্গতি কামনা কৰিলোঁ।*

# শ্ৰদ্ধাঞ্জলি



মাতাল হৈ গোটেই ৰাতি
পৃথিৱীৰ সতে টলং-টপংকৈ
তোমাক বিছাৰি ফুৰিলো,
বতাহো আহিব খুজিছিল
আমাৰ সতে,
কোন দুৰ্গত মূৰ থৈ তুমি শুই আছা,
হে মোৰ বিধ্বংসী প্ৰেমৰ নাৰী।

(কবি নীলিম কুমাৰৰ দ্বাৰা মামণি ৰয়ছম গোস্বামীলৈ উৎসৰ্গিত)

# শুভেচ্ছাবাণী

ডিব্রুগড় কানৈ মহাবিদ্যালয়ৰ ২০১৪-১৫ বৰ্ষৰ বাৰ্ষিক আলোচনী কানৈয়ান প্ৰকাশ হ'ব বুলি জানি আনন্দিত হৈছোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক উন্নতি তথা সামগ্ৰিকভাৱে মহাবিদ্যালয়খনৰে মানসিক উন্নতি বা উৎকৰ্ষ সাধনত আলোচনী এখনে যথেষ্ট অৰিহণা আগবঢ়াব পাৰে। বাৰ্ষিক পত্ৰিকাখনিৰ জুই শালত গঢ়ি কোনো ছাত্ক লেখকে পৰৱৰ্তী কালত কমাৰ শালত গঢ়িব পৰা হয়গৈ। নিৰ্দিষ্ট পাঠ্যক্ৰমৰ মাজত আবদ্ধ থকা ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যক্ৰমৰ বৃত্তৰ পৰা আঁতৰি গৈ আলোচনীখনৰ জৰিয়তে বৌদ্ধিক বিকাশ গঢ়ি তুলিব পাৰে। সেইপিনৰ পৰা চালে মহাবিদ্যালয়খনৰ বাৰ্ষিক পত্ৰিকাখন নিতান্তই গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰকাশ কৰিবলৈ লোৱা আলোচনীখনত সাম্প্ৰতিক কালৰ চিন্তাৰ দৈন্যৰ বিপৰীতে চিন্তাৰ বিকাশ লাভ হওক আৰু নতিন নতুন চিন্তাই ঠাই পাওক। পত্ৰিকাখন সুন্দৰকৈ প্ৰকাশ পাওক আৰু জ্ঞান সমৃদ্ধ লিখনিৰে সমৃদ্ধ হওক তাৰ বাবে শুভ কামনা যাচিলোঁ।

ইতি

ডিব্ৰুগড় বিশ্ববিদ্যালয়
১৭-০৬-২০১৬

(ড০ ভীমকান্ত বৰুৱা)
প্ৰাধ্যাপক, অসমীয়া বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়

# শুভেচ্ছাবাণী

৪-১৫ বৃৰ্ষৰ বাৰ্ষিক আলোচনী কানৈয়ান প্ৰকাশ হ'ব বুলি জানি আনন্দিত হৈছোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ-
ৰে মহাবিদ্যালয়খনৰে মানসিক উন্নতি বা উৎকৰ্ষ সাধনত আলোচনী এখনে যথেষ্ট অৰিহণা আগবঢ়াব
কোনো ছাত্ক লেখকে পৰৱৰ্তী কালত কমাৰ শালত গঢ়িব পৰা হয়গৈ। নিৰ্দিষ্ট পাঠ্যক্ৰমৰ মাজত আবদ্ধ
তৰি গৈ আলোচনীখনৰ জৰিয়তে বৌদ্ধিক বিকাশ গঢ়ি তুলিব পাৰে। সেইপিনৰ পৰা চালে মহাবিদ্যালয়খনৰ
প্ৰয়োজনীয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰকাশ কৰিবলৈ লোৱা আলোচনীখনত সাম্প্ৰতিক কালৰ
ওক আৰু নতিন নতুন চিন্তাই ঠাই পাওক। পত্ৰিকাখন সুন্দৰকৈ প্ৰকাশ পাওক আৰু জ্ঞান সমৃদ্ধ লিখনিৰে

ইতি

(ড০ ভীমকান্ত বৰুৱা)
প্ৰাধ্যাপক, অসমীয়া বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়

অধ্যক্ষৰ কাৰ্যালয়
ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়
স্থাপিত ঃ ১৯৪৫
পোঃ আঃ - ডিব্ৰুগড় - ৭৮৬০০১

*স্মাৰক নং ঃ ডি.এইচ.এছ.কে/ ২০১৬/* *তাৰিখ ঃ*

প্ৰেৰক ঃ ড° *শশীকান্ত শইকীয়া,*
অধ্যক্ষ
ডিঃ হঃ সুঃ কানৈ মহাবিদ্যালয়

## শুভেচ্ছা-বাণী

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ২০১৪-১৫ বৰ্ষৰ বাৰ্ষিক আলোচনীখন প্ৰকাশ হ'ব বুলি জানি মই অত্যন্ত সুখী হৈছোঁ। আশা কৰোঁ আলোচনীখনিত প্ৰকাশিত সাহিত্য আৰু অন্যান্য ৰচনাৰাশিত প্ৰকাশিত ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তা-মনীষাই তেওঁলোকৰ সময় আৰু যুগৰ চিন্তা-চেতনাৰ প্ৰমাণ ধৰি ৰখাৰ লগতে তেওঁলোকৰ জ্ঞানৰ পৰিসীমা আৰু অধিক প্ৰসাৰিত কৰিব। আলোচনীখনিত সন্নিৱিষ্ট কৰা শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীৰ লেখাসমূহ যথেষ্ট তথ্যসম্বলিত হোৱা পৰিলক্ষিত হৈছে। সেয়ে আশা কৰা হৈছে এনে ধৰণৰ লিখনিয়ে জ্ঞানপিপাসু লোকৰ প্ৰয়োজন কিছু পৰিমাণে হ'লেও পূৰ্ণ কৰাৰ উপৰি ভৱিষ্যত প্ৰজন্মৰ শিক্ষাৰ্থীসকলক অনুপ্ৰেৰণা যোগোৱাত অৰিহণা যোগাব।

কানৈয়ানৰ আগন্তুক সংখ্যাটিৰ লগত জড়িত সকলোলৈকে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। শুভেচ্ছাৰে...

ইতি

(ড° শশীকান্ত শইকীয়া)
অধ্যক্ষ
ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়
ডিব্ৰুগড়, অসম।

# সূচীপত্ৰ


সম্পাদকৰ একলম


- জীৱন ... কৰ্ম ... অনুভৱ ..... ইত্যাদি — *ড০ শশীকান্ত শইকীয়া* — ১৩
- মধ্যযুগৰ ভাৰতীয় গণিত ঃ ইউৰোপীয় যোগসূত্ৰ — *ড০ প্ৰিয়দেৱ গোস্বামী* — ১৮
- THE BIGGER SIDE OF EDUCATION — *Prof. T. Bhengra.* — ২১
- অসমীয়া সমাজত নাৰী অতীত আৰু বৰ্তমান — *শ্ৰীমতী জাহ্নৱী চক্ৰৱৰ্তী* — ২৩
- মিতালিলৈ অনা আঙুঠি — *শ্ৰী বিজেন্দ্ৰ বাইঠা* — ২৭
- অলিম্পিকত ভাৰতৰ পাৰদৰ্শিতা — *শ্ৰী অনুৰাগ বকলীয়াল* — ২৯
- সংগ্ৰামেই জীৱন — *শ্ৰীমতি গোপা গংগোত্ৰী শ্যাম* — ৩১
- জ্ঞানী কোন ? (নাটক) — *প্ৰবীণ নেৱাৰ* — ৩৩
- অনুপ্ৰেৰণা — *শ্ৰী মিণ্টু ভূঞা* — ৩৫
- এভাৰেষ্টৰ বুকুত ৫২ দিন — *শ্ৰীমতী প্ৰীতি কলিতা* — ৩৭
- অৰণ্য মানৱ আৰু কিছু কথা — *শ্ৰী খেম বাহাদুৰ ছেত্ৰী* — ৩৯
- যোগ দিৱস আৰু আমাৰ প্ৰজন্ম — *শ্ৰীমতী অনুৰাধা ফুকন* — ৪০
- 'অৰকুট' — *শ্ৰীমতী হিমাশ্ৰী গোঁহাই* — ৪২
- বৰ্তমান সময়ত যুৱ প্ৰজন্মৰ দায়িত্ব আৰু কৰ্তব্য — *শ্ৰীমতী গীতিমল্লীকা কোঁৱৰ* — ৪৩
- আন্তঃৰাষ্টীয় ৰাজনীতিৰ প্ৰেক্ষাপটত 'বজৰংগী ভাইজান' — *শ্ৰী প্ৰাঞ্জল দাস* — ৪৪
- ফাগুণ তুমি যে এটা সপোন — *শ্ৰীমতী শিল্পী বুঢ়াগোঁহাই* — ৪৫
- সাম্প্ৰতিক যুগৰ অসমীয়া কবিতাৰ এক অৱলোকন — *শ্ৰী দেৱজিৎ গগৈ* — ৪৬
- অসমীয়া সমাজত তামোল পাণৰ ভুমিকা — *শ্ৰীমতী সুস্মিতা বৰুৱা* — ৪৭

## কাব্য-কানন

- কেমেৰাত বন্দী বিকলাঙ্গ — *মূল হিন্দী : ৰঘুবীৰ চহায়* / *অনুবাদ : কৃষ্ণকান্ত বৰদলৈ* — ৪৯
- অনুভৱ — *কল্পনা সেনগুপ্তা বৰুৱা* — ৫০
- শীতৰ এটি ৰাতিপুৱা — *শ্ৰীমতী তৃষ্ণা ডেকাৰী* — ৫১
- বগাসজীয়া অমাৱস্যা ৰাতি — *শ্ৰী তুলুজিৎ বড়া* — ৫১
- অনুভৱ — *শ্ৰীমতী গীতাঞ্জলী ভৰালী* — ৫২
- আমাৰ কলেজ — *শ্ৰী কল্যান দাস* — ৫২
- ছাত্ৰ — *শ্ৰী জ্যোতিস্মান দত্ত* — ৫৩
- আহিবনে সেই দিন আকৌ — *শ্ৰীমতী কল্পনা সোণোৱাল* — ৫৩

| | | |
|---|---|---|
| ➢ শ্ৰদ্ধাঞ্জলি | শ্ৰীমতী মনিশা দাস | ৫৪ |
| ➢ সেউজীয়া (বিঃ দ্ৰঃ জীৱন) | শ্ৰী চেংথই লাব্ৰাম | ৫৪ |
| ➢ মোৰ মৰমৰ 'মা' | শ্ৰী পৰাগজ্যোতি ভৰালী | ৫৫ |
| ➢ জীৱনৰ বাটত | শ্ৰীমতী পল্লৱী দত্ত | ৫৫ |
| ➢ মানুহ | শ্ৰী জোহেব হুছেইন | ৫৫ |
| ➢ RISE OF FEMALE PROTOGANISTS IN INDIAN CINEMA | Miss Debapriya Barua | ৫৬ |
| ➢ SRINIVASA RHMNUJAN | Miss Niharika Kakoty | ৫৭ |
| ➢ DENTOLOGICAL ETHICS OF KANT | Miss Anesha Buragohain | ৫৮ |
| ➢ CHILD MARRIAGE | Neelam Prasad | ৬০ |
| ➢ CAN MATHEMATICS SPOT THE WINING TEAM LETTER THEN SPORTS COMMENTATORS ? | Miss Barasha Baruah | ৬১ |
| ➢ TEENS OBSESSION WITH THE ADVENT OF GUDGETS AND MODERN TECHNOLOGY | Miss Perona Sen | ৬২ |
| ➢ ZUI - QUAN | Miss Moushumi Sonowal | ৬৩ |
| ➢ CONTRIBUTION OF WOMEN NOVELIST TO THE GROWTH OF THE ENGLISH NOVEL | Miss Patanjali Banerjee | ৬৫ |
| ➢ TEACHING TIME MANAGEMENT TO STUDENT'S WITH LEARNING DISABLITIES | Miss Niharika Duarah | ৬৬ |
| ➢ OUR NATIONAL FESTIVAL BIHU AND ITS IMPECT ON SOCIETY | Miss Jugalakshmi Gogoi | ৬৭ |
| ➢ APPLICATION OF HUMAN GENETICS | Amir Sohail Khan | ৭০ |
| ➢ AM I SAFE | Miss Manoja Lahkar | ৭৩ |
| ➢ FUN MATH FACT | Miss Priyanka Ghosh | ৭৪ |
| ➢ THE TERRIFYING RAIN... | Sri Moyoor Sharma | ৭৫ |
| ➢ DREAMS | Miss Dristi Borgohain | ৭৫ |
| ➢ THE NATURE CRIES.... | Sri Moyoor Sharma | ৭৬ |
| ➢ MOTHER | Miss Dristi Borgohain | ৭৬ |
| ➢ TIME TO GO OFFLINE | Miss Sweety Gohain | ৭৭ |
| ➢ ড° ভীমকান্ত বৰুৱা ছাৰৰ সৈতে অন্তৰঙ্গ আলাপ | | ৭৮ |
| ➢ ৰবিন বৰ ছাৰৰ সৈতে অন্তৰংগ আলাপ | | ৮১ |
| ➢ सबसे बड़ा पुण्य | - चन्दन ठाकुर | ৮৩ |
| ➢ संस्कृत भाषायाः महत्वम् | -सुस्मिता शर्मा | ৮৫ |
| ➢ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ প্ৰতিবেদন | | |






কবি গ'ল, সেই

শ্রদ্ধা নিবেদন কা



# সম্পাদকৰ একলম



যি সকল ব্যক্তিয়ে অশেষ কষ্ট, ত্যাগ আৰু প্ৰতিভাৰ অৱদানেৰে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ মুখপত্ৰ কানৈয়ান আলোচনীখনি প্ৰতিষ্ঠা কৰি গ'ল, সেই প্ৰতিষ্ঠাপকসকলৰ পৰা যোৱা সংখ্যাত প্ৰকাশ হোৱালৈকে সকলো বিষয়ববীয়াসকললৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিলো আৰু লগতে মহাবিদ্যালয়ৰ পৰা লাভ কৰা জ্ঞানে সমাজত খ্যাতিৰে প্ৰতিষ্ঠিত হ'বলৈ সন্ধান দিয়া ডিব্ৰুগড় চহৰৰ হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়লৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিলো।

সাহিত্য এটা জাতিৰ দাপোণস্বৰূপ। সাহিত্যৰ জৰিয়তেই বিভিন্ন সময়ত মানৱ সমাজে অতিবাহিত কৰি অহা সমাজ ব্যৱস্থা অৱস্থাৰ বিষয়ে জানিব পাৰিছে। ঠিক সেইদৰে আলোচনীয়ে আমাৰ বৌদ্ধিক জাগৰণত দিশ দৰ্শনৰ ভূমিকা পালন কৰে। আমাৰ মহাবিদ্যালয়ৰ আলোচনী কানৈয়ানৰ জৰিয়তে বিদ্যাৰ্থীসকলৰ বিভিন্ন দিশত থকা প্ৰতিভাসমূহ প্ৰতিফলিত হয়। আমাৰ মনত সুপ্ত হৈ থকা ভাৱবোৰ জগাই দি আলোচনী প্ৰকাশ কৰাৰ আনন্দই মনত শান্তি দিয়াৰ লগতে সাহিত্যজগতখনলৈ পদাৰ্পণ কৰিবলৈ এটি বাটৰ সন্ধান পোৱা যায়। ধ্বংস-সৃষ্টিৰ সন্ধিক্ষণত সাহিত্য সৃষ্টি হোৱাৰ সমল আটাইতকৈ বেছি চহকী বুলি কোৱা হয়। অতীজৰে পৰা আহি আহি মানৱ সমাজে বৰ্তমান আজি তাৰিখলৈকে উপনীত হৈছেহি। বৰ্তমান পৃথিৱীৰ ভাৰসাম্যহীন তাৰতম্যৰ ফলত প্ৰাকৃতিক দুৰ্যোগে পৰিৱেশ বিনষ্ট কৰিছে- ভূমিকম্প, বানপানী, আগ্নেয়গিৰি, ভূমিস্খলন, ধুমুহা, বজ্ৰপাত ইত্যাদিৰ ফলত মানুহে জীৱনত সমস্যাৰ সন্মুখীন হৈছে। আমাৰ সমাজো এতিয়া বিপৰ্যস্ত, জাতীয়তাৰ বিপন্ন, ভ্ৰষ্টাচাৰ, অবিচাৰ, অন্ধবিশ্বাস-কুসংস্কাৰৰ বলি আৰু কৰ্মহীনতাই গ্ৰাস কৰি পেলাইছে। হে মহামানৱ আমি আৰু আমাৰ সমাজখন সুস্থিৰে জীয়াই থাকিবলৈ নীতি-নিয়ম আৰু বিজ্ঞান প্ৰযুক্তি বিদ্যাৰে জ্ঞান আহৰণ কৰি আমাৰ সমাজখন গঢ়িব লাগিব। বিশ্বৰ সমাজ পৰিৱৰ্তনৰ বিপ্লৱসমূহত সাহিত্যৰ অৱদান অপৰিহাৰ্য্য--- সাহিত্যৰ জৰিয়তে মানৱ সমাজত সংঘটিত সকলোবিলাক কৰ্মৰ সম্ভেদ পোৱা যায়। এখন সুস্থ সমাজ গঢ়ি তুলিবলৈ আমি প্ৰত্যেকেই দায়বদ্ধ হোৱা উচিত। আমাৰ মনত সৎ চিন্তা সৎ ভাৱ-ভাৱনাৰ দ্বাৰা সমাজত প্ৰচলিত বিভিন্নধৰণৰ সমস্যা, দুৰ্নীতি, অসামাজিক কাৰ্যকলাপক আওকাণ নকৰি আমি এনেধৰণৰ সমস্যাৰ সমাধানৰ পথ নিৰূপণ কৰাটোহে

হৈছে আমাৰ প্ৰত্যেকৰে দায়িত্ব। সমাজ এখন পৰিৱৰ্তন কৰিবলৈ হ'লে প্ৰথমতে আমি নিজকে সংশোধন কৰিব লাগিব। কিয়নো এজন এজন ব্যক্তিৰ পৰাই এখন বৃহৎ সমাজে ৰূপ লয়। গতিকে আমাৰ সকলোৰে কৰ্তব্য হ'ব লাগে যাতে আমি সমাজত নিজকে এজন আদৰ্শৱান ব্যক্তি হিচাপে গঢ়ি তুলিব পাৰো।

কানৈ মহাবিদ্যালয় হৈছে এখন সপোনৰ সেউজীয়া পৃথিৱী। য'ত নিৰ্মিত হয় হাজাৰ হাজাৰ ছবি মনালিছাৰ দৰে অমৰ। আমি গৌৰৱান্বিত সেই ঐতিহাসিক স্তম্ভৰ একোটি অংগ হোৱাৰ বাবে। মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ কানৈয়ানৰ বিষয়ে বিশেষ লিখাৰ প্ৰয়োজনবোধ নকৰো। য'ত প্ৰস্ফুটিত হয় বিভিন্নজনৰ আৱেগ, যিয়ে দিব পাৰে নিজক উদ্ভাসিত কৰাৰ এক বিস্তীৰ্ণ পথাৰ। সেয়ে এই মহাবিদ্যালয়ৰ 'কানৈয়ান'।

প্ৰথমতে কৃতজ্ঞতাৰে সেৱা জনাইছো শ্ৰদ্ধাৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া মহোদয়ক। যাৰ অকুণ্ঠ উৎসাহে আমাক সবল কৰিছে। তত্বাৱধায়ক অদিতি কোঁৱৰ বাইদেউক কৃতজ্ঞতা নজনাই নোৱাৰো। প্ৰতিভাবান লেখক-লেখিকাৰ অবিহনে আমি 'কানৈয়ান'ক ৰূপ দিব নোৱাৰিলোহেঁতেন, সকলোলৈকে কৃতজ্ঞতা জনাইছো। কানৈ মহাবিদ্যালয়ৰ প্ৰতিভাবান শ্ৰদ্ধাৰ ছাৰ, বাইদেউ প্ৰমুখ্যে বন্ধু-বান্ধৱী, অগ্ৰজ-অনুজ তথা কানৈ মহাবিদ্যালয়ৰ পৰিচালকবৰ্গৰ সকলোজনলৈ কৃতজ্ঞতা তথা মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

সম্পাদক

# নেতৃত্ব যাৰ অন্য নাম....



কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া



অধ্যক্ষৰ লগত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ একাংশ



অধ্যক্ষৰ লগত মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলৰ একাংশ

# ২০১৪-১৫ বৰ্ষত আয়োজিত বিভিন্ন অনুষ্ঠানৰ কিছু দৃশ্যপট























# ২০১৪-১৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সদস্য/সদস্যাসকল



চান্দাম ইনাম খান
উপ-সভাপতি



এনিশা বুঢ়াগোঁহাই
সাধাৰণ সম্পাদিকা



বৰুণ লিম্বো
সহঃ সাধাৰণ সম্পাদক



মৰমজ্যোতি ফুকন
তৰ্ক আৰু সাংস্কৃতিক সম্পাদক



হেমন্ত দত্ত
আলোচনী সম্পাদক



পাৰ্থপ্ৰতীম হাজৰিকা
সঙ্গীত সম্পাদক



জ্যোতিস্মান গগৈ
গুৰু ক্ৰীড়া সম্পাদক



মৌচুমী যাদৱ ডেকা
সাধাৰণ ক্ৰীড়া সম্পাদিকা



হৃদ্বীপ তালুকদাৰ
সমাজসেৱা সম্পাদক



ঈষাণ উপাধ্যায়
ছাত্ৰ জিৰণী কোঠা সম্পাদক



Pa

অধ্যক্ষ মহোদয়ৰ সৈতে ছাত্ৰ একতা সভাৰ

# ২০১৪-১৫ বৰ্ষত আয়োজিত বিভিন্ন অনুষ্ঠানৰ কিছু দৃশ্যপট
























# জীৱন...কৰ্ম...অনুভৱ... ইত্যাদি

- ড° শশীকান্ত শইকীয়া

## এক : কৰ্ম... জীৱন... অনুভৱ...

মানুহৰ জন্ম আৰু মৃত্যুৰ মাজৰ যি সময় সেই সময় হ'ল জীৱন। জীৱনক কেনেভাৱে গ্ৰহণ কৰে সেয়া নিৰ্ভৰ কৰে মানুহজনৰ ওপৰত। জীৱনক গ্ৰহণ কৰিবলৈ নজনাৰ বাবেই অনেকজনে জীৱনটো মধুময় কৰি তোলাৰ বিপৰীতে জীৱনৰ সময় কণ্টকাকীৰ্ণ কৰি তোলে। জীৱনৰ পোৱা আৰু নোপোৱাৰ হিচাপ যিজনে নলয় তেওঁ জীৱনক সুন্দৰভাৱে গ্ৰহণ কৰিব পাৰে বুলি ক'ব নোৱাৰি। আচলতে, জীৱনৰ অতি ঠেক আৰু চুটি সময়ছোৱাক হিচাপ নিকাচ কৰি আগুৱাই নগ'লে জীৱনৰ মাধুৰ্য লাভ কৰিব নোৱাৰে। জীৱনৰ অৰ্থ নো কি? মানুহে জীৱন লাভ কৰি কি এনে পাৰদৰ্শী দেখুৱাৰ প্ৰয়োজন আছে যাৰ ফলত জীৱনটোক সুন্দৰ বা মহীয়ান বুলি ক'ব পাৰি। বিভিন্ন ধৰ্মশাস্ত্ৰত উল্লেখ আছে। জীৱন ধাৰণৰ মূল লক্ষ্য হ'ল কৰ্ম। কৰ্মইহে জীৱনটোক সৌন্দৰ্যশালী কৰি তুলিব পাৰে। কৰ্মহীন বা কৰ্ম নকৰাকৈ জীয়াই থকা মানুহক ভূত বা পিশাচৰ স'তে তুলনা কৰা হয়। ভূত বা পিশাচ আচলতে আছেনে? মানুহৰ ৰূপ আৰু ৰঙক ভিত্তি কৰি ভূত বা পিশাচৰ অৰ্থ ব্যাখ্যা কৰিব পাৰি। পদে পদে কৰ্মক অস্বীকাৰ কৰা, কৰ্মহীন বা আলাসত থাকি ভাল পোৱা বা কৰ্মৰ প্ৰতি সদভাৱ নথকা, কৰ্মৰ প্ৰতি অনিহা, যিসকল মানুহৰ হাড়ে হিমজুৱে, প্ৰতিটো ৰক্ত কণাত নিহিত হৈ থাকে সেয়াই হ'ল ভূত বা পিশাচৰ ৰূপ। আচৰিত কথা যে, পৃথিৱীত জন্ম লোৱাৰ দিন ধৰি প্ৰত্যেকজন ব্যক্তিয়ে একেই বতাহ, একেই আকাশ বা এটা সূৰ্যৰ পোহৰত লালিত পালিত হোৱাৰ পিছতো এচামৰ সুখ স্বাছন্দৰ অন্ত নাই আৰু আন এচামৰ দুখ বেদনাৰ অন্ত নাই। এনে কিয় হয়? হয়তো এনে উদাহৰণ আৰু বহুতো ওলাব পাৰে। একে সময়তে জ্বলোৱা দুডাল মম একে সময়তে জ্বলি শেষ হৈ নাযায়। ঠিক সেইদৰে যমজ সন্তানৰ চিন্তা চৰ্চাও অনুৰূপ নহয়। ইয়াতে জড়িত আছে কৰ্ম সাধনা আৰু কৰ্মক আনন্দ হিচাপে ল'ব পৰা মানসিকতা।

কেৱল কৰ্ম কৰিলেই প্ৰত্যাশিত জীৱনৰ আনন্দ লাভ কৰিব পাৰিনে? সেই প্ৰশ্নও বিভিন্ন সময়ত বিভিন্ন ধৰণে ব্যাখ্যা আগবঢ়াইছে। আচলতে কৰ্মক অধিক শক্তিশালী আৰু যোগজয়ী ৰূপত প্ৰতিষ্ঠা কৰিবলৈ হ'লে অনুপ্ৰেৰণা আৰু উৎসাহৰ প্ৰয়োজন আছে। কৰ্ম প্ৰেৰণাই আনি দিয়ে মানুহৰ জীৱনৰ এটা নতুন ৰূপ। পৃথিৱীৰ বিভিন্ন দেশৰ মানুহৰ মানসিকতাতকৈ ভাৰতীয় মানুহৰ কৰ্মৰ স্বীকৃতিৰ মানসিকতা বহু কম বুলি পৰিগণিত হৈছে। নহ'লেনো ইমানবোৰ কৰাৰ পিছতো সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ সংগীতজ্ঞ, গীতিকাৰ, সুৰকাৰ, সমাজ সংস্কাৰক, সংগঠক ড° ভূপেন হাজৰিকাৰ দৰে ব্যক্তিক ভাৰতৰ মানুহে উপযুক্ত সন্মান দিয়াৰ পৰা বঞ্চিত কৰি ৰাখিলে কিয়? ভাৰতৰত্নৰ দৰে সন্মান তেওঁ নাপালে কিয়? ড° ভূপেন হাজৰিকাই আচলতে মানুহৰ বাবে কি কৰা নাছিল। তেওঁতো গীতেই লিখিছিল আৰু গাইছিল– "মানুহে মানুহৰ বাবে যদিহে অকণো নাভাবে তেন্তে কোনেনো ভাবিব কোৱা সমনীয়া"। অতি দুৰ্ভাগ্যজনক কথা যে যিজন মানুহে কেৱল মানুহৰ কাৰণে আৰু সমাজখনৰ কাৰণে জীৱনৰ প্ৰতিটো পল চিন্তা কৰিছিল সেইজন ব্যক্তিক আমি ভাৰতীয়সকলে উপযুক্ত সন্মান দিব নোৱাৰিলো বা তেওঁৰ কৰ্মক স্বীকৃতি দিয়াত ব্যৰ্থ হ'লো। কেৱল, ভূপেন হাজৰিকাৰ ক্ষেত্ৰতেই সেয়া হয়নে? মহাত্মা গান্ধীক জাতিৰ জনক বুলি কোৱা হয়, জাতিৰ পিতা বুলি কোৱা হয়। মহাত্মা গান্ধীক আমি ভাৰতীয় মানুহে কিমান দূৰলৈকে স্বীকৃতি দিব পাৰিলো। তেওঁৰ কৰ্মক আমি যথাযথ সন্মান দিব পাৰিলোনে? তেওঁক সন্মান বা তেওঁৰ কৰ্মক স্বীকৃতি দিয়াৰ বিপৰীতে তেওঁক গুলীয়াই হত্যা কৰা হ'ল। ১২ জুন ২০১৬ পৰলোকগামী হোৱা ভ্ৰাম্যমান নাটকৰ জনক, পিতামহ অচ্যুৎ লহকৰক জীয়াই থকাৰ সময়ছোৱাত তেওঁৰ কৰ্মক স্বীকৃতি দিব পাৰিমনে? যিজনে অসম ভ্ৰাম্যমান থিয়েটাৰ শিল্পটোক জীয়াই ৰাখিছিল, যিজনে সেই শিল্প মৃত্যু নোহোৱাকৈ ধৰি ৰাখিছিল, সেই শিল্পক অসমত জনপ্ৰিয় কৰিছিল, সেইজনা ব্যক্তিক অসমৰ মানুহে, ভাৰতৰ মানুহে উপযুক্ত সন্মান দিব পাৰিলেনে? মৃত্যুৰ পিছত হয়তো বহু দাবী হ'ব কিন্তু জীয়াই থকাৰ সময়ছোৱাত তেওঁক যেন আমি বহুযোজন নিলগত পিছুৱাই ৰাখিলো। আচলতে কৰ্মক বা কৰ্মৰ স'তে, সমাজখনৰ স'তে নিবিড়ভাৱে জড়িত হৈ পৰিৱৰ্তন সপোন দেখা কোনো এজন মানুহকে আমি স্বীকৃতি দিব পৰা নাই। ইয়াৰ পৰা ভাৰতীয় মানুহৰ বহু ক্ষতি হোৱা বুলি অনুভৱ কৰিব পাৰি। কেতিয়াবা এনেকুৱাও দেখা যায় এজন ব্যক্তিয়ে জীৱিত কালছোৱাত সমাজ পৰিৱৰ্তনৰ বাবে যি বিপ্লৱৰ সূচনা কৰে তেনে সময়ছোৱাত তেওঁৰ কৰ্মক লৈ, তেওঁৰ চিন্তা আৰু দৰ্শনক লৈ বিপৰীত ছবি এখন ফুটাই তোলাৰ চেষ্টা কৰা হয়।

সেয়া মহাত্মা গান্ধীৰ ক্ষেত্ৰতেই হওক, টনী ব্লেয়াৰ ক্ষেত্ৰতে হওঁক বা শংকৰদেৱ, মাধৱদেৱ, যীশুখ্ৰীষ্টৰ ক্ষেত্ৰতে হওঁক। নহ'লেনো বহল হৃদয়ৰ গৰাকী যীশুখ্ৰীষ্টক শূলত দি এচাম নিষ্ঠুৰ মানুহে অমানসিক অত্যাচাৰ কৰি হত্যা কৰেনে? যীশুখ্ৰীষ্টই বাৰু সেই সময়ত সেইসকল ব্যক্তিক অভিশাপ দিবলৈ চেষ্টা নকৰি কিয় আশীৰ্বাদ দি কৈছিল– তেওঁলোকে যি কৰিছে, তেওঁলোকে নিজেই নাজানে। তেওঁলোকক যেন ক্ষমা কৰে। যুগে যুগে এনে ব্যতিক্ৰম ঘটনা ঘটি আহিছে আৰু এচাম মানুহে নিন্দা, ভৎসনা আৰু ৰূঢ় স্বভাৱৰ বহিঃপ্ৰকাশ ঘটাই আহিছে।

এচাম মানুহে আজীৱন কৰ্মৰ সাধনাক লৈ ব্ৰতী হৈছে। কৰ্মৰ ইতিবাচক চিন্তা চৰ্চাক লৈ বহু সময় পাৰ কৰিছে। মানুহৰ বাবে কেৱল কাম কৰি গৈছে। সমাজখনৰ প্ৰতিজন মানুহৰ মানসিকতা পৰিৱৰ্তনৰ বাবে নীৰৱ বিপ্লৱৰ সূচনা কৰিছে। এনে সন্ধিক্ষণত কাৰোবাৰ পৰা ভৎসনা বা নিন্দা লাভ কৰিছে বা কাৰোবাৰ পৰা প্ৰশংসা লাভ কৰিছে। তেনে বিষয়ক লৈ সেইসকলে মূৰ ঘমাই থাকিব নিবিচাৰে। সময় অপচয় কৰিব নিবিচাৰে। নিজৰ লক্ষ্য আৰু উদ্দেশ্যক লৈ আগুৱাই যায়। নিজৰ সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ তেনে অভিজ্ঞতা লাভ কৰাটোৱে জীৱনটোক অধিক মহীয়ান কৰি তোলে। নহ'লেনো ইমান বিতৰ্ক আৰু অকথ্য গালি-গালাজ খোৱাৰ পিছতো সমাজ পৰিৱৰ্তনৰ নেতৃত্ব লোৱা বহুজনে কিয় একেদৰেই অহৰহ কাম কৰি যাব বিচাৰে। কেতিয়াবা বিতৰ্ক বা নিন্দাই কাৰোবাক কিছু সময়ৰ বাবে বিচলিত কৰিলেও পুনৰ সঠিক দিশত আগুৱাবলৈ চেষ্টা কৰে। সঠিক দিশেৰে আগুৱাই যাঁওতে বাটত ধুমুহা, বৰষুণ, শিলাবৃষ্টিৰ সন্মুখীন হ'লেও সেয়া সাময়িক বুলি অনুভৱ কৰে। আচলতে সেয়াই জীৱন। সমাজত এনে বহু ব্যক্তি এতিয়াও আছে যিসকলে সমাজ পৰিৱৰ্তনৰ হোতা হৈ অবিৰত সংগ্ৰাম কৰি আছে কিন্তু তেওঁলোকক সমাজে স্বীকৃতি দিয়া নাই। কৰ্ম প্ৰেৰণা, উৎসাহ যোগাবলৈ বহু ক্ষেত্ৰত মানুহজনে কৰা কৰ্মক স্বীকৃতি দিয়াৰ প্ৰয়োজন আছে। কৰ্মক স্বীকৃতি দিলে কৰ্মপ্ৰাণ মানুহে দুৰন্ত গতিত সমাজ পৰিৱৰ্তনৰ হকে কাম কৰাৰ শক্তি লাভ কৰে।

দুই ঃ মোৰ সপোন... মোৰ কথা...

মানুহৰ জীৱনৰ অভিজ্ঞতাৰ অন্ত নাই। অভিজ্ঞতাই মানুহক সাহস যোগায়, অভিজ্ঞতাই মানুহক পুৰঠ কৰে। সেয়ে হয়তো প্ৰাচীন যুগৰ পৰা অভিজ্ঞতাক সন্মান দি আহিছে। আজি এই লেখাত কেৱল নিজৰ বাবে আৰু নিজৰ অভিজ্ঞতা সম্পৰ্কে লিখিবলৈ প্ৰয়াস কৰিছো। জীৱনৰ আলিকেকুৰিয়েদি আগুৱাই যাওঁতেই কত যে বৰ্ণিল অভিজ্ঞতা লাভ হৈছে সেয়া চমুকৈ প্ৰকাশ কৰাটোৱেই অসম্ভৱ। সেয়াও এক পৰিক্ৰমা। জীৱনত বহু কথা হয়তো ভবা নাছিলো, যি সন্তৰ্পনে আহিছিল। দুখনকৈ মহাবিদ্যালয়ত অধ্যক্ষ আৰু দুখনকৈ মহাবিদ্যালয়ত অধ্যাপক। সেয়াও জানো কম অভিজ্ঞতা। ৰাজ্যৰ ৰাজধানী দিছপুৰৰ দিছপুৰ মহাবিদ্যালয়ত অধ্যাপনাৰ জীৱন আৰম্ভ কৰিছিলো। পৰৱৰ্তী সময়ত ডিব্ৰুগড়ৰ ডিব্ৰু মহাবিদ্যালয়লৈ উভতনি যাত্ৰা অধ্যাপক হিচাপে। ১৯৯৪ চনৰ ৩১ অক্টোবৰত ডিব্ৰু মহাবিদ্যালয়ত অধ্যাপক হিচাপে চাকৰি কৰাৰ পিছত ২০১২ চনৰ ২ মাৰ্চলৈ এক দীঘলীয়া জীৱন পাৰ কৰিছিলো ডিব্ৰু মহাবিদ্যালয়ত। আচলতে ডিব্ৰু মহাবিদ্যালয়ে মোক জীৱনৰ অৰ্দ্ধেক বৰঙণি আগবঢ়াইছিল। সমাজ জীৱনে হওঁক বা ব্যক্তিগত জীৱনেই হওক ডিব্ৰু মহাবিদ্যালয়তে বীজ ৰোপন হৈছিল মোৰ। ইয়াৰ পিছত ২০১২ চনৰ ৩ মাৰ্চত নদীদ্বীপ মাজুলীৰ প্ৰাচীন উচ্চ শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰিলো। তিনিবছৰ তিনি মাহ মহাবিদ্যালয়খনত অধ্যক্ষৰূপে অন্য এক জীয়া অভিজ্ঞতা লাভ কৰিছিলো। কত তিতা-মিঠা অভিজ্ঞতা লাভ কৰিছিলো। এনে অভিজ্ঞতাৰ মাজতো মহাবিদ্যালয়খন এক জাকত জিলিকা মহাবিদ্যালয় হিচাপে গঢ়ি তুলিবৰ বাবে দিনে-নিশাই আপ্ৰাণ চেষ্টা চলাইছিলো। সফলো হৈছিলো। সেই মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে কিমান কষ্ট কৰিবলগা হৈছিল সেই অনুভৱ নিজা হৃদয়ৰ বাহিৰে হয়তো আনক উপলব্ধি কৰাবলৈ সক্ষম নহয়। পুৱা ৪.৩০ বজাৰ পৰা নিশা ১০/১১ বজালৈকে কাম কৰা দিনবোৰৰ কথা ভাবিলে আজিও ৰোমাঞ্চিত হওঁ। মাজুলী মহাবিদ্যালয় মানসপুত্ৰৰ দৰে গঢ়ি তোলাৰ চেষ্টা কৰিছিলো। এইক্ষেত্ৰত মহাবিদ্যালয়খনৰ প্ৰশাসনিক ভৱনৰ উপৰিও গ্ৰন্থাগাৰ, শ্ৰেণীকোঠা, বিজ্ঞান পৰীক্ষাগাৰ, কেণ্টিন, চৌহদৰ সৌন্দৰ্যবৰ্দ্ধন, ছাত্ৰী নিবাস, প্ৰেক্ষাগৃহ, সীমাৰ বেৰা, ভূমি সংগ্ৰহ আদি কৰা হৈছিল। দিনে নিশাই মহাবিদ্যালয়খনৰ হকে কাম কৰাৰ পিছতো বেছিভাগ মানুহৰে প্ৰসংশা লাভ কৰিছিলো যদিও দই একৰ নিন্দা-ভৎসনাও শুনিবলৈ পাইছিলো। অৱশ্যে নিন্দা- ভৎসনা-সমালোচনাৰ পৰাও মই জীৱনত বহু কথাই শিকিছো। জীৱনত কেৱল প্ৰশংসা লাভৰ বাবে কাম কৰা মনত পৰা নাই। সমালোচনাই মোৰ মনক সদায় শক্তিশালী কৰি আহিছে।

ঐতিহ্যপূৰ্ণ মাজুলী মহাবিদ্যালয়ত ২০১২ চনৰ ৩ মাৰ্চৰ পৰা ২০১৫ চনৰ ১৮ জুনলৈ (তিনি বছৰ তিনি মাহ) অধ্যক্ষৰূপে সেৱা আগবঢ়োৱাৰ সুবিধা পাইছিলো। মাজুলী মহাবিদ্যালয় সেইখিনি সময়ৰ ভিতৰতে জিলিকাই তোলাৰ প্ৰয়াস কৰাৰ অন্তত মহাবিদ্যালয়খনে ঠন ধৰিছিল। সেই মহাবিদ্যালয়ৰ কাম কাজ সম্পৰ্কত 'মাজুলী কলেজ ঃ এ জাৰ্নি' শীৰ্ষক গ্ৰন্থখনত সমুদায় তথ্য লিপিবদ্ধ কৰা হৈছে। বিভিন্ন জনৰ ব্যক্তিৰ অনুভৱেৰে 'সপোনৰ মাজুলী মহাবিদ্যালয়' নামৰ প্ৰচাৰ-পত্ৰতো দেশ বিদেশৰ বিভিন্ন ব্যক্তিৰ অনুভৱ লিপিবদ্ধ হৈছে। মই যোগদান কৰাৰ আগেয়ে মাজুলী মহাবিদ্যালয়ত অধ্যক্ষ আৰু উপাধ্যক্ষ বহিবৰ বাবে এটা সুবিধাযুক্ত কোঠা নাছিল। বৰষুণৰ পানী পৰিছিল। মহাবিদ্যালয়খন কেনে অৱস্থাত আছিল সেই কথা ইয়ে প্ৰমাণ কৰে। অন্যান্য

আন্তঃগাঁঠনি কেনে অৱস্থাত আছিল সেই বিষয়ে আৰু বহলাই কোৱাৰ প্ৰয়োজন নাই। অসমৰ অন্যতম পুৰণি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়লৈ চৰকাৰে পুনৰ অধ্যক্ষ হিচাপে বদলি কৰাত ১৯ জুন ২০১৫ ত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত যোগদান কৰোঁ। মাজুলী মহাবিদ্যালয় নতুন ৰূপত গঢ়ি পুনৰ কানৈ কলেজলৈ আগমন মোৰ জীৱনৰ এক বৰ্ণিল পৰিক্ৰমা।

মাজুলী মহাবিদ্যালয়ত বিভিন্ন তিতা মিঠা অভিজ্ঞতা লাভ কৰি অহাৰ পিছত কানৈ মহাবিদ্যালয়ত যোগদান কৰি অনুভৱ হৈছিল যেন এটা সমস্যাৰ পাহাৰৰ ওপৰত থিয় দিলোঁহি। সৰ্বদিশতে সমস্যাই জুৰুলা কৰি হাবু-ডুবু খাই থকা মহাবিদ্যালয়খনৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ বাবে মনত সাহস গোটাই লৈছিলোঁ। যি ফালেই চাওঁ সেই ফালেই কেৱল সমস্যা। এক কথাত ক'বলৈ গ'লে এনে পুৰণি এখন মহাবিদ্যালয় ভাৰতৰ ভিতৰত নামজ্বলা হোৱাই নহয় ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা ছাত্ৰ-ছাত্ৰী অধ্যয়নৰ বাবে মহাবিদ্যালয়খনলৈ আহিব লাগিছিল। বৰঞ্চ ইয়াৰ এখন ওলোটা ছবিহে পৰিলক্ষিত হয়। নতুন সমসাময়িক পাঠ্যক্ৰম মুকলি কৰাটো নহ'লেই আনকি সমাজশাস্ত্ৰ, শিক্ষাতত্ত্ব আদি পাঠ্যক্ৰমসমূহেই অন্তৰ্ভুক্ত নহ'ল। মহাবিদ্যালয়খন সৰ্বদিশতে অত্যাধুনিক হোৱাৰ বিপৰীতে উৰুখা চালৰ তলত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰিব লগা হোৱাটো চৰম বেদনাদায়ক কথা। ফটা-চিটা মজিয়া, চিলিঙৰ বিধ্বস্ত ৰূপ আৰু অধিকাংশ কোঠাই ব্যৱহাৰৰ অনুপযোগী। আভ্যন্তৰীন পথ নথকাত চৌহদৰ ভিতৰত বাৰিষাৰ বতৰত খোজ এটা দিয়াও অসম্ভৱ। অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে সুচল আন্তগাঁঠনি নথকাটোত মনত অতি দুখ লাগিছিল। প্ৰায় ১৫ বছৰৰো অধিক সময় ছাত্ৰাবাসটো বন্ধহৈ ভূত বাংলালৈ ৰূপান্তৰিত হৈছিল। মহাবিদ্যালয়ৰ পিছফালে থকা এটা মূল্যৱান ভৱনৰো একেই ৰূপ। গছ-গছনি গজি ভৱনটো বিধ্বস্থ প্ৰায় অৱস্থা। এখন ভাল কেণ্টিনৰ অভাৱ। বাঁহেৰে নিৰ্মিত জৰাজীৰ্ণ কেণ্টিনখন দেখি আচৰিত হৈছিলো। গম পালো অধ্যাপক অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী কেণ্টিনখনলৈ নাযায়েই। কেণ্টিনখন নতুনকৈ নিৰ্মাণ কৰি ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলৰ বাবে পৃথকে বহা আৰু খোৱাৰ সুবিধা দিয়া হয়। অধিকাংশ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীৰ কৰ্মস্পৃহা, দায়িত্ব, কৰ্তব্য আৰু সেৱাৰ মনোভাৱে মোক উৎসাহিত কৰাই নহয় মনক শক্তিশালী কৰি আহিছে।

ছাত্ৰী নিৱাস প্ৰতিষ্ঠা হৈছিল ১৯৫৭ চনত। ছাত্ৰী নিৱাসলৈ যোৱা পথটো দেখি হতভম্ব হৈছিলো। বোকা-পানী, গছ-বন। হাতত ললোঁ পথটোৰ উন্নয়নৰ কাম। মহাবিদ্যালয়ৰ চৌহদৰ আভ্যন্তৰীণ যি কেইটা পথ আছিল সেই কেইটাও ভাঙি-চিঙি বিধ্বস্ত ৰূপ লৈছিল। সেইখিনি মেৰামতি কৰাৰ লগতে নতুনকৈ আভ্যন্তৰীন পথ নিৰ্মাণ কৰা হয়। উৰলি যোৱা মজিয়া আৰু চিলিঙসমূহ পুনৰ মেৰামতি কৰি ৰং কৰা হয়। সৌন্দৰ্য বৰ্দ্ধনৰ ব্যৱস্থা কৰা হয়। মূল ভৱনটোৰ বাৰাণ্ডা, ছাত্ৰী জিৰণি কোঠা, অধ্যক্ষৰ কোঠালৈ অহা চিৰিৰ মজিয়া নষ্ট হৈ যোৱাৰ বাবে টাইলছ্ লগাই ব্যৱহাৰৰ উপযোগী কৰা হয়। পতাকা উত্তোলনথলী সজাই তোলা হয়। হাবি-জংঘলে ভৰি থকা চৌপাশ চাফা কৰাৰ লগতে মুখ্য প্ৰৱেশদ্বাৰ, সন্মুখৰ সীমাৰ বেৰ, গণিত বিভাগ, প্ৰাণী বিজ্ঞান বিভাগ, উদ্ভিদ বিজ্ঞান বিভাগ আৰু মূল ভৱনকে ধৰি প্ৰায় বিলাক ভৱনতে ৰং ঘহি উজ্বলাই তোলাৰ ব্যৱস্থা কৰা হয়। চাইকেল ষ্টেণ্ড সম্পসাৰণ কৰি উন্নত কৰা হয়। মূল ভৱনৰ সন্মুখত থকা মুকলি অংশ ট্ৰেক্টৰেৰে হাল বাই, মৈ মাৰি ৰুলাৰে সমান কৰি দেখিবলৈ সুন্দৰ কৰা হয়। শিক্ষক জিৰণি কোঠা ৰং কৰি সজাই তোলাৰ লগতে নতুনকৈ চকীৰ ব্যৱস্থা কৰা হয়। মহাবিদ্যালয়খনত চাৰিওফালে চৌহদ লাইটৰ ব্যৱস্থা কৰাৰ উপৰিও পানী যোগানৰ বাবে ব্যৱস্থা কৰা হয়। চাহিদা অনুসৰি লাইট-ফেনৰ ব্যৱস্থা কৰা হয়। ছাত্ৰী নিৱাসৰ প্ৰায়বিলাক গুৰুত্বপূৰ্ণ সমস্যা সমাধানৰ পদক্ষেপ লোৱা হয়। বিভাগীয় মুৰব্বী আৰু গ্ৰন্থাগাৰ পৰিচালনা সমিতিৰ স'তে আলোচনা কৰি গ্ৰন্থাগাৰৰ বাবে প্ৰয়োজনীয় কামখিনি কৰাৰ ব্যৱস্থা কৰা হয়। গ্ৰন্থাগাৰ সম্প্ৰসাৰণ কৰি ডিজিটেলাইজেছন চিন্তা কৰা হয়। নতুনকৈ গ্ৰন্থাগাৰ অভিজ্ঞ ব্যক্তি আনি সজোৱাৰ ব্যৱস্থা কৰা হয়। পূৰ্বতকৈ গ্ৰন্থাগাৰৰ বাবে কাকত-আলোচনীৰ সংখ্যা বৃদ্ধি কৰা হয়। শংকৰদেৱ সভাকক্ষ ভূমি মহলা পুনৰ নিৰ্মাণ কৰি শীত-তাপ নিয়ন্ত্ৰিত কৰি নতুনকৈ সজাই তোলা হয়। প্ৰথম মহলাও নতুনকৈ নিৰ্মাণ কৰি সজাই তোলা হয়। ডেক্স-বেঞ্চ নাটনিৰ ফলত শিক্ষা গ্ৰহণত বাধাৰ সৃষ্টি হৈছিল। সেয়ে ডেক্স-বেঞ্চ নতুনকৈ আনি সমস্যা সমাধানৰ পদক্ষেপ লোৱা হয়। পুৰণা ভঙা ডেক্স-বেঞ্চসমূহ মেৰামতি কৰা হয়। প্ৰয়োজন সংখ্যক ক'লা, সেউজীয়া, বগা বৰ্ডৰো যোগান ধৰা হয়। এই সমস্যাসমূহ বহু বছৰ ধৰি শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে ভোগ কৰি আহিছিল।

এইখিনিতে উল্লেখ কৰিব লাগিব যে যথেষ্ট পুৰণি হৈ পৰা অসম আৰ্হিৰ ভৱনৰ প্ৰায়বিলাক কোঠাতে আজিও বৰষুণ পৰে। পুঁজিৰ তীব্ৰ নাটনি স্বত্বেও মহাবিদ্যালয়খনৰ উন্নতিৰ দিশত ইতিমধ্যে যোগদানৰ দিনাৰে পৰাই প্ৰাৰম্ভিক কাম-কাজত হাত দিছোঁ। আনহাতে নতুন পাঠ্যক্ৰমৰো চিন্তা চৰ্চা কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিযোগিতামূলক পৰীক্ষা অৱতীৰ্ণ হ'ব পৰাকৈ নিয়মীয়া প্ৰশিক্ষণৰো চিন্তা-চৰ্চা কৰা হৈছে। নতুনকৈ উপযুক্ত ব্যক্তিৰ নিযুক্তি দিয়া হৈছে। মহাবিদ্যালয়খনত বহু প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰী নামভৰ্তি কৰে যদিও সেইসকল ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত পৰিৱেশ পোৱা নাই বুলি অনুভৱ হয়। মহাবিদ্যালয়খনৰ

বাবে প্ৰয়োজন হোৱা সকলো সুবিধা দিয়াৰ ব্যৱস্থা কৰা হয়। তথ্য প্ৰযুক্তিৰ সকলো সা-সুবিধাৰ লগতে ইংৰাজীত এম. এ. মুকলি কৰা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে এই সুবিধা প্ৰদান কৰে। উচ্চতৰ মাধ্যমিক শাখাতো নতুনকৈ সজাই পাঠদানৰ ব্যৱস্থা কৰা হয়। যাতে ব্যক্তিগত খণ্ডৰ ছাত্ৰ-ছাত্ৰীসকলৰ স'তে কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও ফেৰ মাৰিব পাৰে। মহাবিদ্যালয়খনৰ চৌহদ আটক ধুনীয়াকৈ সজাই তোলাৰ লগতে কে. কে. সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ পৰা নতুন নতুন পাঠ্যক্ৰম অনাৰ ব্যৱস্থা কৰা হয়। প্ৰশাসনিক সা সুবিধাৰ বাবে পূৰ্ণ তথ্য প্ৰযুক্তি ব্যৱহাৰ কৰাই নহয়। ইয়াৰ সুবিধাও মহাবিদ্যালয়খনৰ সতে জড়িত থকা সকলক দিয়াৰ চেষ্টা চলোৱা হয়। পৰীক্ষা কাম কাজ চলাবৰ বাবে পৃথকে নতুন ভৱন নিৰ্মাণ কৰা হয়। ছাইন্স এণ্ড টেক্‌নলজিৰ তিনিমহলীয়া ভৱন নিৰ্মাণৰ কাম শুভাৰম্ভ কৰা হয়। ৭০ বছৰ পিছত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱৰ আয়োজন কৰি ছাত্ৰ-ছাত্ৰীসকলক ইয়াৰ সোৱাদ দিয়া হয়। এন চি চিৰ সমূহীয়া শিবিৰ আয়োজন কৰা হয়। জকাই সমীপৰ চৰাইহাবি মিচিং গাঁওখন প্ৰতিপালনৰ সিদ্ধান্ত লোৱাৰ লগতে বকুল মধ্য আৰু উচ্চ বিদ্যালয় দুখনো প্ৰতিপালনৰ ব্যৱস্থা কৰা হয়। মহাবিদ্যালয়খনত কৰ্মচাৰীসকলৰ মাজত কৰ্মসংস্কৃতিৰ পৰিৱেশ সৃষ্টি কৰাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰা হয়। ইয়াৰ অংশ হিচাপে ২২ মে' ২০১৬ত ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদে আয়োজন কৰা এক সভাত জিলা উপায়ুক্তৰ দ্বাৰা পাঁচজনকৈ কৰ্মচাৰীক সম্বৰ্ধনা জনোৱাতো মহাবিদ্যালয়খনৰ ইতিহাসত এক নতুন সংযোজন বুলিব পাৰি। অধ্যক্ষ হিচাবে কৰ্মচাৰীক উৎসাহ জনোৱাৰ বাবে যোগদানৰ পিছৰে পৰা কানৈ মহাবিদ্যালয়ত দৈনিক পুৱা ৫ বজাৰ পৰা আমি সাতজনে চাফ-চিকুণেৰে কৰ্ম দিনটো আৰম্ভ কৰিছিলো। ৫ আৰু ৬ জুন ২০১৬ৰ দিনা মহাবিদ্যালয়খনত অনুষ্ঠিত দুখন সভাত উচ্চ শিক্ষা সঞ্চালক ফনীন্দ্ৰ জিদুঙে দুবাৰকৈ কানৈ মহাবিদ্যালয় পৰিদৰ্শন কৰি 'Found big change' বুলি ভিজিটৰ বুকত লিপিবদ্ধ কৰি যোৱাটো মহাবিদ্যালয়খনৰ ইতিহাসত এক নতুন সংযোজন বুলি ক'ব পাৰি।

মহাবিদ্যালয়খনত বিভিন্ন প্ৰকাশনৰ বাবে গোট গঠন কৰা হয়। ইয়াৰ যোগেদি নিয়মীয়াকৈ গ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে। মহাবিদ্যালয়ৰ চৌহদত শিক্ষকৰ বাবে সুবিধাজনক আৱাসৰ ব্যৱস্থাৰো চিন্তা কৰা হৈছে। মহাবিদ্যালয়খনক এখন স্বায়ত্তশাসিত মহাবিদ্যালয়লৈ উন্নীত কৰাৰ বাবে যত্ন, মহাবিদ্যালয়খনক এখন আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ শিক্ষানুষ্ঠানলৈ উন্নীত কৰিবলৈ প্ৰয়াস কৰা হৈছে। ডিব্ৰুগড় চহৰৰ লগতে অসমৰ সৰ্বসাধাৰণ তথা বৌদ্ধিক মহলৰ সৈতে সম্পৰ্ক উন্নত কৰাৰ বাবে চেষ্টা কৰা হৈছে, যাতে সকলোৱে মহাবিদ্যালয়খনক নিজৰ অনুষ্ঠান বুলি অন্তঃকৰণেৰে গ্ৰহণ কৰে। ক্লাষ্টাৰ পদ্ধতিত মহাবিদ্যালয়খনৰ জ্ঞানৰ প্ৰসাৰ কৰা, কাষৰীয়া মহাবিদ্যালয়সমূহৰ সৈতে শৈক্ষিক, সাংস্কৃতিক তথা ক্ৰীড়াৰ সম্পৰ্ক উন্নত কৰিবলৈ নিয়মীয়া ৰূপত আন্তঃমহাবিদ্যালয় পৰ্যায়ৰ প্ৰতিযোগিতা, কৰ্মশালা আৰু আলোচনাচক্ৰৰ ব্যৱস্থা কৰা, প্ৰতিষ্ঠাকালৰেপৰা মহাবিদ্যালয়খনৰ ইতিহাসৰ সৈতে জড়িত ব্যক্তিসকলক স্মৰণ কৰিবলৈ ব্যৱস্থা কৰা, মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ উদ্যোগত গ্ৰন্থ অধ্যয়ন অভিজ্ঞতাৰ আদান-প্ৰদানৰ বৈঠকৰ ব্যৱস্থা, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠান আয়োজন কৰা, মহাবিদ্যালয়খনৰ সৈতে ভাৰতৰ তথা বিশ্বৰ বিভিন্ন বিশেষজ্ঞ ব্যক্তিৰ সম্পৰ্ক প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰা যাতে সেইসকলৰ পৰা মহাবিদ্যালয়খনে বৰঙণি লাভ কৰিব পাৰে।

সম্প্ৰতি অনুপযোগী আৰু বন্ধ হৈ থকা ছাত্ৰাবাস পুনৰ মেৰামতি কৰি মুকলি কৰা হৈছে। প্ৰায় বিধস্ত হৈ থকা প্ৰেক্ষাগৃহ ব্যৱহাৰৰ উপযোগী কৰা হৈছে। বিজ্ঞানৰ চৰম উন্নতিৰ মুহূৰ্ত্ততো ডিজিটেল পাঠদানৰ পৰা বঞ্চিত হৈ থকা ছাত্ৰ-ছাত্ৰীসকলক তেনে সা-সুবিধা প্ৰদান কৰাৰ বাবে যত্ন কৰা হৈছে। যোগীৰাজ বসু সংগ্ৰাহালয় প্ৰতিষ্ঠা কৰা আদি বহুতো কাম আঁচনিৰ ভিতৰত ধৰা হৈছে। পুঁজি যোগান অনুসৰি এই কামসমূহ কৰাৰ বাবে মনস্থ কৰা হৈছে। শিক্ষক ছাত্ৰ-ছাত্ৰীসকলে যাতে কোনো সমস্যাৰ সন্মুখীন নহয় সেয়া সততে দৃষ্টি ৰাখি এখন সৰ্বাংগ সুন্দৰ মহাবিদ্যালয় গঢ়ি তোলাৰ সংকল্প লোৱা হৈছে। এখন মহাবিদ্যালয় সৰ্বাংগ সুন্দৰ হৈ জিলিকি উঠিব তেতিয়াহে যেতিয়া ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী, শিক্ষক তথা স্থানীয় ৰাইজ আৰু সংগঠন ব্যক্তিয়ে পূৰ্ণ সহযোগিতা আগবঢ়াব। এনে সহযোগিতা সকলোৰে পৰা পুৰামাত্ৰাই লাভ কৰিছো। ইতিমধ্যে ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী সকলোৱে যিদৰে মোক আকোঁৱালি লৈছে সেয়া মই অভিভূত হওঁ। মোৰ যোগদানৰ দিনাই যিদৰে ডিব্ৰুগড়ৰ বিভিন্ন দল-সংগঠন, ব্যক্তি আৰু কানৈ মহাবিদ্যালয়ৰ শিক্ষক গোট, কৰ্মচাৰী গোট, ছাত্ৰ একতা সভাকে ধৰি পৰিয়ালৰ সকলোৱে যিদৰে মোক সন্মান দিলে মই সেই দিনটো কেতিয়াও পাহৰিব নোৱাৰিম। সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ। আমি নিশ্চিত — লক্ষ্য যদি সুনিৰ্দিষ্ট হয় আৰু পৰিকল্পনা যদি সঠিক হয় তেন্তে গন্তব্য স্থানলৈ বেছি সময় অপেক্ষাৰ প্ৰয়োজন নাই। এই ক্ষেত্ৰত মই ইতিবাচক সমালোচনাও আশা কৰোঁ। সমালোচকসকল মোৰ বাবে ভগৱান। তেওঁলোকক মই সদায়ে উচ্চ আসন দি আহিছো। নেতিবাচক সমালোচনা কৰাজনো মোৰ বাবে সদায় শ্ৰদ্ধেয়। যোৱা এবছৰে মহাবিদ্যালয়খনৰ উত্তৰণৰ বাবে অহৰহ চেষ্টা কৰা হৈছে। এনে চেষ্টা অব্যাহত থাকিব।

তিনি ঃ ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্য... দায়িত্ব...

ছাত্ৰ-ছাত্ৰীৰ দায়িত্ব আৰু কৰ্তব্য পূৰ্বতকৈ অধিক বৃদ্ধি পাইছে। ছাত্ৰ ছাত্ৰীয়ে আজিৰ পৃথিৱীখনত নিজকে প্ৰতিষ্ঠা লাভৰ বাবে প্ৰতিযোগিতাত নামিবই লাগিব। প্ৰতিযোগিতাৰ অবিহনে কোনো ছাত্ৰ-ছাত্ৰীয়ে আজিৰ সমাজত নিজৰ সফলতাৰ আৰোহণত ৰাখিব নোৱাৰে। চকু, কাণ, নাক ছাত্ৰ-ছাত্ৰীয়ে খোলা ৰাখিব লাগিব। যিসকল ছাত্ৰ-ছাত্ৰীয়ে সময়ক মূল্য দিব নোখোজে সেই সকল ছাত্ৰ-ছাত্ৰীয়ে নিজৰ জীৱনক সফলতা লাভ কৰিবলৈ যথেষ্ঠ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়। নিজৰ লক্ষ্য আৰু উদ্দেশ্য দৃঢ় হ'লে সময়ক সন্মান কৰিলে ছাত্ৰ-ছাত্ৰীয়ে প্ৰত্যাশিত সফলতা লাভ কৰিবলৈ সক্ষম হয়। ছাত্ৰ-ছাত্ৰীসকলে নিজকে হীনমন্যতাত ভুগিব নালাগে। আজিৰ সমাজত তথ্য আহৰণৰ বাবে সহজ-পন্থা আৱিস্কাৰ হৈছে। সেই পন্থাসমূহ গ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকল সংকল্পবদ্ধ হ'ব লাগিব। 'পঢ়ে পঢ়ায়, বোৱে পাণ, এই তিনিয়ে নিচিন্তে আন' এই আপ্ত বাক্যশাৰী এতিয়া কিছু কিছু ক্ষেত্ৰত সৰলীকৰণ কৰা হৈছে। এতিয়া ছাত্ৰ-ছাত্ৰীয়ে কেৱল পঢ়ি থাকিলেই নহ'ব, সমসাময়িক পৃথিৱীখনৰ পৰা পৰ্যাপ্ত জ্ঞান আহৰণ কৰি নিজকে সমাজত প্ৰতিষ্ঠা কৰিব লাগিব। তাৰ বাবদ লাগিব কঠোৰ অনুশীলন আৰু পৰিশ্ৰম।

এচাম মানুহে আজীৱন কৰ্মৰ সাধনাক লৈ ব্ৰতী হৈছে। কৰ্মৰ ইতিবাচক চিন্তা চৰ্চাক লৈ বহু সময় পাৰ কৰিছে। মানুহৰ বাবে কেৱল কাম কৰি গৈছে। সমাজখনৰ প্ৰতিজন মানুহৰ মানসিকতা পৰিৱৰ্তনৰ বাবে নীৰৱ বিপ্লৱৰ সূচনা কৰিছে। এনে সন্ধিক্ষণত কাৰোবাৰ পৰা ভৎসনা বা নিন্দা লাভ কৰিছে বা কাৰোবাৰ পৰা প্ৰশংসা লাভ কৰিছে। তেনে বিষয়ক লৈ সেইসকলে মূৰ ঘমাই থাকিব নিবিচাৰে। সময় অপচয় কৰিব নিবিচাৰে। নিজৰ লক্ষ্য আৰু উদ্দেশ্যক লৈ আগুৱাই যায়। নিজৰ সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ তেনে অভিজ্ঞতা লাভ কৰাটোৱে জীৱনটোক অধিক মহীয়ান কৰি তোলে।

# মধ্যযুগৰ ভাৰতীয় গণিত ঃ ইউৰোপীয় যোগসূত্ৰ

- ড° প্ৰিয়দেৱ গোস্বামী
(গণিত বিভাগ)

আধুনিক ভাৰতৰ গণিতৰ জগতত এক অতুলনীয় প্ৰতিভাধৰ ব্যক্তি আছিল শ্ৰী নিবাস ৰামানুজন (Kanigel, 2008)। তেখেতৰ অকলে বিয়োগ গণিতৰ ইতিহাসত এক অপূৰণীয় ক্ষতি। গণিতৰ ইতিহাস প্ৰণেতা সকলে, ভাস্কৰাচাৰ্যৰ পাচত আৰু আধুনিক সময়খিনিৰ মাজত ভাৰতবৰ্ষত গণিতৰ বিশেষ চৰ্চা হোৱা নাছিল বা ভাৰতীয়সকলৰ উল্লেখযোগ্য অৱদান প্ৰায় নাই বুলি বিভিন্ন সময়ত মত পোষণ কৰি আহিছে। বিশেষকৈ ইউৰোপৰ ইতিহাসবিদ সকলে এনে মন্তব্য কৰা দেখা যায়। এনে ক্ষেত্ৰত Boyer (Boyer, C-B, 1968) ৰ মতে ভাস্কৰাচাৰ্যই হ'ল মধ্যযুগৰ উল্লেখযোগ্য শেষৰজন ভাৰতীয় গণিতজ্ঞ আৰু তেওঁৰ কৰ্মৰাজি হ'ল, তেওঁৰ পূৰ্বমূৰী সকলে আৱিস্কাৰ কৰা কৰ্মৰাজিৰ সংকলন। Eves (Eves, H, 1983) এ মন্তব্য কৰিছিল যে আধুনিক যুগৰ আগলৈকে ভাস্কৰাচাৰ্যই মাত্ৰ উল্লেখযোগ্য অবদান আগবঢ়াই গৈছে।

কিন্তু বৰ্তমান এই মধ্য কালছোৱাত ভাৰতত বিকাশ ঘটা গণিতৰ কিছু উল্লেখযোগ্য অৱদানৰ বিষয়ে জানিব পৰা গৈছে। Joseph, G.G. 1994) এ লিখা এখন গ্ৰন্থত ১৮৩৫ চনত Charles Whish এ লিখা এটা প্ৰবন্ধৰ বিষয়ে উল্লেখ কৰিছে। Whish এ প্ৰকাশ কৰা প্ৰৱন্ধত ভাৰতৰ কেৰেলা প্ৰদেশত প্ৰচলিত জ্যোতিবিদ্যা আৰু গণিত বিষয়ৰ চাৰিখন গ্ৰন্থৰ বিষয়ে উল্লেখ কৰিছে। এইকেইখন হ'ল — (১) নীলকণ্ঠৰ (1455-1555) 'তন্ত্ৰ সংগ্ৰহ', (২) জেষ্ঠদেৱৰ (1550) 'যুক্তি জষা', (৩) পুতুমন সোমায়াজীৰ 'কৰণ পাকতি' আৰু শঙ্কৰ বৰ্মণৰ সদৰত্নমালা।

এইখিনিতে ভাৰত ভূমিৰ এক ঐতিহাসিক পটভূমিৰ বিষয়ে কিছু আভাস লোৱাৰ প্ৰয়োজন। এই প্ৰয়োজন সমূহৰ ভিত্তিত সেই সময়ত গণিতৰ চৰ্চা হৈছিল। ভাৰত উপ মহাদেশৰ দক্ষিণ-পশ্চিম উপকূলত অৱস্থিত কেৰেলা পৌৰাণিক কালৰ পৰা জলপথ বাণিজ্যৰ বাবে বিখ্যাত আছিল। ইয়াত উৎপাদিতক মচলাৰ বাবে খ্যাতি বেবিলন পৰ্যন্ত আছিল। ভাৰতৰ ঐচৰ্যৰ বিষয়ে ইউৰোপীয়ান সকল জ্ঞান আছিল আৰু ভাৰতৰ পৰা ধন-সোণ আহৰণত অতি আগ্ৰহশীল আছিল। বিখ্যাত পৰিবাৰ্যক 'ইৱন বটুটা' আৰু 'ভাচ্‌কো-ডা-গামা' আৰব সাগৰ অতিক্ৰমি ইয়াতেই উপস্থিত হৈছিল। বাণিজ্যৰ আদান-প্ৰদানৰ যোগেদি ভাৰতীয় জ্ঞান ইউৰোপলৈ প্ৰৱাহিত হৈছিল বুলি ভৱাৰ যথেষ্ট স্থল বৰ্তমান প্ৰকট হৈছে। ইউৰোপত মধ্যযুগত যিবিলাক গণিতৰ আবিস্কাৰ হৈছিল তাৰ ২ ৩ শতিকাৰ পূৰ্বেই তেনে গণিত আৰু জ্যোতিবিদ্যাৰ চৰ্চা কেৰেলাত হোৱাৰ প্ৰমাণ পোৱা গৈছে। বৰ্তমান জ্ঞান হোৱা এনেবোৰ কথাই ইউৰোপত আৱিস্কাৰ হোৱা গণিতজ্ঞ, কেৰেলাত চৰ্চিত গণিতৰ প্ৰভাৱ আছিল নেকি এই বিষয়ে বিচাৰ কৰি চোৱাৰ অৱকাশ আছে। ইউৰোপৰ দেশ সমূহ চহকী হোৱাৰ বাসনা পূৰণৰ অৰ্থে ভাৰতৰ লগত বাণিজ্য কৰাতো অতি জৰুৰী বুলি বিবেচনা কৰিছিল। ইয়াৰ বাবে তেওঁলোকক সমূদ্ৰযাত্ৰা পথৰ উপযুক্ত জ্ঞানৰ অতি প্ৰয়োজন হৈছিল। কিন্তু ইউৰোপৰ দেশ সমূহে সমূদ্ৰ যাত্ৰা পথৰ জ্ঞানৰ অজ্ঞাতা প্ৰকাশ কৰি উপযুত্ত পদ্ধতি আৱিস্কাৰকলৈ পুৰস্কাৰ পৰ্যন্ত ঘোষণা কৰিছিল। স্পেইনে ১৫৯৮ চনত, ডাট্‌চ সকলে ১৬৩৬ চনত, ফ্ৰান্সে ১৬৬৬ চনত আৰু ব্ৰিটিছ সকলে ১৭১১ চনত উপযুত্ত সমুদ্ৰ ভ্ৰমণৰ কাৰিকৰি পদ্ধতি আবিস্কাৰৰ বাবে এনে পুৰস্কাৰ ঘোষণা কৰিছিল। ব্ৰিটিছ ৰয়েল চছাইটি প্ৰতিষ্ঠাৰে আৰঁতো এনে উদ্দেশ্য আছিল। সেই সময়ৰ সমাজত অত্যন্ত প্ৰভাৱশালী কেথলিক গুৰু সকলে সহজে বুজিবলৈ অসুবিধাজনক ৰোমান সংখ্যা ব্যৱহাৰ কৰিছিল আৰু এই পদ্ধতিত ভগ্নাংশ গণণা কাৰ্য অতিকে জটিল হৈছিল। গতিকে সমুদ্ৰ ভ্ৰমণৰ বাবে প্ৰয়োজন হোৱা অক্ষাংশ, দ্ৰাঘিমাংশ আৰু শুদ্ধ দিনবাৰ, সময়, ত্ৰিকোণমিতিৰ মানৰ বাবে কৰা

এনে গণণা ৰোমান পদ্ধতিত অতি দূৰূহ হৈছিল। এনে ধৰণৰ সমস্যাৰ সমাধান তেওঁলোকে ভাৰতীয় ভাৱধাৰাত সন্ধান পাইছিল। সেই সময়ৰ ভাৰতীয় পুথিসমূহত, বিশেষকৈ জ্যোতিষ সময় নির্ধাৰণৰ পদ্ধতিৰ উল্লেখ আছিল। পৃথিৱীৰ আনকোনো ঠাইত এনে পদ্ধতিৰ বিষয়ে উল্লেখ নাছিল। ইউৰুপৰ জলপথ বিশেষজ্ঞ, গেগৰিয়ান পঞ্জিকা সংশোধন সমিতিৰ অধ্যক্ষ Christoph Clavious ৰ ছাত্ৰ Matteo Ricci (Raju, C.K. Bhopal) ক গণিত আৰু জ্যোতিবিজ্ঞানৰ নতুন পাঠ্যত্ৰ মৰ ওপৰত বিশেষভাৱে প্ৰশিক্ষণ দিয়া হৈছিল। Ricci ক অধিক অধ্যয়নৰ বাবে ভাৰতলৈ পঠোৱা হৈছিল। ১৫৮১ চনত Ricci এ লিখা এখন চিঠিত উল্লেখ কৰিছিল যে তেওঁ কচিনৰ ওচৰে পাজৰে এজন ব্ৰাহ্মণ পণ্ডিতৰ পৰা সময় নির্দ্ধাৰণ বা জ্যোতিষৰ বিষয়ে স্থানীয় পদ্ধতি সমূহ আয়ত্ব কৰিছিল। কেথলিক সকলে যিহেতু এই অঞ্চলত ধর্ম প্ৰচাৰৰ বাবে ইতিমধ্যে আহি আছিলেহি, সেইবাবে স্থানীয় ভাষা তেওঁলোকৰ বাবে বিশেষ সমস্যা হোৱা নাছিল। Ricci ও বিভিন্ন গ্ৰন্থ অনুবাদ কৰি নাৱিক সকলৰ জৰিয়তে ইউৰোপলৈ পঠাইছিল। শুদ্ধ সমুদ্ৰ পথ আৰু শুদ্ধ সময় তথা পঞ্জিকা নির্দ্ধাৰণ, ত্ৰিকোণমিতিৰ শুদ্ধ Sine ৰ মানৰ ওপৰত নির্ভৰশীল। ভাৰতত এই পদ্ধতি সমূহ বিকাশ ঘটাৰ মূল উদ্‌গণি আছিল কৃষি অর্থনীতি। অতিজৰে পৰা ভাৰতীয় অর্থনীতিত কৃষিকার্যৰ এক উল্লেখযোগ্য ভূমিকা আছিল আৰু বর্তমানেও আছে। কৃষি বতৰৰ ওপৰত নির্ভৰশীল। গতিকে বাৰিষা আগমণৰ শুদ্ধ দিনপঞ্জী দিব পৰা এক পদ্ধতিৰ অতিব প্ৰয়োজন হৈছিল। বহু শতিকাজুৰি কৰা অধ্যয়ণৰ ফলস্বৰূপে সময় নির্দ্ধাৰণৰ এক উপযুক্ত পদ্ধতি আমাৰ দেশত বিকশিত হৈছিল। ফলত কৃষিকার্য, ধর্মীয় আচাৰ অনুষ্ঠান পালনত শৃংখলতা আহিছিল।

পৰম্পৰাগত ভাৰতীয় পঞ্জিকাত সৌৰবর্ষ ব্যৱহাৰ কৰা হৈছিল। কিন্তু ইউৰোপীয়া সকলে ব্যৱহাৰ কৰা জুলিয়ান আৰু গ্ৰেগৰিয়ান পঞ্জিকাত ক্ৰান্তিয় বর্ষ ব্যৱহাৰ কৰা হৈছিল। সৌৰবর্ষ হ'ল সূৰ্যই নক্ষত্ৰ সমূহৰ সাপেক্ষে একে অৱস্থান পাবলৈ প্ৰয়োজন হোৱা আৱর্তন কাল। আনহাতে ক্ৰান্তিয় বর্ষ হ'ল দুটা মকৰ সংক্ৰান্তিৰ মাজৰ সময়। সৌৰবর্ষত সূর্যৰ সাপেক্ষে পৃথিৱীৰ গতি আৰু ৩৬৫.২৫ (৩৬৫.২৫৩৬৩ দিন প্ৰায়) দিনতকৈ বেছি। ক্ৰান্তিয় বর্ষ পৃথিৱী সাপেক্ষে সূর্যৰ আপেক্ষিক গতি আৰু ৩৬৫৫.২৫(৩৩৩৬৫.২৪১৯ দিন প্ৰায়) দিনতকৈ কম। এই দুই ধৰণৰ বর্ষৰ মাজত প্ৰায় ২০ মিনিট সময়ৰ পাৰ্থক্য আছে। এই পাৰ্থক্য দীৰ্ঘ বছৰৰ বাবে কিন্তু এক যথেষ্ট সময়। বর্তমান ব্যৱস্থিত গ্ৰেগৰিয়ান পঞ্জিকাৰ হিপাবত এক শতিকাত এদিনৰ হেৰফেৰ হয়। যাৰ ফলত গ্ৰেগৰিয়ান পঞ্জিকা সংশোধন সমিতিয়ে প্ৰতি এশ বছৰত এদিন আগবঢ়াই আনিছিল। ১৭৫২ চনত বৃটেইন আৰু সেই সময়ৰ বৃটেইনৰ ঔপনিবেশ বর্তমানৰ আমেৰিকা যুক্ত ৰাষ্ট্ৰত সংশোধিত পঞ্জিকা ৰৰ দিন আগবঢ়াই গ্ৰহণ কৰা হৈছিল। ঋতু ক্ৰান্তিয় বর্ষৰ ওপৰত নির্ভৰ কৰে। গোলকীয় বায়ু প্ৰৱাহ মুখ্যতঃ সূর্যৰ অৱস্থানৰ ওপৰত নির্ভৰ কৰে। অর্থাৎ ঋতু সৌৰবর্ষৰ লগত জড়িত। কিন্তু বিজ্ঞানৰ অলেখ অগ্ৰগতিৰ পাচতো আগতিয়াকৈ বতৰ নির্দ্ধাৰণ কৰাতো বর্তমানেও এক জটিল গাণিতিক সমস্যা হৈয়েই আছে। (দীৰ্ঘ সময়ৰ বাবে Navier-Stokes সমীকৰণৰ সমাধান এক জটিল সমস্যা সমাধান নোহোৱা ই এটা সহস্ৰাব্দ সমস্যা, যাৰবাবে আমেৰিকাৰ Clay Institute এ এক লাখ আমেৰিকান ডলাৰ পুৰস্কাৰ ২০০০ চনত ঘোষণা কৰিছিল)। এনে ধৰণৰ বিবেচনাৰ হেতু ভাৰতীয় জ্যোতিবিদ সকলে সময় গণনাৰ বাবে সৌৰবর্ষ ব্যৱহাৰ কৰিছিল। উপৰুক্ত পটভূমিৰ পৰা দেখা যায় যে কৃষি কার্য আৰু সমুদ্ৰ ভ্ৰমণৰ বাবে শুদ্ধ সময় আৰু ত্ৰিকোণমিতিৰ মানৰ প্ৰয়োজন হৈছিল। আমাৰ দেশত এই দুই বিষয়ত বিস্তৃত অধ্যয়ণ হৈছিল। কৃষিকার্য আৰু সমুদ্ৰ ভ্ৰমণ এই দুই কার্য সম্পাদনৰ বাবে প্ৰয়োজন হোৱা জ্ঞানৰ ফলতেই ভাৰতত সময় নির্দ্ধাৰণৰ শুদ্ধ পদ্ধতি আৰু অন্তৰ ব্যৱধান (Finite Difference) পদ্ধতি বিকাশ ঘটিছিল। অন্তৰ ব্যৱধান আচলতে বর্তমানৰ কলন গণিতৰ বিকাশৰ আদি অৱস্থা। অন্তৰ ব্যৱধান পদ্ধতি ব্যৱহাৰ কৰি ত্ৰিকোণমিতিৰ মান সমূহ নির্ণয় কৰা হৈছিল। এনেবোৰ বিষয় সন্নিবিষ্ট কৰি কেৰেলাৰ গণিতজ্ঞ সকলে গ্ৰন্থ সমূহ ৰচনা কৰিছিল।

নীলকণ্ঠৰ 'তন্ত্ৰ সংগ্ৰহত' উল্লেখিত কৰ্মই কোনো ৰাশিৰ পৰিবর্তনৰ হাৰৰ (fluxion) সম্পর্কে ডেটি স্থাপন কৰিছিল। আইজাক নিউটনেও প্ৰকৃততে অনবিচ্ছিন্নভাৱে পৰিবর্তনশীল ৰাশিৰ বাবে একেই 'fluxion' শব্দকেই ব্যৱহাৰ কৰিছিল। পূর্বজ্ঞাত জ্ঞানৰাজিৰ সংগ্ৰহ সদৰত্নমালাৰ সম্পর্কত Whish এ লিখিছিল যে 'পৰিবর্তনৰ হাৰ শ্ৰেণীৰ সম্পর্কে আনকোনো বিদেশী কর্মৰাজিত উল্লেখ পোৱা নাযায়'। সেই সময়ৰ বিদ্যাচৰ্চ্চাৰ অন্যতম আবিস্কাৰৰ ভিতৰত আছিল বিপৰীত টেনজেন্ট ফলনৰ গ্ৰেগৰী আৰু লিব্‌নিজ নামে খ্যাত শ্ৰেণী, পাইৰ (পাই হ'ল বৃত্তৰ পৰিধি আৰু ব্যাসৰ অনুপাত) বাবে সূচকীয় শ্ৰেণী, Sine আৰু Cosine ৰ বাবে সূচকীয় শ্ৰেণী। নীলকণ্ঠ মূলতঃ জ্যোতিবিদ আছিল। তেখেতৰ 'আর্যভট্টীয় ভাস্য' আৰু 'তন্ত্ৰ সংগ্ৰহত' অসীম শ্ৰেণীৰ বিস্তাৰ, বীজগণিতীয় সমস্যা আৰু গোলকীয় জ্যামিতৰ বিষয়েও উল্লেখ আছে। জ্যেষ্ঠদেৱে সংস্কৃত ভাষাৰ পৰিবর্তে স্থানীয় ভাষাত তেখেতৰ গ্ৰন্থ 'যুক্তিভাষা' লিখিছিল। বহু প্ৰমেয়ৰ আগমণৰ বিস্তৃত বিৱৰণ তথা সেই সময়ৰ বহু সূত্ৰ সম্বলিত 'যুক্তিভাষা' গণিত আৰু জ্যোতিবিজ্ঞানৰ এখন আপুৰুগীয়া ভাৰতীয় পুথি। 'যুক্তিভাষা' মূলতঃ নীলকণ্ঠৰ তন্ত্ৰ সংগ্ৰহৰ আধাৰত ৰচিত হৈছিল।

আন এজন গণিতজ্ঞ পুতুমানা সোমায়াজীয়ে বিভিন্ন ত্রিকোণমিতিয় শ্ৰেণী সমূহৰ বিস্তৃত আলোচনা কৰিছিল। 'সদৰত্নমালা' গ্ৰন্থ প্ৰণেতা উনবিংশ শতিকা আৰম্ভণি সময়ৰ শঙ্কৰ বৰ্মনেই আছিল গণিত বিষয়ৰ কেৰেলা মতাদৰ্শ খেলৰ সেই সময়ৰ গণিত চৰ্চা কৰা শেষৰজন উল্লেখযোগ্য ব্যক্তি। পাঁচটা অধ্যায়যুক্ত তেখেতৰ গ্ৰন্থত গণিত বিষয়ৰ বিভিন্ন তথ্য সন্নিবিষ্ট আছে।

ওপৰোক্ত আলোচনাৰ পৰা দেখা যায় যে সেই সময়ত চৰ্চিত গণিতৰ তলৰ মূখ্য বিষয় কেইটা আমাৰ দেশৰ পৰা ইউৰোপলৈ সঞ্চাৰিত হৈছিল বুলি ভবাৰ যথেষ্ট স্থল আছে।

১. বিপৰীত টেনজেন্টৰ সূচকীয় বিস্তাৰ, যাক বৰ্তমান গ্ৰেগৰী আৰু লিৱনিজৰ অৱদান বুলি ধৰা হয়।

২. পাইৰ সূচকীয় শ্ৰেণী আৰু ইয়াৰ পৰিমেয় আসন্নমান, যাক লিৱনিজৰ অৱদান হিচাবে গণ্য কৰা হয়।

৩. Sine আৰু Cosine ফলনৰ সূচকীয় শ্ৰেণী, যাক নিউটনৰ অৱদান বুলি কোৱা হয়।

ভবিষ্যতে ভাৰতত বিকাশ ঘটা গণিত সমুদ্ৰ পথেৰে ইউৰোপলৈ সৰবৰাহ হোৱাৰ অধিক তথ্য উৎঘাটনৰ প্ৰচেষ্টা চলালে গণিতৰ ইতিহাসত নন দিশ সংযোগিত হব বুলি আশা কৰা যায়।

প্ৰসঙ্গ উৎস ঃ

১. Boyer, C.B. 1968, A History of Mathematics
New York : John Wiley

২. Eves, H. 1983, An Introduction to History of Mathematics : A Reader : Philadelphia : Sunders.

৩. Josesh, G.G., 1994, The crest of the peacock : Non-European Roots of Maths. London, penguin Books, P286-289

৪. Kanigel, R. The man who knew infinity. Macmillan Publishing Company Ltd. USA, 2008

৫. Raju, C.K., Centre for Studies in civilizations, New Delhi, Centre for compuer science, MCRP University, Bhopal

# THE BIGGER SIDE OF EDUCATION

Prof. T. Bhengra
HOD,
Deptt. of Political Science
DHSK COLLEGE

## INTRODUTION

To-day, education is well treasured by both aged and young people alike. We all are trying hard to pursue it; meaning it differently to different people. It is heartening to see the forth coming students from our society who are very smart and intelligent, who have high dreams and visions. We definitely admire their aptitude and seriousness, and believe in their capabilities. It as good feeling that numerically we are making headway. However, while observing this in mind we want to drift to the other bigger side of education.

Education is not simply the achievements such as scoring high / best marks, certificates, degrees or getting the so called highly paid and highly regarded job. It does not even include where we have received our education or how much we have paid for it.Education goes beyond the blackboard, beyond the text books, beyond the classrooms, and all kinds of formal degrees, beyond many attainments we might have achieved or have even thought of to do so. In truth education is supposed to make us a better and novel human being. Particularly for a person who has good faith in himself and morally sound then it will make him more humble then ever. It the such tend is not available in the society then we shall see a day of frustation and disappointment which is not for away where many mannersless educated people with multiple degrees will fill up our society and we would be all lost in the blankness created by futile system of education. It is believed that it would be a probable up shot as we are emphasing a great deal on our education and career wherein we have placed them as No. 1 in our hearts and even in our life too. Education should help us to become a man and a women of principle and integrity. What we do is less important than how we are doing it. Everyone is born with one talent or the other. Society would be at its best when each one performs his or her function according to to his or her skill and competence. We are entirely against the established attitude of our people that once graduate one must apply for civil service examination etc, and become someone bigshot but does not find any job satisfaction in it then he is destined for frustation. When such view is observed, We feel that both the job holder and the job / profession are not doing any justice to the society. However qualified

one may be, not everyone is born to be an administrative officer or businessman etc. It is ineligible to look down on someone basically bacause he could not become a gazette officer Education is not all about becoming bureaucrat. We find such outlook naive, narrow and limited.

Education is bigger than what we have understood about it. It is bigger than the latest car one could drive around, best dresses one could afford to live in. We believe it is all abot one's personality, it is about how we carry ourselves around in private as well as in public .Futher more, we believe that education is fully under supplied and poor without knowing one's own Maker. When we try to go on our own way and do things according to our wishes, we usually find unhappiness in every corner of our life. So what is the meaning of education if it can only bring more tensions and anxicties and who would like to go to that secured burning hell with all our achivements and degrees and jobs. Education should help us to realise that it is not an end in itself but it is the way through which we much get nearer and closer to the poorest of the people and at their service. This is the bigger side of education. Infact education alone nothing more then a temporary decoration if we do not lend at the service of the humanity.

References


1. Mohonts Sangam Keshri
   "The education among the tribal"
   Prentice Hall of India Pvt
   New Delhi (2006)
2. Arun kumar
   "Education is life"
   Sarup & Sons,
   New Delhi(2002)
3. Parul Rathor
   "Education is means of living"
   S.Chand & Company Ltd
   New Delhi (1999)
4. Khanka Paul
   "Education is light of the blind"
   Delhi Publication House
   New Delhi (2004)
5. K.K.Manyung
   "Education is the life bread of the human"
   Mittal publication House
   New Delhi (2008)
6. John Dewy
   "Education is the civilisation"
   Orintal Book depot Pvt
   New Delhi (2001)

- জাহ্নৱী চক্ৰৱৰ্ত্তী
পঞ্চম ষান্মাসিক
গণিত বিভাগ

# অসমীয়া সমাজত নাৰী অতীত আৰু বৰ্তমান



সৃষ্টিৰ আধাৰৰ মূলতেই নাৰী। এটা শব্দৰ মাজতে অৰ্ন্তনিহিত মমতা, সৌন্দৰ্য, সাহস আদি যিটো শব্দ হ'ল 'নাৰী'। 'নাৰীৰ' অভিধান কেৱল অসীম আকাশৰ লগতহে তুলনা কৰিব পাৰি। এখন সমাজৰ মেৰুদণ্ডস্বৰূপ এই নাৰী। প্ৰেমৰ ত্যাগৰ প্ৰতীক নাৰী। নাৰীবিহীন সমাজ কল্পনাৰো অতীত। তথাপিতো আমাৰ সমাজত প্ৰতি মুহূৰ্তে অপদস্ত হ'বলগীয়া হয় এই নাৰী সকল। সময়ৰ সলনি হৈছে, মানসিকতাৰ উত্তৰণহে বহু দিশত হ'বলৈ বাকী এতিয়াও। আমি এই প্ৰবন্ধত চমুকৈ 'অসমীয়া সমাজ জীৱনত নাৰীৰ অৱস্থা পূৰ্বে কেনে আছিল আৰু এতিয়া কেনে' সেই বিষয়ে চৰ্চা কৰিমহঁক।

**'পিতা ৰক্ষ্যতি কৌমাৰে
ভাৰ্তা ৰক্ষ্যতি যৌৱনে
ৰক্ষ্যতি স্থবিৰে
পুত্ৰ ন স্ত্ৰী
স্বাতন্ত্ৰ্যমহৰ্তি।।'**

ওপৰত উল্লেখিত শ্লোকটো 'মনুসংহিতা'ৰ অন্তৰ্গত। পুৰুষশাসিত সমাজ এখনৰ বিষয়ে এই শ্লোকটোৰ জৰিয়তে জানিব পাৰি। এই শ্লোকটোৰ অৰ্থ হ'ল, "তেওঁ (নাৰী) শৈশৱকালত পিতৃৰ অধীন, যৌৱন কালত স্বামীৰ আৰু বৃদ্ধাৱস্থাত পুত্ৰৰ অধীন, নাৰী কেতিয়াও স্বতন্ত্ৰ হ'ব নোৱাৰে", এনেবোৰ শাস্ত্ৰোক্তিৰ দ্বাৰা প্ৰভাৱিত হৈ এটা সময়ত নাৰীয়ে নিজস্বতা হেৰুৱাই পেলাইছিল, বিশেষকৈ ভাৰতীয় সমাজ জীৱনত। অসমৰ মহিলা কবিয়েও লিখিছিল, "কোকিল সুন্দৰ হয় সুৱদী মাতত, তিৰোতা সুন্দৰ হয় স্বামীৰ হাতত।।" আকৌ, আনন্দৰাম ঢেকিয়াল ফুকনৰ শিক্ষিতা কন্যা পদ্মাৱতী দেৱী ফুকননীয়েও লিখিছিল এনেদৰে, "স্ত্ৰীজীৱন ওপজাৰ পৰা মৰালৈকে স্বতন্ত্ৰ নহয়; বিশেষকৈ আমাৰ দেশৰ তিৰোতাৰ স্বতন্ত্ৰতা নাই। তিৰোতাই স্বাধীনতা নোপোৱাতো মোৰ মনেৰে বৰ ভাল কথা।" (বাঁহী, ১৯১৩ চন ৯ম সংখ্যা) এয়া সহজেই অনুমেয়, পুৰুষতান্ত্ৰিক সমাজ এখনত কিছু সংখ্যক নাৰীও

কিদৰে সেই ধাৰণাৰ দ্বাৰা প্ৰভাৱিত হয়। পূৰ্বৰ তুলনাত এতিয়া এনে ধাৰণা কিছু শিথিল যদিও পুৰুষ প্ৰধান সমাজৰ একাংশই আজিও নাৰীক অৱহেলা, অৱদমন কৰাৰ প্ৰক্ৰি য়া অব্যাহত ৰাখিছে। যদিও কোৱা হয় বৈদিক যুগত নাৰীৰ স্থান অতি উচ্চ আছিল; গাৰ্গী, মৈত্ৰেয়ীৰ দৰে বিদুষী মহিলাই পুৰুষৰ সমানে স্থান লাভ কৰিছিল তথাপিও বৈদিক যুগৰ সাহিত্যতো নাৰীৰ স্থান অতি তুচ্ছ আছিল তাৰেই কেইটামান উদাহৰণ তুলি ধৰা হ'ল —

১। "স্ত্ৰীৰ মনটোক কেতিয়াও শিক্ষিত কৰিব পৰা নাযায়, তেওঁলোকৰ বুদ্ধি অতি তুচ্ছ।" (৮/৩৩/১৭)

২। "পুত্ৰী সদায় ক.............প্ৰদা তথা দুখদায়িনী হয়।" (ঐতৰেয় ব্ৰাহ্মণ — ৭/৩/১)

৩। "মিছা, দুঃসাহস, নিৰ্দয়তা, লোভ-লালসা তথা কপটতা স্ত্ৰীৰ স্বাভাৱিক দোষ।" (চাণক্য - ২/১)

৪। "স্ত্ৰীক ঘৰ বা ধৰ্মকৰ্মৰ মাজত আৱদ্ধ ৰাখিব লাগে যাতে খালী সময় লাভ নকৰে। ('মনুস্মৃতি' - ১/২৪)

এইয়া মাথো কেইটামান উদাহৰণহে। বিভিন্ন ধৰ্মগ্ৰন্থ পৰম্পৰ বিৰোধী বহু কথাৰে ভৰ্তি। কেতিয়াবা নাৰীক দেৱীস্থান দিয়া হৈছে, কেতিয়াবা হীনচিন্তা, জ্ঞানশূণ্য, কামপ্ৰিয়াৰূপে। 'তৈত্তিৰীয় সংহিতা'তো কোৱা হৈছে (৬/৫/৮/২), 'নাৰীৰ দায় অশুভ। শুদ্ধচিত্ত হ'লেও তেওঁ বদপুৰুষতকৈও অধম।" 'শতপথ ব্ৰাহ্মণত' স্ত্ৰীক কাউৰী আৰু কুকুৰৰ সৈতে একে স্থানত ৰখা হৈছে। (১৪/১/১/৩১)।

অসমৰ প্ৰেক্ষাপটত এই কথাবোৰ বিচাৰ কৰি চালেও দেখা পোৱা যায়, নৱবৈষ্ণৱ সাহিত্যত অনন্ত কন্দলীয়ে লিখা এইখিনি কথা — "দুৰ্গতিৰ মন্দিৰ জানিবা নাৰী সংগ। হেন জানি তেজিয়ো ইহাৰ যত ৰংগ।।" ('ভাগৱত', অন্ত্য দশম স্কন্ধ)। আকৌ, ঊনৈস শতিকাৰ শেষফালেও অসমীয়া লোকে নাৰীৰ প্ৰতি কটুক্তি কৰা দেখিবলৈ পোৱা গৈছিল। 'আসাম বন্ধু' নামৰ আলোচনীখনত ৰত্নেশ্বৰ মহন্ত নামৰ প্ৰবন্ধ লেখকজনে এইদৰে লিখিছিল "দুঃখিত অন্তঃকৰণেৰে কওঁ যে, আজিকালিৰ তিৰোতাবিলাকক যিবিধৰ স্বাধীনতা দিবলৈ ওলাইছে, সি স্বাধীনতা নহয় স্বেচ্ছাচাৰিতা। তিৰোতাক নিজৰ ইচ্ছাৰ তলতীয়া কৰি দিব নালাগে। (স্বাধীনতা নে স্বেচ্ছাচাৰ) 'আসাম বন্ধু'তে ৰত্নেশ্বৰ মহন্তৰ সমসাময়িক পূৰ্ণকান্ত শৰ্মাই লিখিছিল "পুথি নপঢ়াকৈয়ে বা বালিকা পঢ়াশালিলৈ নোযোৱাকৈয়ে জ্ঞানশিক্ষা কৰিব পাৰি। স্ত্ৰীলোকৰ মৌখিকশিক্ষাই ভাল।" (স্ত্ৰী শিক্ষা) উক্ত দুজন ব্যক্তি আছিল অসমৰ বাহিৰৰ পৃথিৱীখন নেদেখা লোক, কিন্তু এনে এজন ব্যক্তিও আছিল যিয়ে নেকি বিলাতত আভিযান্ত্ৰিক পাঠ্যক্ৰম সম্পূৰ্ণ কৰি আহিছিল, সেইজন বলীনাৰায়ণ বৰাৰ দৰে লোকেও 'মৌ' নামৰ আলোচনীখনত লিখিছিল, 'নিজৰ বন এৰি যি তিৰোতাই বি. এ. এম. এ. আদি মুনিহৰ বন কৰিবলৈ আগবাঢ়ে, তেনেকুৱা মতা তিৰোতাক দেখিলেই ভয় লাগে।" আকৌ, এইজনেই কৈছিল, "আসামৰ মানুহক মানে লণ্ড-ভণ্ড কৰিছিল, কিন্তু ভাটি সভ্যতাৰ লণ্ডভণ্ড তাতোকৈও ভয়ানক, যদিহে অসমীয়া তিৰোতা পণ্ডিত হ'বলৈ খোজে। 'তিৰোতাৰ বন কি?' নামৰ ৰচনাখনত তেখেতে এই কথাও উল্লেখ কৰিছিল, "তাঁতশালেই অসমীয়া তিৰোতাৰ ধৈৰ্য্য, সহিষ্ণুতা আৰু গৃহস্থলি গুণৰ মূল" আৰু এজন স্বনামধন্য লেখক লম্বোদৰ বৰাইও স্ত্ৰীশিক্ষাৰ বিৰোধিতা কৰি মন্তব্য প্ৰদান কৰিছিল। তেওঁ লিখিছিল, "ছোৱালী যিমানেই উচ্চশিক্ষিতা হয়, সিমানে দৰা পোৱাও টান হয় আৰু ছোৱালীৰ নিজৰ পছন্দৰ আগত মাক-দেউতাকৰ পছন্দে বহু সময়ত হাৰ মানিবলগীয়া হয়।" গতিকে, দেখা যায় অসমৰ জাতীয় জীৱনত স্ত্ৰীশিক্ষাৰ প্ৰতি প্ৰায়সংখ্যক লোকৰে উন্নত মনোভাৱ নাছিল। পৰম্পৰাগত চিন্তাৰ দ্বাৰা পৰিপুষ্ট পুৰুষতান্ত্ৰিক সমাজখনত ঐতিহ্যৰ দোহাই দি বাৰম্বাৰ স্ত্ৰীক শিক্ষাৰ পৰা বঞ্চিত কৰাৰ কু-মানসিকতা এটাই বিৰাজ কৰিছিল। বাল্যবিবাহৰো প্ৰচলন নথকা নহয়, বিশেষকৈ উচ্চ হিন্দুসকলৰ মাজত। 'মনুসংহিতা'ৰ বাক্যাংশবোৰকে সাৰোগত কৰিয়েই যুগ যুগ ধৰি এনে প্ৰৱণতা এটা সমাজখনত বিয়াপি দি ফুৰিছিল। নাৰীক প্ৰগতিশীল দৃষ্টিৰে চাব পৰা নাছিল বহু শিক্ষিত লেখকেও। তেওঁলোকে নাৰীৰ মুক্ত অৱস্থা একেবাৰেই বিচৰা নাছিল। এনে প্ৰতিকূল পৰিস্থিতিৰ মাজতো তিনি ব্যক্তি হেমচন্দ্ৰ বৰুৱা, আনন্দৰাম বৰুৱা আৰু গুণাভিৰাম বৰুৱাই স্ত্ৰীশিক্ষা, স্ত্ৰী স্বাধীনতা, স্ত্ৰী অধিকাৰ আদি দিশত মাত মাতিবলৈ সাহ কৰিছিল। হেমচন্দ্ৰ বৰুৱাদেৱে স্ত্ৰী-মৰ্যাদা সম্পৰ্কে গুৰুত্বপূৰ্ণ মন্তব্য কৰি থৈ গৈছে। তেওঁ বহুবিবাহৰ বিৰোধী আছিল। ত্ৰিশ বছৰ বয়সতে পত্নীক হেৰুৱাৰ পাছতো তেওঁ পুনঃবিবাহত মত দিয়া নাছিল। তেওঁৰ মন্তব্য আছি এনেধৰণৰ "মই ভাবি চালোঁ, মোৰ ভাৰ্য্যাৰ নহৈ মোৰ মৃত্যু হোৱা হ'লে তেওঁৰ কি অৱস্থা হ'লহেঁতেন। তেওঁ মৰিছে, তথাপি মোৰ ইচ্ছা হ'লেই মই কিয় এটা কিয় তিনিটা বা অধিক বিয়া কৰাব পাৰোঁ; কিন্তু বিধবা হোৱাৰ পাছত পুনৰ বিয়াৰ নাম লোৱা মাত্ৰেই তেওঁৰ জাতি গ'লহেঁতেন, সমাজে বৰ্জিলহেঁতেন আৰু তেওঁ জীয়ন্তে মৰা হৈ থাকিলহেঁতেন। ই কেনে অসঙ্গত, কেনে অযুগুত। এতেকে পুনৰায় বিয়া কৰা মোৰ উচিত নহয়।" (আত্মজীৱন চৰিত) স্ত্ৰীশিক্ষা আৰু নাৰীমুক্তিৰ সমৰ্থক হিচাপে তেওঁ লিখিছিল, "যেতিয়ালৈকে তিৰোতাবিলাকক বিদ্যা শিকাই মুক্তাৱস্থা দিয়া নাযায় তেতিয়ালৈকে দেশৰ মংগল হোৱাৰ সম্ভাৱনা নাই। গুণাভিৰাম বৰুৱাদেৱ আছিল বিধবা বিবাহৰ সমৰ্থক। তেখেতে নিজেই বিধৱা বিবাহ কৰিছিল। আকৌ, আনন্দৰাম বৰুৱাদেৱে সকলো বিবাহ আইনমতে পঞ্জীয়ন হোৱা উচিত বুলি গোহাৰি জনাইছিল যাতে কোনো পুৰুষে চলেৰে নাৰীক বিবাহ কৰি পাছত এনেয়ে এৰি দিব নোৱাৰে। অসমৰ পুৰুষ সমাজৰ ভিতৰত কমলাকান্ত ভট্টাচাৰ্যদেৱৰ এটা সুস্পষ্ট মত নাৰীশিক্ষাৰ সন্দৰ্ভত, "যি মানুহ স্ত্ৰী শিক্ষাৰ বিৰোধী, সেই মানুহ হয় অজ্ঞান, নহয় ঘোৰ স্বাৰ্থপৰ; মহাপাপী। পৃথিৱীৰ আন যত সভ্য জাতি বা দেশে উন্নতিৰ জখলাৰ খোপে খোপে উঠিছে, তাৰ মূল কাৰণ স্ত্ৰী জাতিক সু-শিক্ষা দিয়া। যি জাতিৰ মানুহে

মাতৃজাতিক সন্মান কৰিব নোৱাৰে জানে আৰু শিকে, সেই জাতিৰ ভিতৰহে মানুহ জন্মে।" নাৰীজাগৰণ সম্পৰ্কে ১৯২৫ চনত লক্ষ্মীধৰ শৰ্মাদেৱে কৈছিল, "আজি জগৎব্যাপী নাৰী সমাজৰ মাজত যি চাঞ্চল্য দেখা গৈছে তাৰ মূলত এটি গভীৰ সত্য নিহিত হৈ আছে। আজিলৈকে পৃথিৱীত মানুহেই নিজৰ সুখ-সুবিধা অনুযায়ী সকলো কাম কৰি আহিছে, নাৰীজাতিৰ মতামত বা সুখ-সুবিধাৰ কথা ভবা নাই বা ভাবিবৰ আৱশ্যকবোধো কৰা নাই... আৰু আজি হঠাৎ নাৰীজাতিৰ নতুন আবিৰ্ভাৱ কাৰ্যক্ষেত্ৰত দেখি সমস্ত পৃথিৱীৰ মানুহেই আতংকিত হৈ উঠিছে — অঘটন ঘটিব, সমাজৰ শৃংখলা ভাঙিব, এনেবোৰ কথাকৈ নাৰীৰ এই নতুন উদ্যমৰ ধ্বংস কৰিবলৈ প্ৰস্তুত হৈছে। সংসাৰ আৰু স্বাৰ্থ দুয়োটা গোট খাই নাৰীজাতিৰ আগত এটি অভেদ্য দুৰ্গৰূপে থিয় দিছে। কিন্তু দুৰ্গ যিমানেই দুৰ্ভেদ্য হওক, সত্যৰ বলত সি লাহে লাহে ধূলিৰ লগত মিহলি হোৱা স্বাভাৱিক।" (অসম হৈতৈষী)।

## ঐতিহাসিক পটভূমিত অসমীয়া নাৰী ঃ—

অসমীয়া সমাজত নাৰীৰ অৱস্থান পাছলৈ অৱনমিত হৈছিল যদিও ঐতিহাসিক পটভূমিত বিচাৰ কৰি চালে দেখা যায় এইখন অসমতে জয়মতীৰ দৰে সাহসী নাৰীয়ে জন্ম লভিছিল, ফুলেশ্বৰী কুঁৱৰী বৰৰজা হৈছিল, মূলাগাভৰুৰ দৰে বীৰাঙ্গনাৰ জন্ম হৈছিল, কুৰঙ্গনয়নী ৰমণী গাভৰুৰ দৰে কূটনীতিবীদ, মদম্বিকা কুঁৱৰীৰ দৰে শাসনকৰ্তীৰ জন্ম হৈছিল। অসম তথা উত্তৰ-পূৰ্বাঞ্চল জনজাতীয় পৰম্পৰাৰ মাজেৰে চলিছিল বাবেই নাৰীৰ স্থান সামন্তীয় সমাজতকৈ উন্নত আছিল। জনজাতীয় মূলৰ এই নাৰীসকল যথেষ্ট সাহসী আছিল। তেওঁলোকৰ বহুতেই সেইসময়ৰ কবি-সাহিত্যিক সকলৰ পৃষ্ঠপোষকো আছিল। বৰবজা ফুলেশ্বৰীয়ে কবিৰাজ চক্ৰৱৰ্ত্তীৰ পৃষ্ঠপোষকতা কৰিছিল 'শংখচূড়বধ' আৰু 'শকুন্তলা কাব্য' ৰচনাকালত অসমীয়া নাৰীৰ ওপৰত ঐতিহ্য সংৰক্ষণৰ বোজা (বিশেষকৈ পোছাকৰ ক্ষেত্ৰত) —

অসমীয়া নাৰীৰ সজা-পাৰৰ ওপৰত কিছুসংখ্যক পুৰুষে অত্যাধিক গুৰুত্ব প্ৰদান কৰা দেখা যায়। নাৰীৰ পোছাক-পৰিচ্ছদ সম্পৰ্কে উদ্ধত মন্তব্য আগবঢ়োৱা প্ৰায়সকল পণ্ডিতেই নিজৰ পোছাকৰ প্ৰতি উদাসীন। সংস্কৃতিৰ ৰক্ষাৰ বোজা কেৱল মহিলাসকলৰ ওপৰতে জাপি দিয়াৰ প্ৰৱণতা এটা আজিও আছে। এসময়ত অসমীয়া নাৰীয়ে শাৰী পিন্ধাক লৈ বিতৰ্ক কৰা এচাম বুদ্ধিজীৱিয়ে নিজে কোট টাই পিন্ধিছিল। অৰ্থাৎ তেওঁলোকৰ দৃষ্টিভংগী আছিল পুৰুষৰ কথা বেলেগ, কিন্তু নাৰীয়ে ঐতিহ্য পৰম্পৰাক ৰক্ষা কৰি চলা উচিত। শাৰীৰ পাছত ক্ৰমে চুৰিদাৰ, জিন্‌ছ লৈ বিতৰ্ক হৈছিল। বৰ্তমান ছ'চিয়েল মহিলাৰ পোছাকক লৈয়ে বিতৰ্ক হৈ আছে। এই পৰিপ্ৰেক্ষিততে এইখিনি কথা উল্লেখ কৰিছোঁ। কোনোবা এটা ব্যক্তিগত সংবাদ মাধ্যমত ছোৱালীয়ে চটস্কাৰ্ট বা হাপপেন্ট পৰিধান কৰাক লৈ প্ৰতিবেদন প্ৰকাশ কৰিছিল য'ত ছোৱালীক 'বান্দৰতকৈও অধম' সদৃশ মন্তব্য দিয়া দেখা গ'ল, 'বান্দৰেও কাপোৰ পিন্ধিব জানে বুলি'। এই বিষয় লৈয়ে তৰ্ক-বিতৰ্ক চলি আছে। আচলতে, মোৰ মনত প্ৰশ্ন হয়, সেই তেতিয়াৰ পৰা এতিয়ালৈকে আমাৰ এই মনোভাৱৰ সলনি কিয় হোৱা নাহ ! আমি কি সদায় মহিলাৰ পোছাকৰ ওপৰতে গৱেষণা কৰি থাকিম নেকি! তাতকৈও বহু ডাঙৰ ডাঙৰ সমস্যা অসমত আছে। কাৰোবাৰ ব্যক্তি স্বাধীনতাৰ ওপৰত অনবৰতে প্ৰশ্ন কৰি থাকিলে বিৰক্তহে হোৱা যায়। প্ৰত্যেক অসমীয়া ছোৱালীয়ে মেখেলা চাদৰ পৰিধান কৰি ভাল পায়, কিন্তু অনবৰতে মেখেলা-চাদৰ পিন্ধি থাকিবওতো নোৱাৰে। ঘৰুৱা বিয়া-বাৰু, সৰস্বতী পূজা বা অইন অনুষ্ঠানত এই যুৱতীসকলেই মেখেলা চাদৰ পিন্ধিবলৈ স্বইচ্ছা প্ৰকাশ কৰে। গতিকে, পোছাক-পৰিচ্ছদৰ ক্ষেত্ৰতো মহিলাক জগৰীয়া কৰি থকাৰ কোনো কাৰণ নেদেখোঁ। তেওঁলোকে সংস্কৃতি ধৰি ৰখাৰ চেষ্টাটো কৰেই বাকীসকলৰ তুলনাত। এইখিনিতে হীৰেণ গোঁহাই ছাৰৰ এটা মন্তব্যঃ, "এটা যুক্তিতেই মই মেখেলা চাদৰৰ বিপক্ষে শক্তিশালী বুলি ভাবোঁ। সেইটো হৈছে সমাজৰ সকলো শ্ৰেণীৰ পুৰুষৰ মাজত পশ্চিমীয়া সাজ-পাৰৰ প্ৰতি আকৰ্ষণ। এইক্ষেত্ৰত পুৰুষে স্পষ্ট, বলিষ্ঠ, ভণ্ডামিহীন সিদ্ধান্ত ল'ব নোৱাৰিলে তিৰোতাক জোৰকৈ মেখেলা-চাদৰ পিন্ধাই ৰখাৰ অভিযান চলোৱা সহজ নহ'ব।

অন্যহাতে, ধৰ্ষণ আদিৰ দৰে ঘটনাৰ বাবে মানসিকতাতকৈ পোছাকেহে কিছুসংখ্যক লোকৰ মন্তব্যত গুৰুত্ব পায়। 'সাজপাৰে হেনো তিৰোতাক ভোগৰ সামগ্ৰী হিচাপে সজায়' এনেধৰণৰ মন্তব্য কৰিও ধৰ্ষণৰ আঁৰৰ প্ৰকৃত কৰণৰ পৰা আঁতৰি অহা দেখা যায়। ধৰ্ষিতাই সমাজত ভাল মাত এষাৰি নাপায়, কিন্তু তাইৰ দোষ কি? পুৰুষতান্ত্ৰিক সমাজখনৰ মানসিকতাত এতিয়াও এলান্ধু লাগিয়েই আছে। সেয়ে প্ৰত্যেক কথাতে নাৰীক জগৰীয়া কৰাৰ প্ৰথা আজি পৰ্যন্ত আঁতৰ হোৱা নাই।

অসমীয়া নাৰীৰ কথা লিখোঁতে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ বিষয়ে উল্লেখ নকৰিলে লেখাটো আধৰুৱা হৈ ৰ'ব। ব্যতিক্ৰমী চন্দ্ৰপ্ৰভা হিচাপে নিজৰ জীৱিকাৰ পথ মোকলাই লৈছিল। তেওঁক স্বাধীন ব্যক্তি হিচাপেই পৰিগণিত কৰিব পাৰি। পাছলৈ তেওঁ ছাত্ৰ সংগঠন আৰু সাহিত্য সভাৰ সৈতেও জড়িত হয়। সামাজিক কাৰণত দাম্পত্য জীৱনৰ পৰা বঞ্চিত হৈও পিতৃৰ অনুপস্থিতিত সন্তানক প্ৰতিপালন কৰিছিল। অসমত স্ত্ৰীশিক্ষাৰ প্ৰৱৰ্তনৰ বাবেও তেখেতে অহোপুৰুষাৰ্থ কৰিছিল।

সাহিত্য, শিল্প-সংস্কৃতি, ৰাজনীতি, ক্ৰীড়াজগত আদিত অসমীয়া নাৰী স্বকীয়তাৰে উজ্জ্বলিবলৈ সক্ষম হৈছিল বহু বাধা-বিঘিনি অতিক্ৰম কৰিও। 'জয়মতী' কথাছবিত অভিনয় কৰা প্ৰত্যেকগৰাকী নাৰীয়ে সমাজৰ অপবাদ, গৰিহণাৰ মুখামুখি হ'বলগীয়া হৈছিল, তথাপিও তেওঁলোকে অভিনয় কৰিবলৈ আগবাঢ়ি আহিছিল। 'জয়মতী' চৰিত্ৰত অভিনয় কৰা আইদেউ সন্দিকৈয়ে চিৰদিনৰ বাবে আবিয়ে হৈ থাকিবলগীয়া হৈছিল। 'মনোমতী'ত অভিনয় কৰা নিৰুপমা দেৱীকো পোনতে ঘৰৰ পৰা বাধা দিয়া

হৈছিল।

লাহে লাহে সমাজৰ নাৰীসকলে স্বাৱলম্বিতাৰ দিশত খোজ দিবলৈ আৰম্ভ কৰে। ৰক্ষণশীল বহু অসমীয়া পৰিয়ালে নাৰীসকলক এই ক্ষেত্ৰতো বাধা প্ৰদান কৰা দেখিবলৈ পোৱা গৈছিল। প্ৰগতিশীল প্ৰত্যেকগৰাকী নাৰীয়ে তেতিয়াও সংগ্ৰাম কৰিবলগীয়া হৈছিল। কিন্তু বহু নাৰীয়ে এই প্ৰত্যাহ্বানকো নেওচি আত্মপ্ৰতিষ্ঠাৰ ক্ষেত্ৰত, স্বাৱলম্বনৰ দিশে অগ্ৰসৰ হ'ল। আজিৰ নাৰীয়ে পুৰুষৰ সৈতে প্ৰায় সকলো ক্ষেত্ৰতে ফেৰ মাৰিব পাৰিছে।

## বৰ্তমানৰ সামাজিক প্ৰেক্ষাপটত অসমীয়া মহিলা

বৰ্তমান সমাজত অসমীয়া মহিলাই যদিও উচিত মৰ্যাদা, সা-সন্মান লাভ কৰিছে বুলি কোৱা হয় তথাপি এতিয়াও দূৰণিবটীয়া গাওঁসমূহত মহিলা অৱহেলিত হৈ আহিছে। কিছুমান অন্ধবিশ্বাসৰ প্ৰকোপত। অশিক্ষিত লোকে মহিলাক ডাইনী সজাই অযথা মাৰপিট কৰি হত্যা কৰা ঘটনা বাতৰি কাকত-টিভিৰ পৰ্দাত দেখা পোৱা নিত্য-নৈমিত্তিক ঘটনা হৈ পৰিছে। যৌতুকৰ বাবে বোৱাৰী হত্যা আদিৰ দৰে ঘটনাও গাঁৱে-চহৰে সঘনে ঘটা দেখা পোৱা গৈছে। কিছু অঞ্চলত কন্যা ভ্ৰূণ হত্যা, বাল্য বিবাহ আদিও প্ৰচলিত। নাৰী নিৰ্যাতন, ধৰ্ষণ, নাৰী অপহৰণৰ দৰে ঘটনা ক্ৰমাৎ বৃদ্ধি পাব ধৰিছে অসমত। এনেবোৰ কথাই অসমত নাৰী সমাজৰ অসুৰক্ষিত অৱস্থাটোৰেই প্ৰতিফলন ঘটায়। শাৰীৰিক আৰু মানসিকভাৱে সমাজত এতিয়াও যে নাৰী অপদস্ত, এইবোৰ ঘটনাৰ পৰাই উমান পাব পাৰি। অসমত নাৰী সবলীকৰণ তথা অৰ্থনৈতিক স্বাৱলম্বন এটা বহুচৰ্চিত বিষয়। এই উদ্দেশ্যেৰেই ১৯৯৯ চনত ভাৰতবৰ্ষৰ অন্যান্য ঠাইৰ লগতে অসমতো নাৰীৰ অৰ্থনৈতিক স্বাৱলম্বনৰ বাবে এক আঁচনি ফলপ্ৰসূ কৰাৰ প্ৰচেষ্টা হাতত লোৱা হৈছিল, 'স্বৰ্ণজয়ন্তী গ্ৰাম স্বৰোজগাৰ আঁচনি'। এই আঁচনিখনৰ অন্তৰ্গত অসমৰ গাঁৱে-ভূঞে বহুতো 'আত্মসহায়ক গোট' স্থাপিত হ'ল। সামান্য মূলধনৰ বিনিয়োগতে মহিলাসকলৰ স্ব-উপাৰ্জনৰ বাট এটা মুকলি হ'ল।

নাৰীক সবলীকৰণৰ দিশত আগবঢ়াই নিয়াত শিক্ষাৰ প্ৰয়োজন সৰ্বাধিক। অসমৰ মহিলা সাক্ষৰতাৰ হাৰ পুৰুষ সাক্ষৰতাৰ হাৰতকৈ কম। ২০১১ চনৰ লোকপিয়ল অনুযায়ী মহিলা সাক্ষৰতাৰ হাৰ ৬৭.১৭ শতাংশহে, এতিয়াও ৩৩ শতাংশ মহিলাই লেখা-পঢ়া নাজানে এইটো উদ্বিগ্নতাৰ বিষয়। উল্লেখযোগ্য কথা যে, 'সাক্ষৰ ভাৰত মিছন' বা অইন শিক্ষা সংক্ৰান্তীয় আঁচনিয়ে হওক সম্পূৰ্ণৰূপত সফল হ'ব পৰা নাই। দূৰণিবটীয়া অঞ্চলৰ মহিলাসকলক এনে আঁচনিয়ে ঢুকি নাপায়গৈ। 'এটি ল'ৰাক শিক্ষা দিয়া মানে এজন ব্যক্তিক শিক্ষিত কৰা, কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে এটা পৰিয়ালক শিক্ষা দিয়া'। সমধিকাৰ-সমমৰ্যাদাৰ বাবে নাৰীয়ে আজিৰ যুগতো যুঁজ দিবলগীয়া হোৱাটো হাস্যস্পদ। সমাজৰ সামগ্ৰিক উন্নয়নত যে নাৰী-পুৰুষ দুয়োজনৰ সমানে গুৰুত্ব আছে, সেই কথা প্ৰতিজন উপলব্ধি কৰিব পাৰিব লাগিব।

নাৰী শিক্ষাৰ বাটত হেঙাৰস্বৰূপ সমস্যাসমূহৰ সমাধানৰ বিজ্ঞানসন্মত পদ্ধতি হাতত লৈ নাৰী সংগঠনসমূহে বিশেষকৈ, গাঁৱে-ভূঞে কৰ্মশালা, সজাগতা শিবিৰ, বাটৰ নাট আদি বিভিন্ন অনুষ্ঠান পাতি নাৰীসকলক অনুপ্ৰাণিত কৰিব পাৰে, আত্মনিৰ্ভৰশীল হ'বলৈ আহ্বান জনাব পাৰে।

"নাৰীৰ মৰ্যাদা আৰু সন্মান প্ৰাপ্তিৰ বাবে নাৰী পুৰুষ দুয়ো পক্ষৰে প্ৰচেষ্টা আৰু সদ্ভাৱৰ প্ৰয়োজন।" অৰ্থাৎ পুৰুষ, মহিলা নিৰ্বিশেষে সকলোৱে সমানে আগবাঢ়িব লাগিব। কোনেও কাকো হেয় প্ৰতিপন্ন নকৰাকৈ। যেতিয়ালৈকে সমাজত প্ৰতিগৰাকী নাৰীয়ে নিজস্ব প্ৰতিভাৰ চিনাক্তকৰণ কৰিব নোৱাৰে, স্বইচ্ছাৰে অইনৰ হাতৰ পুতলা হৈ থাকিব বিচাৰে তেতিয়ালৈকে প্ৰকৃত মৰ্যাদা আহৰণ কৰাটো দুৰূহ হৈয়েই থাকিব। নাৰী প্ৰকৃত শিক্ষাৰে শিক্ষিত হৈ আত্মমৰ্যাদাসম্পন্ন ব্যক্তি সত্তালৈ ৰূপান্তৰ হ'লেহে সমাজ সবল হ'ব। এই অবিৰত সংগ্ৰাম নাৰীয়ে চলাই যাব লাগিব, অন্ততঃ তেতিয়ালৈ, যেতিয়ালৈকে সমাজৰ মানসিকতাৰ পৰিৱৰ্তন নহয়। নাৰী সৱলীকৰণৰ জৰিয়তে মানৱজাতিৰ সৱলীকৰণ সম্ভৱ।

টোকা ঃ—

নাৰী সন্দৰ্ভত উক্ত লেখাটো প্ৰস্তুত কৰোঁতে বিভিন্ন গ্ৰন্থ তথা ইণ্টাৰনেটৰ সহায় লোৱা হৈছে। বিষয়টোৰ বহল আলোচনা এটা কৰাৰ প্ৰয়াস কৰোঁতেও বহুতো কথা বাদ পৰি ৰৈছে হয়তো, কম সময়ৰ ভিতৰতে প্ৰস্তুত কৰিবলগীয়া হোৱাত ভুল-ত্ৰুটিও হৈছে, তাৰ বাবে ক্ষমাপ্ৰাৰ্থী।

'অসমীয়া নাৰী-ঐতিহ্য আৰু উত্তৰণ' — সংকলিত প্ৰবন্ধৰ গ্ৰন্থ। (সম্পাদনা - শিৱনাথ বৰ্মণ, সন্ধ্যা দেৱী, পৰমানন্দ মজুমদাৰ)

'অসমীয়া ৰচনা সংকলন' — (সম্পাদনা - তুলতুল বৰুৱা)

ইণ্টাৰনেটৰ বিভিন্ন ৱেবচাইটত পোৱা তথ্য।

-ঃঃ-



# মিতালিলৈ অনা আঙুঠি

- বিজেন্দ্ৰ বাইঠা
পঞ্চম ষান্মাসিক
অৰ্থনীতি বিভাগ

আজি তাঁহাতৰ ঘৰত মানুহৰ সমাগম বেছি। আন দিনৰ দৰে সেইদিনা সিহঁতৰ ঘৰত মানুহ বেছি আহিছিল। প্ৰত্যেকে নিজৰ নিজৰ পৰামৰ্শ আগবঢ়াইছে। কোনোবাই কৈছে যে অসমত থাকি কিমান টকা দৰমহা পাবি। আজিকালি ৫০ হাজাৰ টকাৰ দৰমহাৰে একোৰেই নহয়। ভাৰতৰ টকাৰ মূল্য আমেৰিকা তথা অন্য উন্নত দেশৰ তুলনা নিচেই কম। মই ভাবো তই আমেৰিকাত পোৱা চাকৰিটোৱে কৰ, তোৰ জীৱনটো সুখৰ হ'ব। আনজেন কৈছে, "ডাঙৰ ডাঙৰ মানুহৰ লগ পাবি আৰু ভাল-ভাল ঠাই চাবলৈ পাবি তোমাৰ অভিজ্ঞতা আৰু বঢ়িব।"

ৰতনক উৎসাহ দিওঁতাৰ অভাৱ নাই। সি বহু কেইজন মানুহৰ কথা শুনি ৰতনৰ আমেৰিকালৈ যোৱা ধাউতি বাঢ়ি গ'ল। ইমান কষ্ট আৰু অৰ্থব্যয় কৰি পঢ়া-শুনা কৰিছে যেতিয়া এখন ভাল আৰু উন্নত দেশত চাকৰি কৰাটো তেওঁৰ বাবে গৌৰৱৰ কথা হ'ব। সেইকথা ভাবি ৰতনে আমেৰিকালৈ যোৱা সিদ্ধান্ত ল'লে। ৰতনে লগৰ লগৰীয়াক এৰি যাবলৈ ওলাইছে। সকলোৱে ভাল পালেও মিতালিয়ে কিন্তু ভাল পোৱা নাছিল। তাই ৰতনৰ সৰু কালৰ বান্ধবী আছিল। সকলোকে এৰি ৰতন আমেৰিকালৈ গুচি গ'ল।

আমেৰিকাত আজি ৰতনে বিলাসী জীৱন-যাপন কৰিছে। ভাল দৰমহা পাইছে, ভাল-ভাল গাড়ী তথা ঘৰত থাকিবলৈ পাইছে। বিলাতত ইঞ্জিনিয়াৰৰ যথেষ্ট চাহিদা আছে। ইয়াতকৈ আৰু ভাল কথা কি হ'ব পাৰে। প্ৰত্যেকে এখন দেশৰ পৰা এখন ভাল দেশলৈ গৈ থাকিবলৈ ইচ্ছা কৰে। কিন্তু সকলোৰে ক্ষেত্ৰত সেইটো সম্ভৱপৰ নহয়! কিছুমানে সুযোগ পাই যদিও পথভ্ৰষ্ট হৈ জীৱনটো ধ্বংস কৰি দিয়ে। আজি ৰতনে নিজৰ সপোন বাস্তৱলৈ ৰূপায়ন কৰিবলৈ সক্ষম হ'ল। কিন্তু তেওঁক অসমৰ কিছুমান স্মৃতিয়ে যেনে লগ-সমনীয়াৰ লগত বিহু মৰা, গাঁও মানুহৰ মুখৰ মিঠা কথা, আইয়ে ৰান্ধি দিয়া শাক বিশেষকৈ পচলা ভাজি আৰু পুৰা পিঠাৰ জুতি মনত পৰিয়ে থাকে। ইয়াৰ লগতে মিতালিৰ অভিমান আৰু মৰমে ৰতনক থাকিবলৈ দিয়া নাই। মিতালীয়েও কেতিয়াও তাক অকলহৰীয়া হৈ থাকিবলৈ দিয়া নাছিল আৰু বেছিদিন নাই মাঘৰ বিহু পালেহি ভোগালীৰ জলপানৰ জুতিও ল'ব

নোৱাৰিব।

ৰতনে তাত তেনে কোনো পৰিৱেশতো নাপায়। তাৰ আমেৰিকাৰ লগৰ জনে তাক 'Dance' ক্লাবলৈ লৈ যায়। সকলোৱে দামী দামী মদ পান কৰিছে আৰু আনন্দত মতলীয়া হৈ নাচিব ধৰিছে ৰতনেও বন্ধুৰ সৈতে নচাত ব্যস্ত হৈ পৰিছে। কিন্তু কি নাচিব গাঁওৰ স্মৃতিয়ে তাক আমনি কৰিছে। কি এটা চিন্তা কৰি থকা দেখি 'What happen' বুলি টানিলৈ গ'ল আৰু আকৌ নাচত ব্যস্ত। আন এদিনা সি ধুনীয়া গাড়ীত বহি Office অলৈ গৈ আছিল। ৰতনে ধুনীয়া-ধুনীয়া দোকান তথা ওখ-ওখ ঘৰবোৰ দেখি আনন্দ উপভোগ কৰি আছিল। 'Car Stand' অত গাড়ি থৈ Office লৈ সোমাল আৰু সেই ক্ষণত তাৰ গাঁওলৈ মনত পৰিছে। কাৰোবাৰ হাঁহি তাৰ দুচকুৰ আগত ভাঁহি আহিছে। আজি ৰতনৰ মিতালিৰ কথাবাৰোকৈ মনত পৰিছে। তাৰ ওচৰত আজি ধনৰ একোৱে অভাৱ নাই। হাজাৰ হঁওক ৰতন এজন গাঁৱলীয়া ডেকা। গাঁওৰ আনোৱালী ধাননী পথাৰৰ সুগন্ধ কেনেকৈ পাহৰিব আৰু মৰমীয়ে দিয়া বিহুৱানখন পাবলৈতো তাৰ বিৰাট হেপাঁহ। টকাৰে কিনা আৰু মৰমেৰে দিয়া বিহুৱানত মাজত আকাশ পাতালে পাৰ্থক্য।

এইবাৰ ব'হাগত ৰতন গাঁওলৈ গৈছে। আমেৰিকাৰে পৰা মা-দেউতা আৰু একমাত্ৰ ভাইটিলৈ কাপোৰ-কানিৰ লগতে বহুতো বস্তু লৈ গৈছে আৰু মিতালিক দিবলৈ বুলি এটি আঁঙুঠি লৈছে। উৰুকাৰ আগনিশা আহি নিজৰ মাতৃভূমিত ভৰি থলে। ঘৰত থাকি এনে লাগিছে যে সি আৰু আমেৰিকালৈ ঘুৰি নাযায়। গৰু বিহু দিনা আনন্দেৰে গৰু গা ধুৱালে আৰু ঘৰত দুৱাৰত কাইটৰ পাত-লতা লগালে, আৰু ঘৰত চাৰিওফালে নহৰু পানী চটিয়ালে। এই ৰতনে সকলো নীতি-নিয়ম পালন কৰি প্ৰমাণ কৰিলে যে ৰতন বিদেশত থাকিলেও নিজৰ সংস্কৃতি পাহৰি নাযায়।

আজি ব'হাগৰ ৮ তাৰিখে মিতালি হঁতৰ ঘৰলৈ বুলি তাইৰ বাবে অনা আঁঙুঠিটো লৈ মিতালিৰ ঘৰৰ সন্মুখত উপস্থিতি হ'ল। কিন্তু আহি দেখা পালে যে মিতালি হঁতৰ ঘৰৰ আগফালে বহুতো গাড়ী, মটৰ চাইকেল ৰখাই থোৱা আছে আৰু খুব আটক ধুনীয়াকৈ ৰভাখন সাজিচে। মানুহ এজনক সুধিলে, "দাদা ইয়াত কিহৰ ৰভা দিছোনা।" মানুহ জনে আচৰিত হৈ কলে, " 'অ' তুমি! তুমি নাজানা নেকি ? ইয়াত আজি মিতালিৰ বিয়া।" কথাষাৰ শুনাৰ লগে লগে ৰতনৰ চকু পানী পৰিলে আৰু হেপাহেৰে দিবলৈ অনা আঁঙুঠিটো হাতৰ মুঠিতে থাকি গ'ল।

# অলিম্পিকত ভাৰতৰ পাৰদৰ্শিতা

- অনুৰাগ বকলীয়াল
পদাৰ্থ বিজ্ঞান বিভাগ

"দ্যা গ্ৰেটেষ্ট শ্ব অন দ্যা আৰ্থ" হিচাপে খ্যাত অলিম্পিক হৈছে বিশ্বক্ৰীয়াৰ সবাটোতকৈ প্ৰাচীন আৰু শ্ৰেষ্ঠ সমাৰোহ। প্ৰাচীন গ্ৰীচ দেশত দেৱতা জিউচৰ সন্মানাৰ্থে আয়োজন কৰা প্ৰাচীন অলিম্পিক হ'ল আজিৰ আধুনিক অলিম্পিকৰ প্ৰাচীৰ পৰ্ব। আধুনিক অলিম্পিক আয়োজিত হৈছিল ফ্ৰান্সৰ পিয়েৰ দা কুৰ্বাতিন নামৰ ডেকাজনৰ সৌজন্যত। অলিম্পিক বুলি কলে তাৰ মৰ্যদাই সুকীয়া। প্ৰত্যেক গৰাকী খেলুৱৈয়ে অলিম্পিকত যোগদান কৰাটো নিজৰ জীৱনৰ অন্যতম সফলতা বুলি ভাবে। আনহাতে অলিম্পিকত পদক জয় কৰা মানেই একো একোজন খেলুৱৈ বিশ্বনায়কলৈ পৰিণত হোৱা, কাৰণ অলিম্পিকত ব্ৰঞ্জৰ পদক জয় কৰিবলৈয়ো দলক জোৰা কষ্ট আৰু সাধনাৰ প্ৰয়োজন। বৰ্তমান পৃথিৱীৰ প্ৰায়বিলাক দেশেই অংশগ্ৰহণ কৰা অলিম্পিক কিন্তু পূৰ্বতে সীমিত দেশেহে যোগদান কৰিছিল। অলিম্পিকৰ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা পোৱা যায় যে প্ৰথম ছখন অলিম্পিক অনুষ্ঠিত হোৱাৰ পাছত প্ৰথম বিশ্বযুদ্ধই পৃথিৱীলৈ ধ্বংসলীলা কঢ়িয়াই আনিছিল। আনহাতে দ্বিতীয় বিশ্বযুদ্ধৰ সময়লৈকে পৃথিৱী প্ৰযুক্তিবিদ্যাত বহু পৰিমাণে আগবাঢ়ি গৈছিল। জাপানৰ হিৰোচিমা আৰু নাগাচাকি চহৰত পাৰমাণৱিক বোমাৰ ধ্বংসৰ বিভীষিকা, হিটলাৰৰ একনায়কত্বাবাদী শাসন, ব্ৰিটিছৰ উপনৈশিকবাদৰ অন্ত পেলায় পৃথিৱীৰ প্ৰত্যেকখন দেশেই স্বাধীনতাৰ জয়গান গাবলৈ আৰম্ভ কৰিছিল। তেনেক্ষেত্ৰত পৃথিৱীৰ প্ৰত্যেকখন দেশৰ বাবে বিশ্বভাতৃত্ববোধ বহু পৰিমাণে প্ৰয়োজন হৈ পৰিছিল আৰু ক্ৰীড়াৰ জৰিয়তে বিশ্বভাতৃত্ববোধ গঢ়া সৰ্বোত্তম মাধ্যম হিচাপে এই অলিম্পিক ক্ৰীয়া সমাৰোহ পৰিগণিত হৈছিল।

ভাৰতীয় খেলুৱৈসকলে দ্বিতীয়খন অলিম্পিক অৰ্থাৎ ১৯০০ চনৰ পেৰিচ অলিম্পিকৰ পৰাই অংশ গ্ৰহণ কৰি আহিছে যদিও সীমিত সংখ্যক সফলতাহে লাভ কৰিছে। বৰ্তমান সময়ত এচিয়াৰ অংগৰাজ্য হিচাপে চীনে একোখন অলিম্পিকত যিমান সংখ্যক স্বৰ্ণপদক লাভ কৰে তাৰ তুলনাত ভাৰতৰ অলিম্পিক ইতিহাসৰ সৰ্বমুঠ পদকৰ সংখ্যা তেনেই নগণ্য। ১৯০০ চনৰ পেৰিচ অলিম্পিকত ব্ৰিটিছ খেলুৱৈ নৰমান প্ৰিটচাৰ্ডে ভাৰতক প্ৰতিনিধিত্ব কৰি ২০০ মিঃ দৌৰ আৰু হাৰ্ডলছত একোটিকৈ ৰজত পদক লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ পিছতেই ভাৰতৰ মেডেল তালিকালৈ এক বৃহৎ শূণ্যৰ আবিৰ্ভাৱ হয়। ভাৰতৰ এই মেডেল তালিকা পদকৰ আকাল পূৰ্ণ হৈছিল ১৯২৮ চনৰ আমষ্টাৰগম অলিম্পিকৰ যোগেৰে। বিশ্বৰ সকলো দেশকে চমক দেখুৱাই গান্ধীৰ দেশ ভাৰতে সেইবাৰ হকীৰ সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। ভাৰতীয় হকীৰ ইতিহাস স্বৰ্ণোজ্জ্বল। বৰ্তমান সময়ত ইয়াৰ স্খলন ঘটিলেও কিন্তু ভাৰত জননীয়ে কেইবাগৰাকী হকীৰ কিংবদন্তিক সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। আধুনিক অলিম্পিকত ভাৰতীয় হকী সবাটোতকৈ প্ৰভাৱশালী আছিল। সেই সময়ত ভাৰতীয় হকীৰ লগত প্ৰতিদ্বন্দিতা কৰাটো কাৰো সামৰ্থ নাছিল। ভাৰতীয় হকী খৈলুৱৈয়ে একেৰাহে ছখন অলিম্পিক ক্ৰমে আমষ্টাৰগম, লচ এঞ্জেলছ, বাৰ্লিন, লণ্ডন, হেলচিং কি আৰু মেলবৰ্ণত সোণৰ পদক লাভ কৰিছিল আৰু পিছত পুনৰ ১৯৬৮ চনৰ ৰোম অলিম্পিকত ৰূপৰ পদক লাভ কৰাৰ পদকেৰে জিলিকি উঠিছিল। কিন্তু ১৯৬৮ আৰু ১৯৭২ ৰ অলিম্পিক ক্ৰ মে মেক্সিক' আৰু মিউনিখত ভাৰতীয় হকী ব্ৰঞ্জতেই সন্তুষ্ট থাকিব লগীয়া হৈছিল। কিন্তু তেতিয়াও হকীত ভাৰতৰ স্বৰ্ণযোগ চলিয়েই আছিল। ১৯৮০ চনত অনুষ্ঠিত মস্কো অলিম্পিকত ভাৰতে

শেষ বাৰৰ বাবে স্বৰ্ণপদক লাভ কৰিছিল। তাৰ পিছৰে পৰা বিশ্বহকীত ভাৰতৰ প্ৰভাৱশালীতা পতন হ'বলৈ আৰম্ভ কৰে। স্বৰ্ণোজ্জ্বল ইতিহাসত ভাৰতীয় হকীৰ গতি ইমানেই তীব্ৰ আছিল যে আমেৰিকাৰ দৰে এখন উন্নত দেশক লচ এঞ্জেলছ অলিম্পিকত ২৪-ৰ ৰ দৰে বৃহৎ ব্যৱধানত পৰাজিত কৰিছিল। কিন্তু বৰ্তমান ভাৰতীয়সকলৰ বাবে ই এটি ইতিহাসকে।

হকীৰ স্বৰ্ণযোগৰ সময়তে ১৯৫২ চনত হেলছিংকি অলিম্পিকত প্ৰথম ভাৰতীয় হিচাপে মল্লযোঁজৰ ছিংগলছ ইভেন্টত কে ডি যাদৱে ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ভাৰতীয় সকলৰ দুভাৰ্গ্য আছিল যে মস্কো অলিম্পিকৰ পিছত ভাৰতে পুনৰ এটি পদকলৈ দুটা দশকতকৈ বেছি সময় অপেক্ষা কৰিব লগা হৈছিল। ১৯৯৬ চন আমেৰিকাৰ আটলান্টা অলিম্পিক, পীট ছাম্প্ৰাছ, আন্দ্ৰে আগাছী, বৰিছ বেকাৰৰ দৰে বিশ্ববিখ্যাত খেলুৱৈয়ে আটলান্টাৰ টেনিছ কৰ্ট ভৰাই তুলিছে। তেনে ক্ষেত্ৰত চিনেমাত নায়কে প্ৰৱেশ কৰাৰ দৰেই লিয়েণ্ডাৰ পেজে সমগ্ৰ বিশ্বক চমক দেখুৱাই ছিংগলছৰ ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। পেজৰ পিছতেই পদক জিনাৰ ধাৰাতো পুনৰ সংযোগ হবলৈ আৰম্ভ কৰে। ইয়াৰ পিছতেই একবিংশ শতিকাৰ প্ৰথমখন অলিম্পিক ছিডনীত কাৰ্ণম মালেশ্বৰীয়ে ভাৰত্তোলনত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হ'ল। অলিম্পিক পদক জয় কৰা তেওঁ হ'ল প্ৰথম ভাৰতীয় মহিলা। ২০০৪ চনত আধুনিক অলিম্পিকে নিজৰ গৃহভূমি এথেন্সলৈ ঘুৰি আহে আৰু সেই অলিম্পিকতেই ৰাজ্যবৰ্দ্ধন সিং ৰাথোড়ে শ্বুটিংত ভাৰতীয় খেলুৱৈ হিচাপে একমাত্ৰ ৰূপৰ পদকটো লাভ কৰিবলৈ সক্ষম হয়।

২০০৮ চনত এচিয়াৰ তৃতীয়খন মহানগৰী হিচাপে বেইজিং চহৰখনে অলিম্পিক আয়োজন কৰাৰ সুযোগ পাইছিল। সেইবাৰেই অভিনৱ বিন্দ্ৰাৰ স্বৰ্ণপদকৰ জৰিয়তে ভাৰতীয় সকলে আধুনিক অলিম্পিক আৰম্ভ হোৱাৰ এটা শতিকাৰ অন্তত প্ৰথমটো ছিংগলছ ইভেন্টত স্বৰ্ণপদক লাভ কৰিছিল। ১৯৮০ চনৰ মস্কো অলিম্পিকৰ পিছত বেইজিংৰ মাটিত শেষবাৰৰ বাবে ভাৰতৰ ৰাষ্ট্ৰীয় সংগীতটো বাজি উঠিছিল। বেইজিংত মল্লযুঁজাৰু শুশীল কুমাৰ আৰু বক্সাৰ বীজেন্দ্ৰ কুমাৰে একোটিকৈ ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

২০১২ চনৰ অলিম্পিক অনুষ্ঠিত কৰি লণ্ডন মহানগৰী অলিম্পিকৰ ইতিহাসত সৰ্বাধিক অলিম্পিক অনুষ্ঠিত কৰা প্ৰথমখন মহানগৰ হিচাবে বিবেচিত হ'ল। সম্ভৱত লণ্ডন অলিম্পিক ভাৰতীয় খেলুৱৈ সকলৰ বাবে সৰ্বাতোটকৈ সফল অলিম্পিক। কাৰণ পূৰ্বৰ সকলো ৰেকৰ্ড ভংগ কৰি ৮৪ জনীয় সদস্যৰে গঠিত ভাৰতীয় দলটো লণ্ডন অলিম্পিকত যোগদান কৰিছিল আৰু সৰ্ববৃহৎ সফলতা ইয়াৰ পৰাই তুলিবলৈ সক্ষম হৈছিল। ছটাকৈ পদক জিনি ভাৰতীয় খেলুৱৈয়ে বিশ্বদৰবাৰত ভাৰতমাতৃৰ সোণালী নাম খোদিত কৰিছিল। লণ্ডন অলিম্পিকত প্ৰথমটো পদক গগন নাৰঙে শ্বুটিঙৰ জৰিয়তে কঢ়িয়াই আনিছিল লগতে যোগেশ্বৰ দণ্ডইত মল্লযুঁজ শাখাত এটি ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ক্ৰিকেটৰ বাদে বাকী কোনো খেলতেই ভাৰতীয় খেলুৱৈ সকলে বিশেষ পাৰদৰ্শিতা দেখুৱাব পৰা নাছিল। কিন্তু এয়া মানি লবলৈ সহজ নহলেও সত্য যে বিশ্ব বেডমিন্টনলৈ ভাৰতীয় তনয়া চাইনা নেহৱালৰ সাধুকথাৰ কাহিনীৰ দৰে উত্থান ঘটিছিল। অলিম্পিকৰ ইতিহাসত সবাটোতকে সফল ভাৰতীয় বেডমিন্টন খেলুৱৈ হিচাপে নেহৱালে ব্ৰঞ্জৰ পদক জয়েৰে ইতিহাস ৰচনা কৰিছিল। আনহাতে মণিপুৰৰ এখন ভিতৰৰ গাঁৱৰ পৰা ওলাই আহি, মহিলাৰ সকলো কৰ্তব্য পালন কৰি মেৰীকমে নিজকে বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিছিল। মেৰীকমে কেৱল পদক জয়ে কৰা নাছিল তেঁও প্ৰত্যেকজন ভাৰতীয়ৰ হৃদয়ো জয় কৰিছিল। পাঁচবাৰৰ বিশ্ব চেম্পিয়ন মেৰীকমৰ কথা বহলাই লিখাৰ প্ৰয়োজন নাই কিয়নো তেওঁ সকলো নাৰীৰে প্ৰতীক, ত্যাগৰ প্ৰতীক তথা সফলতাৰ প্ৰতীক। আনহাতে মল্লযুজাঁৰু শুশীল কুমাৰৰ ৰজত পদক জয়েৰে তেওঁ অলিম্পিক ইতিহাসৰ সকলোতকৈ সফল ভাৰতীয় হিচাপে পৰিণত কৰালে। লণ্ডন অলিম্পিকত শ্বুটাৰ বিজয় কুমাৰেও এটি ৰূপৰ পদক লাভ কৰিছিল।

ইয়াৰ পৰা দেখা গৈছে যে ভাৰতীয় খেলুৱৈৰ পাৰদৰ্শিতা বেইজিং অলিম্পিকৰ পৰা কিছু পৰিমাণে উন্নত হৈছে। এছিয়াৰ চীনে যদি ইমান সফলতা লাভ কৰে তেন্তে ভাৰতীয় সকলৰো এই সামৰ্থ আছে। তাৰ বাবে সকলোৱে সীমাহীন পৰিশ্ৰম কৰাৰ প্ৰয়োজন। এই ক্ষেত্ৰত ২০১৬ চনত অনুষ্ঠিত হবলগীয়া ৰিঅ' ডে জেনেইৰ' অলিম্পিকলৈ সকলোৱে অপেক্ষা কৰিব লাগিব।

জাপানৰ হিৰোচিমা আৰু নাগাচাকি চহৰত পাৰমাণৱিক বোমাৰ ধ্বংসৰ বিভীষিকা, হিটলাৰৰ একনায়কত্বাবাদী শাসন, ব্ৰিটিছৰ উপনৈশিকবাদৰ অন্ত পেলায় পৃথিৱীক প্ৰত্যেকখন দেশেই স্বাধীনতাৰ জয়গান গাবলৈ আৰম্ভ কৰিছিল। তেনেক্ষেত্ৰত পৃথিৱীৰ প্ৰত্যেকখন দেশৰ বাবে বিশ্বভাতৃত্ববোধ বহু পৰিমাণে প্ৰয়োজন হৈ পৰিছিল আৰু ক্ৰীড়াৰ জৰিয়তে বিশ্বভাতৃত্ববোধ গঢ়া সৰ্বোত্তম মাধ্যম হিচাপে এই অলিম্পিক ক্ৰীড়া সমাৰোহ পৰিগণিত হৈছিল।

# সংগ্ৰামেই জীৱন

গোপা গংগোত্ৰী শ্যাম
তৃতীয় যান্মাসিক
ৰাজনীতি বিভাগ

ভাদ'-মাহৰ প্ৰখৰ ৰদে দহি নিছে ৰুম্লাৰ মাগুৰবৰণীয়া দেহ। মলিয়ণ কাপোৰবোৰো হৈ পৰিছে ঘামত জুৰুলি-জুপুৰি। মন গৈছে এপৰ কৰবাত জিৰাবলৈ। ইচ্ছা কৰিলেও জিৰাব নোৱাৰে তাই। চাইকেলৰ সৈতে লাগি থকা ঠেলাখন টানি টানি গৈ আছে তাই ভগা লোহাৰ বস্তুৰ ভৰত ক্ৰমাৎ গধুৰ হৈ আহিছে ঠেলাখন। ঠেলাখন টনাত কষ্ট হৈছে তাইৰ। পিছে কষ্টলৈ কেৰেপ কৰিলে নচলে তাই দিন।

কিছুদিন আগলৈকে একেটা কামে কৰিছিল গিৰীয়েক সুজনেহে। আলী চাচাৰ গেৰেজত ভগা লোহাৰ বস্তু দিয়াৰ কাম কৰিছিল। পিছে আজি কিছুদিনৰ পৰা তাৰ অসুখ। বুকুৰ বিষত বিছনাৰ পৰাই উঠিব নোৱাৰা হল।

-"তই পাৰিবি জানো ৰমাৰ মাক। পাকঘৰৰ চাৰিবেৰৰ মাজত ভাত ৰন্ধা মানুহ তই। মাইল-মাইল চাইকেল টানি বস্তু আনিব পাৰিবি ?"

তাৰ কামটোকে তাই কৰাৰ কথা কওঁতে সুজনে কৈছিল তাইক।

-"কিয় নোৱাৰিম ? নোৱাৰিলে জানো হব। খোৱাৰ যোগাৰ, তাৰ চিকিৎসা কৰ পৰা হ'ব।"

তাই সিদ্ধান্তত অলৰ অচৰ আছিল। কথাবোৰ চেৰেং চেৰেংকৈ মনত পৰি গ'ল তাইৰ।

-"ঐ নেদেখ নেকি ? পাগলেই নেকি ?"

অট' ড্ৰাইভাৰটোৰ ধমকনিত সম্বিত ঘূৰাই পালে তাই। চিন্তাত বিভোৰ হৈ আহি থাকোতে অট'খনতে খুন্দিয়াব লৈছিল। মুখেৰে একো নামাতিলে তাই। এইবোৰ সদায় ঘটি থকা ঘটনা। দিনে কিমান এনেকুৱা লাঞ্চনা-গঞ্জনা শুনিব লগা হয় তাই। কেতিয়াবা ভিতৰুৱা গলিলৈ যাব লগা হলে বহু অবাঞ্চিত পৰিস্থিত সন্মুখীন হব লগা হয়। নানা ঠাট্টা-মস্কৰা, গালি-গালাজ, অশ্লীল ইংগিত। সহ্য কৰি যায় নীৰৱে। সুজনে বুজি পায় কথাবোৰ। সেয়েহে কেতিয়াবা ঘৰ সোমোৱা পলম হলে চিন্তা কৰে সি।



-"চাই চিতি ফুৰিবি। সকলো মানুহ ভাল নহয়। তাতে দিনকালো বেয়া, সি কয়।

বেলি লহিয়াবৰে হ'ল। তাই ওভতিবলৈ যো-জা কৰিলে। আলী চাচাৰ গেৰেজত মালবোৰ দি ঘৰলৈ যাবগৈ।

-"আন-আন বেগতে আন দেৰি হৈছে। তোৰ ওভতোঁতে আন্ধাৰ হ'ব।" আলী চাচাই দূৰতে চিঞৰিলে।

-"চাচা আজি বেছি মাল নাপালো। ঘৰ পৰা ওলাওঁতেই দেৰি হৈ গৈছিল যে," তাই ওচৰ পাই কলে।

"হ'ব চোন, যি পালি সেয়াই হব। পিছে সুজনৰ কেনেকুৱা এতিয়া ? অলপ ভাল পাইছেনে ?"চাচা মানুহজন সুজনৰ পুৰণা চিনাকী।

-"নাই চাচা, একেই আছে। নাৰ্চৰ পৰা দৰৱ আনি খুৱাইছো। ভাল পোৱা নাই। ডাক্তৰ দেখাবলৈও টকাৰ যোগাৰ কৰিব পৰা নাই।"

-"হেমম, এই টকা দুটামান বেছিকৈ ৰাখ। এবাৰ তাক ডাক্তৰক দেখাই আনিবি।"

টকাকেইটা লৈ তাই ঘৰলৈ ওভতিল। ঘৰ পায়ে দেখিলে সুজন মজিয়াত ধৰফৰাই আছে। ৰমাই দৌৰি আহি তাই কলে -

-"মা মা বাবাৰ অসুখ আকৌ বেছি হৈছে। তই যাচোন, নাৰ্চ বাইদেউক মাতি আন।"

ওচৰৰ ছাব চেণ্টাৰৰ নাৰ্চ বাইদেউ আহিল ৰমাৰ সৈতে। কলে লগে লগে ডাক্তৰৰ তাত নিব লাগিব। হাতত যি আছিল তাকে লৈ লৰা লৰিকৈ সুজনক ডাক্তৰৰ ওচৰলৈ নিয়া হল। কিছুসময়ৰ পৰীক্ষা নিৰিক্ষাৰ অন্তত ডাক্তৰে কলে টি.বি. হৈছে সুজনৰ। চিকিৎসা লগে লগে দিব লাগিব। চিন্তাত সৰগ ভাগিল তাইৰ মূৰত। ইমান কম উপাৰ্জনেৰে তাই সংসাৰ চলাব নে সুজনৰ চিকিৎসা ....

লৰা-ছোৱালী কেইটাৰ মুখকেইখন, মনলৈ আহিল তাইৰ। সুস্থ হব লাগিব সুজন। লৰাকেইটাৰ ভৱিষ্যতৰ কথা যোগ হৈ সুজনৰ সৈতে। তাই আৰু দুগুণ কষ্ট কৰিব প্ৰযোজন হলে। দুৰ্গাৰ দৰে দহ হাতেৰে...

কিমান এনেকুৱা লাঞ্চনা-গঞ্জনা শুনিব লগা হয় তাই। কেতিয়াবা ভিতৰুৱা গলিলৈ যাব লগা হলে বহু অবাঞ্চিত পৰিস্থিত সন্মুখীন হব লগা হয়। নানা ঠাট্টা-মস্কৰা, গালি-গালাজ, অশ্লীল ইংগিত। সেয়েহে সহ্য কৰি যায় নীৰৱে। সুজনে বুজি পায় কথাবোৰ। সেয়েহে কেতিয়াবা ঘৰ সোমোৱা পলম হলে চিন্তা কৰে সি।

# জ্ঞানী কোন?

- প্ৰবীণ নেৱাৰ
প্ৰাক্তন ছাত্ৰ

চৰিত্ৰসমূহ ঃ-

| | | | |
|---|---|---|---|
| ১) | মামন | ঃ | সাত-আঠ বছৰীয়া ছোৱালী। |
| ২) | সাবিত্ৰী | ঃ | মামনৰ মাক, ত্ৰিছ বছৰ বয়সৰ এগৰাকী তিৰোতা। |
| ৩) | ৰঞ্জু | ঃ | সাত-আঠ বছৰীয়া ছোৱালী। |
| ৪) | নিমাৰ্লী | ঃ | ৰঞ্জুৰ মাক, বত্ৰিছ বছৰৰ বয়সৰ মহিলা। |
| ৫) | যোগেশ্বৰী | ঃ | চুবুৰীয়া খুৰী সম্বন্ধীয় এগৰাকী বুঢ়ী মহিলা, বয়স সত্তৰ বছৰৰ। |

(ৰঞ্জু মামনৰ ঘৰলৈ আহি পঢ়ি থকা মামনক বাহিৰৰ পৰা মাত লগাই)

ৰঞ্জু ঃ মামন অ মামন, কত আছাঁ? মই ৰঞ্জু।

মামন ঃ কোন? অ ৰঞ্জু, আঁহা। মই ভিতৰত আছোঁ।

ৰঞ্জু ঃ (ঘৰৰ ভিতৰলৈ সোমাই) বলা আমি খেলিবলৈ যাওঁ।

মামন ঃ না। নাযাওঁ, পঢ়ি আছোঁ। মায়ে গালি দিব। বাহ! নতুন কাপোৰ, কোনে কিনি দিলে?

ৰঞ্জু ঃ মায়ে, বলা, মই খুৰীক মনাই লম।

ৰঞ্জু আৰু মামন ঃ (ভিতৰলৈ সোমাই) মা অ' মা... খুৰী অ' খুৰী....

সাবিত্ৰী ঃ (মজিয়া মচি থকা অৱস্থাত ওপৰলৈ চাই) কি হল মামন? অহ! ৰঞ্জু তুমি। ভালনে তোমাৰ?

মামন ঃ (ৰঞ্জুৰ কাণত ফুচফুচকৈ) ঃ- কোৱা মাক তুমিয়ে কোৱা, মই ক'ব নোৱাৰোঁ।

ৰঞ্জু ঃ (লাহেকৈ) মোৰ ভালেই খুৰী। খুৰী আমি খেলিবলৈ যাওঁ। মামনকো লগ ধৰিছোঁ।

সাবিত্ৰী ঃ ঠিক আছে, যোৱা। আৰু শুনা উৎপাত বেছি নহয়। বুজিছা চাগে। (মামনক উদ্দেশ্য কৰি) মামন সোনকালে আহিবা, আজি পাপা আহিব।

(দুয়ো ঘৰৰ পৰা ওলাই)

(বৰষুণৰ পানী বৈ থকা সৰু নলাত দুয়ো মাছ ধৰাধৰি খেলিবলৈ ধৰে আৰু হঠাৎ)

ৰঞ্জু ঃ হু হু হু হু মোৰ নতুন কাপোৰ...... হু হু হু হু। তুমি সকলো লেতেৰা কৰি দিলা। হু হু ....... মাক মই কৈ দিম হু........... (কান্দি কান্দি ঘৰলৈ গুচি যাব)

মামন ঃ ৰঞ্জু ৰ'বাচোন...... শুনানা

ৰঞ্জু ঃ (ঘৰলৈ গৈ) মা, অ মা...... হু হু....

নিৰ্মালী ঃ (কাম কৰি থকা অৱস্থাৰ পৰা দৌৰি আহি) কি হল মাজনী? কোনে মাৰিলে তোমাক? এই কাপোৰযোৰৰ এনে অৱস্থা! কোনে কৰিলে?

ৰঞ্জু ঃ মা..... তাই..... মামনে! হু হু

নিৰ্মালী ঃ (খঙত....... ৰবা তাইক এতিয়াই এশিকণি দিওঁ...... মামনৰ ঘৰত) মামন অ মামন! তুমি কিয় ৰঞ্জুৰ কাপোৰযোৰ লেতেৰা কৰি দিলা?

সাবিত্ৰী ঃ ৰবাচোন! তুমি কথাবোৰ নুবুজাকৈ কিয় খং কৰিছাহে ?
নিৰ্মালী ঃ নহয়, মই জানো, ই তোমাৰ জীয়ৰীৰে কাম ধৰো। তাইক আজি মই.......
সাবিত্ৰী ঃ ৰবা! মামন অ মামন! এইফালে আঁহা, খুৰীয়ে কোৱা কথাখিনি সচাঁ নেকি ?
মামন ঃ (ঘৰৰ দুৱাৰ মুখৰ পৰা ভয়ে ভয়ে) নহয়, আমি খেলি আছিলোঁ তেতিয়া পানীত কাপোৰযোৰ তিতিলে।
নিৰ্মালী ঃ মিছা কথা নকবা! তোমাক মই আজি....
সাবিত্ৰী ঃ কি কৰিবা ? ময়ো চাওঁ চোন কি কৰা।

তেনেদৰে তৰ্কাতৰ্কি হৈ থকা অৱস্থাত চুবুৰীয়া যোগেশ্বৰী নামৰ বুঢ়ী মানুহ এজনী লাখুটিৰ সহায়েৰে খোজকাঢ়ি আহি তাত উপস্থিত হয়হি।

যোগেশ্বৰী ঃ (ভহাঁ মাতেৰে কেঁকাই কেকাই) ৰবা ৰবা। হৈছে ? কিয় এনেদৰে কুকুৰ-মেকুৰীৰ নিচিনা কাজিয়া কৰিছা ? তোমালোক সম্ভৱ এই ছোৱালীদুজনীৰ ভুলৰ কাৰণে কাজিয়া কৰিছা ? চোৱা। এই দুজনীলৈ চোৱা। কিমান মৰম লগা ইহঁতৰ মুখৰ উজ্জ্বলতা। সিঁহতৰ মনত যেন হিংসাৰ খুদ কনো বিচাৰি পোৱা নাযায় আৰু তোমালোকে এই সৰু কথাতে চিৰদিনৰ বাবে এজনে আনজনৰ ওচৰত এনে ব্যৱহাৰ কৰিবলৈ ধৰিছাঁ। সিহঁতলৈ চোৱা! কি ধুনীয়া হাতে হাত ধৰি খেলি আছে। শিশুৰ মনবোৰ অতি পবিত্ৰ। সিঁহতৰ মনত পাপ-অহিংসা নথকাৰ বাবেই ইজনে সিজনৰ ওচৰত আপোন পাহৰা হৈ গৈছে। এতিয়া তোমালোকে নিজে বিবেচনা কৰা তোমালোক জ্ঞানী নে এই অকণমানি দুজনী ?

কিছুসময়ৰ পাছত........
সাবিত্ৰী আৰু নিৰ্মালী ঃ- (একেলগে .........., গহীনভাৱে............)
ক্ষমা কৰিব খুৰীদেউ। আমি মিছাতে ভুল বুজাবুজিৰ সন্মুখীন হৈছিলো। ইহঁত এদিন কাজিয়া কৰিব কিন্তু তাৰ পিছদিনাই পুনৰ আগৰ দৰে থাকিব। এনে সৰু কথাত আমি গুৰুত্ব দিয়াটোৱেই ভুল।
নিৰ্মালী ঃ (সাবিত্ৰীক উদ্দেশ্য কৰি) মোক তুমি যাতে ভুল নুবুজা। মোক ক্ষমা কৰিবা।
সাবিত্ৰী ঃ নাই, নাই, ময়ো তাৰ বাবে সমানে দায়ী। মোকো ক্ষমা কৰিবা।

এনেদৰে নিজৰ ভুল বুজাবুজি হোৱাৰ পিছত আটাইকেইজন নিজৰ নিজৰ ঘৰলৈ উভতি যায়।

# অনুপ্ৰেৰণা

- মিন্টু ভূঞা

স্নাতক, পঞ্চম ষান্মাসিক

নাজানো এইয়া সৌভাগ্যই নে ঈশ্বৰৰ কৃপাদৃষ্টি। মহাবিদ্যালয়লৈ এজন সু-গৃহস্থিৰ পদাপৰ্ন আৰু মহাবিদ্যালয় মন পৰিচালনাৰে পৰা আমাৰ মনবোৰ দেখোন বহুত মুক্ত বিশাল, নিকা, আশংকা মুক্ত হৈ আহিব ধৰিছে। আজিৰ এই বিশেষ দিনটোৰ বিষয়ে লিখিব গৈ প্ৰথমেই তেওঁৰ কথা নকৈ নোৱাৰিলো। আমাৰ অধ্যক্ষ মহোদয় গৰাকীৰ কথাকে কব বিচাৰিছো। নাম ড° শশীকান্ত শইকীয়া। আজি তেওঁৰ পৰা বহুত সহায়, সহযোগিতা তথা কৰ্মশক্তি অনুপ্ৰেৰণা শক্তি , কাম কৰাৰ প্ৰবল হেঁপাহ, একাগ্ৰ মন, কাম কৰাৰ আনন্দ পাইছোঁ আৰু বহুতো। এই সচাঁ কথাটো হৃদয়ৰ কোনোবা গোপন কোনত সাঁচি নথৈ কৈ পেলালো। মহাবিদ্যালয়ৰ আদৰণি সভাকে আদি কৰি আজিৰ এই বিশেষ অনুষ্ঠান ৰামধেনু-(অসম সাহিত্য সভাৰ সভাপতিৰ সৈতে আমাৰ অন্তৰংগ আলাপ) লৈকে যি ৰূপত ছাৰক পাইছো সচাঁই আমি আনন্দিত হৈ পৰিছো। মহাবিদ্যালয়ৰ সন্মুখলৈ আজিকালি যেতিয়াই যাওঁ ছাৰক দেখা পাঁও কোনো কামৰ মাজত। ক্লাছ থকাৰ সময়ত ছাৰক যেতিয়া পাঁও দেখো এখন হাঁহি মুখৰ এজন ব্যস্ত মানুহ। কথা বাহুল্য নকৰি আজিৰ দিনটোলৈ আহো কিয়নো আজিৰ দিনটো আমাৰ তথা মোৰ বাবে এটা বিশেষ স্মৰণীয় দিন হৈ স্মৃতিৰ পাতত ৰ'ব।

সময় প্ৰায় ১.৩০ বাজিছে। আমাৰ মহাবিদ্যালয়ৰ "শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত' আৰম্ভ হৈছে এখন বিশেষ সভা। যত উপস্থিত আছে অসম সাহিত্য সভাৰ সভাপতি তথা অসমৰ ইতিহাসবিদ, আধুনিক উপন্যাসিক আৰু বিভিন্ন সন্মানৰযোগ্য তথা চিকিৎসা বিভাগৰ লগত জড়িত এজন সু-সাহিত্যিক ড° ধ্ৰুৱজ্যোতি বৰা ছাৰ। যিবোৰ মানুহক হয়তো বহু ভাগ্য, তথা বহু কষ্টৰ মূৰত হে আমাৰ দৰে মানুহে ইমান ওচৰৰ পৰা বন্ধুত্ব ভাৱেৰে অন্তৰংগ আলাপৰ সুবিধা পাব পাৰি। এইটো সম্ভৱ কৰি তুলিছে আমাৰ মহাবিদ্যালয়ৰ নৱ নিযুক্ত অধ্যক্ষ মহোদয় শইকীয়া ছাৰ। এই চেগতে তেঁওলৈ ধন্যবাদ নজনাই ৰব নোৱাৰিলো।

আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় তথা আঁক-বাক বটাৰে সন্মানিত মৃদুল শৰ্মা ছাৰে অনুষ্ঠানৰ আঁত ধৰে। সভাত অসম সাহিত্য সভাৰ ডিব্ৰুগড জিলাৰ জিলাসম্পাদক গৰাকীকে আদি কৰি বহুকেইজন গণ্যমান্য ব্যক্তিও উপস্থিত আছিল। এইটো আমাৰেই সৌভাগ্য। বৰা ছাৰে " অন্তৰংগ আলাপৰ আৰম্ভণি ঘোষণা কৰিবলৈ পালেহে মাথো আমাৰ মাজত পৰা প্ৰশ্নই বৃষ্টি বৰ্ষন কৰাত লাগিল। ছাৰে অসমীয়া ভাষাৰ অস্তিত্ব, অসমৰ বিভিন্ন শিক্ষা অনুষ্ঠানসমূহত অসমীয়া ভাষাকলৈ হোৱা বিতৰ্ক, অসমীয়া ভাষাৰ ভবিষ্যত, সাহিত্য সভাৰ পদক্ষেপ এই ভাষাকলৈ আজি আমাৰ মাজৰ পৰা হোৱা বিভিন্ন প্ৰশ্নবোৰৰ উত্তৰ মনোগ্ৰাহী ৰূপে আমাক দিলে। প্ৰশ্ন সংখ্যা ইমানে বেছি হৈ গ'ল, শেষত লিখিত ৰূপত দিব লগা হয়, তথাপিতো সময়ৰ অভাৱত ছাৰে উত্তৰ দি শেষ কৰিব নোৱাৰিলে। আবেলি ৩ বজাৰ পৰা ছাৰে অন্য ঠাইত আকৌ মেল। উত্তৰ দিবলৈ বাকীৰোৱা প্ৰশ্নবোৰ জিলা সম্পাদক গৰাকীয়ে লৈ কোনো দুখন আলোচনীত প্ৰকাশ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

শেষত প্ৰশ্নটো আমি দিয়া প্ৰশ্নবোৰৰ মাজৰ পৰা মৃদুল শৰ্মা ছাৰে আগবঢ়াই দিয়ে। উওৰত কয় যে "সাহিত্য" সৃষ্টিৰ অনুপ্ৰেৰণা জীৱনৰ আদিচোৰাত মই লাভ কৰিছিলো মোৰ শিক্ষাগুৰু সকলৰ পৰা তেঁওলোকে আমাক বহুতো আলোচনী বাতৰি কাকত পঢ়িবলৈ কৈছিল আৰু আমি পঢ়িছিলো"।

আমাৰ মাজৰ পৰা দেখুওৱা কিবা এটা জানিবলৈ আমাৰ মাজত থকা যি প্ৰবল হেঁপাহ সেই হেঁপাহ দেখি ছাৰ সঁচাকৈয়ে বৰ আনন্দিত হৈ উঠিছিল। উত্তৰবোৰ দি যাঁওতে ছাৰ মাজে মাজে আবেগিক হৈ পৰিছিল। আমাৰ প্ৰশ্নবোৰৰ লগতে মোৰ কাষতে বহি থকা এগৰাকী বাইদেওৰো প্ৰশ্ন সুধিবৰ মন গল আৰু এটুকুৰা কাগজত শিলচৰত অসমীয়া ভাষা নিষিদ্ধ। ইয়াক লৈ অসম সাহিত্য সভাই কিবা পদক্ষেপ লৈছে নেকি?" বুলি প্ৰশ্ন কৰি মোক দি দিবলৈ কলে।

অনুষ্ঠানৰ একেবাৰে শেষত মহাবিদ্যালয়ৰ মুৰব্বী গৰাকীয়ে অসমীয়া ভাষা যে আজি সংমিশ্ৰণত গঢ়লৈ উঠিছে তাকে ব্যংগ তথা ৰসাত্মক কৰি কৈছে যে পুৱা কলগেটটো লৈ দাত, ব্ৰাছ কৰাৰ পৰা নিশা বেড চুইচ অফ কৰি শুৱাৰে পৰা আমি কেইটা অসমীয়া কথা কওঁ " নহয়নে? আমি সজাগ হবৰ হ'ল ।

আজিৰ দিনটো স্মৃতি হৈতো ৰবই তাৰোপৰি বিশেষ এটা কথা মোৰ হৃদয়ত সদায় দোলা দি থাকিব তথা মনত সজীৱ হৈ ৰ'ব সেয়া হৈছে যেতিয়া আমি সকলোৱে আসনৰ পৰা উঠি বৰা ছাৰে কোৱাৰ দৰে বুকুত হাত দি থৈ "অ' মোৰ আপোনাৰ দেশ" বুলি আৰম্ভ কৰিলে। নাজানো কেনেকৈ বুকুত এক অদ্ভুত শিহৰণ হৈছিল। মনটো একেবাৰে বেলেগ এখন জগতলৈ গুচি গৈছিল। মুঠতে সেই পৰিবেশ আৰু সময়কন সচঁকৈ মোৰ বাবে বিশেষভাবে স্মৃতিহৈ পাতত জিলিকি ৰ'ব।

শেষত ইয়াকেই কব বিচাৰো যে আমি আমাৰ মাতৃৰ শীতল কোলাৰ মৰমত যিদৰে গভীৰ মৰম, আস্থা, বিশ্বাস, প্ৰেম, ভালপোৱা আদি সকলো পাওঁ সেইদৰে অসমীয়া ভাষাও আমাৰ জননী আৰু এই জননীক জীয়াই ৰখাটো আমাৰ কৰ্তব্য কাৰণ এই জননীৰ বুকুত আমি পাওঁ মাতৃ শীতলী কোলাৰ প্ৰেম, কেঁচামাটিৰ গোন্ধ আৰু বহুতো ...। সেয়ে আমি সকলোৱে মিলি কওঁ আহা

"চিৰ চেনেহী মোৰ ভাষা জাননী,
আই ধ্যন্য - পুন্যে হৎপাৰনী।

..........................................

হে মোৰ মধুৰাননা
মাগিছো মাধুৰী - কণা
দিয়াঁ, দিয়াঁ, দিয়াঁ আই, মধুৰভাষিনী।

# এভাৰেষ্টৰ বুকুত ৫২ দিন

- প্ৰীতি কলিতা
স্নাতক তৃতীয় যান্মাসিক
অসমীয়া বিভাগ

আজিৰ পৰা কেইশ বছৰমান আগলৈকে মানুহৰ মাজত এটা ধাৰণা আছিল যে মহিলাই পুৰুষে কৰিব পৰা কিছুমান দুঃ সাহসিক কাৰ্য্য কৰিব নোৱাৰে। যাৰ বাবে মহিলা পুৰুষৰ অধীন হৈ পৰিছিল। কাৰবাৰ অধীনত থাকি বা মনৰ মাজত থকা তীব্ৰ পৰাধীনতাৰ ভাৰে মানুহৰ মনত আঘাত হানে বহুত বেয়াকৈ। এই পৰাধীনতাৰ দুৱাৰ ভাঙি এই বিশ্বত বহুতো মহিলাই কৃৰ্তী স্থাপন কৰিছে। এই পৰাধীন মনোভাৱৰ বলী হৈ বিশ্বত ক'ত যে কি ঘটা নাই। পুৰুষ মহিলাৰ আত্মহত্যা, ধৰ্ষণ, লুণ্ঠন আৰু যে ক'ত কি?

মোৰ এই প্ৰবন্ধত উদাহৰণ দিব বিচাৰিছো সিংহা' বহুতৰে মাজত এটা মহিলাই তেনে পৰাধীনতাৰ খেলি আজিৰ পৃথিৱীত হৈছে। তাই পৰাধীন শাৰীৰিক অক্ষমতাৰ এই বাৰুকৈয়ে প্ৰভাৱ মানুহৰ মনত মহিলাৰ বাবে পাহাৰ বগুৱাৰ দৰে কাম সক্ষম কৰিছিল কঠোৰ আত্মবিশ্শ্বাস আৰু প্ৰেৰণা



মই তেনে এটা সত্য ঘটনাৰ পাঠক সমাজত 'অৰুনিমা চিনাকী নাম, এই গৰাকী বলী হৈ এক জীৱন-মৰণ খেল নাম উজ্জলাই থ'বলৈ সক্ষম আছিল, কিন্তু পুৰুষৰ নহয় পৰাধীনতাই তাইৰ মনত পেলাইছিল। যাৰ পৰিণতিত অসাধ্য বুলি ধাৰণা হোৱা সুউচ্চ কাঠৰ ভৰিৰ সহায়ত বগাবলৈ পৰিশ্ৰম, দৃঢ় মনোবল, আদিৰ দৰে মহৎ গুণ।

১৯৮৮ চনত নগৰত জন্ম লাভ কৰা পৰ্বত" আৰোহন কৰা প্ৰথম কাটি পেলোৱা হৈছিল। এই প্ৰখ্যাত ভলীবল খেলুৱৈৰ

উত্তৰ প্ৰদেশৰ অম্বেদকাৰ অৰুনিমা সিংহা "এভাৰেষ্ট গৰাকী মহিলা যাৰ ভৰি দুখন গৰাকী মহিলা ৰাষ্ট্ৰীয় পৰ্যায়ৰ ২০১১ চনত দুষ্ট প্ৰকৃতিক

কেইজনমান ব্যক্তিয়ে চলন্ত ৰে'লৰ পৰা পেলাই দিয়াৰ ফলত এই গৰাকী মহিলাৰ ভৰি দুখন কাটি পেলাব লগা হৈছিল।

ৰে'ল দুৰ্ঘটনাঃ-

১১ এপ্ৰিল, ২০১১ চনত পদ্মভেট এক্সপ্ৰেছত লক্ষ্ণৌৰ পৰা দিল্লী অভিমুখে যাত্ৰা কৰাৰ পথত এই ৰে'ল দুৰ্ঘটনাটো পতিত হৈছিল। এই দুৰ্ঘটনাটো পিছত এটা সাক্ষাৎকাৰ সিংহাই এনেদৰে মন্তব্য কৰিছিল যে- "মোক কোনো দুষ্ট প্ৰকৃতিৰ

লোক কেইজনমানে ৰে'লৰ পৰা পেলাই দিছিল আৰু মই লৰচৰ কৰিব পৰা নাছিলো আৰু এখনৰ পিছত এখন ৰে'ল মোৰ ভৰিৰ ওপৰেদি পাৰ হৈ গৈছিল ।

এই দুৰ্ঘটনাটো পতিত হোৱা পিছত সিংহাক মেডিকেলত লৈ গৈ জীৱন ৰক্ষাৰ অৰ্থে ভৰি দুখন কাটি পেলোৱা হৈছিল।

## এভাৰেষ্ট আৰোহনৰ যাত্ৰা

## প্ৰশিক্ষণ আৰু পৰিকল্পনাঃ-

যিটো সময়ত সিংহাৰ চিকিৎসা চলি আছিল সেই সময়তে এওঁ ঠিক কৰিছিল যে 'এভাৰেষ্ট পৰ্বত' আৰোহন কৰিব। এই ক্ষেত্ৰত অনুপ্ৰেৰণা লাভ কৰিছিল ভাৰতীয় ক্ৰিকেট খেলুৱৈ "যুৱৰাজ সিং" ৰ পৰা, যিয়ে কেঞ্চাৰৰ দৰে বেমাৰ এটাক জীৱনযুদ্ধত পৰাজয় কৰিছিল।

সিংহাই পৰ্বতাৰোহনৰ মৌলিক প্ৰশিক্ষণ উত্তৰকাশীত অৱস্থিত 'Nehru Institute' ৰ পৰা লাভ কৰিছিল। পৰ্বত আৰোহনত সিংহাক অনুপ্ৰেৰণা দিছিল তেওঁৰ ককায়েক ওম প্ৰকাশে, সিংহাই পৰ্বত আৰোহনৰ পূৰ্বে 'বশেন্দ্ৰী পল'ৰ পৰা প্ৰশিক্ষণ লৈছিল। যি প্ৰথম এভাৰেষ্ট আৰোহনকাৰী মহিলা। উত্তৰকাশীত প্ৰশিক্ষণৰ সময়ত "টাটা ষ্টীল" দুঃসাহসী প্ৰতিষ্ঠান'ৰ সহায়ত সিংহাই "আইলেও পিক" (৬১৫০ মিঃ) ২০১২ চনত আৰোহন কৰিছিল।

## এভাৰেষ্ট আৰোহনঃ-

১ এপ্ৰিল ২০১৩ চনত 'অৰুনিমা সিংহা' আৰু চুজেন মেহটো (প্ৰশিক্ষক) বশেন্দ্ৰী পলৰ পৰামৰ্শমৰ্মে এভাৰেষ্ট পৰ্বত আৰোহনৰ যাত্ৰা পিছত ২১ মে ৰাতিপুৱা ১০ঃ৫৫ মিনিটত এভাৰেষ্ট পৰ্বতৰ শিখৰত থিয় হ'বলৈ সক্ষম হয়। এই ক্ষেত্ৰত টাটা গ্ৰোপ অফ কোম্পানীয়ে পৰ্বত আৰোহনৰ সম্পূৰ্ণ ব্যয় বহন কৰিছিল। ৫২ দিনৰ কঠোৰ পৰিশ্ৰমৰ পিছত সিং এভাৰেষ্টৰ শিখৰত থিয় হৈ অৰুনিমা সিংহাই ভাৰত বাসীলৈ এটা বাৰ্তা প্ৰেৰণ কৰি কৈছিল যে- "এই যাত্ৰা শংকৰ ভগৱান আৰু স্বামী বিবেকানন্দৰ নামত উচৰ্গা যি মোৰ জীৱনৰ অনুপ্ৰেৰণা স্বৰূপ" উল্লেখিত যে অৰুনিমা সিংহাক ভাৰত চৰকাৰে ২০১৫ চনত 'পদ্মশ্ৰী' বটা দি সম্মানিত কৰিছে।

# অৰণ্য মানৱ আৰু কিছু কথা

- খেম বাহাদুৰ ছেত্ৰী
পঞ্চম ষান্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

আজিৰ দিনটো মোৰ বাবে এক স্মৰণীয় দিন। কিয়নো ভাৰতৰ অৰণ্য মানৱ ৰূপে খ্যাত, পৰিৱেশকৰ্মী পদ্মশ্ৰী শ্ৰী যাদৱ পায়েঙক দেখাৰ সৌভাগ্য ঘটিল। যাদৱ পায়েঙৰ বিষয়ে মই প্ৰথমে ইন্টাৰ নেট যোগে জ্ঞাত হৈছিলো। ফেছবুকত পাইছিলো যে কেনেকৈ এজন সাধাৰণ মানুহ পায়ো ডাঙৰীয়া নিজৰ কৰ্মৰ ফলত বিশ্ববিখ্যাত হৈ পৰিল আৰু ভাৰতবৰ্ষৰ দ্বিতীয় সৰ্বশ্ৰেষ্ঠ অসামৰিক সন্মান 'পদ্মশ্ৰী' উপাধীৰে বিভূষিত হ'ল। তেওঁক দেখাৰ হেপাঁহ মনত সৃষ্টি হ'ল আৰু আজি সেই হেপাঁহে বাস্তৱিকতাৰ ৰূপ পালে।

পৰিৱেশ আমাৰ জীৱনৰ আধাৰ স্বৰূপ প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণ প্ৰিসৰ বৃদ্ধি আদি কামত যদিও মই একো এটা অৰিহনা যোগাব পৰা নাই, প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণৰ প্ৰতি মই আগ্ৰহী। মই প্ৰকৃতিক ভাল পাঁও। যাদৱ পায়েং ডাঙৰীয়াৰ কৰ্মৰাজিয়ে মোৰ মনত সুপ্ত হৈ থকা ভাৱনাবোৰক জাগ্ৰত কৰি তুলিছে। দেখাত সাধাৰণ, সহজ-সৰল পায়েং ডাঙৰীয়াৰ তত্ব গধুৰ কথাবোৰে মোৰ মন চুই গ'ল। আৰম্ভনিৰে পৰা একেপ্ৰৱনতাৰে তেখেতৰ বক্তৃতাত সকলো ছাত্ৰ-ছাত্ৰী মন্ত্ৰ মুগ্ধ হৈ শুনি থকা মই পৰ্যবেক্ষণ কৰিলো।

তেখেতে কোৱা এষাৰ কথা মোক ভাবিবলৈ বাধ্য কৰাইছে যে মানুহ সঁচাকৈ যে জীৱশ্ৰেষ্ঠ নে? তেওঁ কৈছিল, "মোৰ অৰণ্যত হাতীয়ে গছ ৰুব জানে, পহুৱে গছ ৰুব জানে, গড়ে গছ ৰুব জানে, সকলো পশু-পক্ষীয়ে গছ ৰুব জানে। কিন্তু জীৱ শ্ৰেষ্ঠ মানুহে গছ ৰুব নাজানে। কেৱল জানে গছ কাটিব।" কথাষাৰৰ অৰ্থ বুজিব পাৰিলে মানুহ হিচাপে নিজে লজ্জিত হোৱাটো সত্য।

মানুহৰ হস্তক্ষেপৰ পৰিণতিয়ে হৈছে বৰ্তমানে দেখা দিয়া প্ৰকৃতিক পৰিৱেশ বিনষ্টৰ কাৰণ। যাৰ ফল আমি বিভিন্ন সোৱাদত ভোগ কৰি আছোঁ। নিজৰ ক্ষুদ্ৰ চাহিদাৰ পূৰ কৰোৱাৰ খাতিৰত নিজৰ ভোগ বিলাসিতাৰ কাৰণত আমি অৰণ্য ধ্বংস কৰি প্ৰাকৃতিক পৰিৱেশ বিনষ্ট কৰি আহিছোঁ। বন্য প্ৰাণীৰ বাসস্থান ধ্বংস কৰি নিজৰ বাবে বিলাসী আট্টালিকা সাজিছো, গড়ৰ খড়্গ কাটিছো, বাতৰি কাকতত লিখিছো ডাঙৰ ডাঙৰ আখৰেৰে। কিন্তু তাক প্ৰতিকাৰ কেনেকৈ কৰিব লাগে তাক ব্যৱহাৰিক প্ৰয়োগ কৰিব জনা নাই। অসমৰ জাতীয় প্ৰতীক স্বৰূপ, বিশ্বৰ আন ক'তো বিচাৰি নোপোৱা এনে এবিধ দুৰ্লভ জন্তু এশিঙীয়া গড়। যাৰ বাবে অসমে এক সুকীয়া চিনাকী লাভ কৰিছে। সি আজি বিলুপ্তীৰ পথত। কেৱল চৰকাৰ আৰু বন বিষয়া-কৰ্মীৰ আশাত থাকোতেই আমাৰ চকুৰ আগতে এদিন গড় বিলুপ্ত হ'ব চিৰ দিনৰ বাবে। শুনিবলৈ যদিও (সচাঁ বা) ভাল নালাগে কিন্তু ই সত্য। আনে কৰিব বুলি হাত সাৱটি বহি থকাৰ সময় নাই। আমি সকলোৱে যদি আগবাঢ়ি নাহো তেন্তে সেই দিন দেখিবলৈ আৰু বেছি দিন অপেক্ষা কৰিব নালাগে। চাৰিওফালে দুৰ্নীতি, হত্যা,হিংসা, ধৰ্মৰ নামত আন্দোলন, ঘৰ- সংসাৰ, বিলাসী গাড়ী, অট্টালিকা আদিত ব্যস্ত মানৱ সমাজ পৰিৱেশৰ প্ৰতি কাৰো অকনো সময় নাই। যান্ত্ৰিকতাৰ মাজত হেৰাই যোৱাৰ উপক্ৰম মানৱ সমাজ। এনে সময়তে যাদৱ পায়েং ডাঙৰীয়াৰ দৰে সুযোগ্য সন্তান আমাৰ মাজলৈ পঠিয়াই দিয়াত মই ভগৱানক অশেষ ধন্যবাদ যাচিছো।

আমাৰ মাজৰ বহুতো লোক আছে যি সকলে নিজৰ ব্যস্ততাৰ বাবে 'পৰিৱেশ সংৰক্ষণ' জাতীয় বস্তুৰ গুৰুত্ব আওকান কৰিছে। তেনে লোকসকলক জাগ্ৰত কৰিবলৈ এনে এক উদাহৰণ প্ৰয়োজন।

আহক আমি সকলোৱে মিলি প্ৰাকৃতিক পৰিৱেশ ধ্বংস হোৱাৰ পৰা বচোৱাৰ দৃঢ় সংকল্প লওঁ, 'উপদেশতকৈ আহি ভাল' কথাষাৰ অনুকৰণ কৰি পৰিৱেশ সংৰক্ষণৰ বাবে উঠি পৰি লাগো।

# যোগ দিৱস আৰু আমাৰ প্ৰজন্ম

- অনুৰাধা ফুকন
স্নাতক তৃতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ২০১৪ চনৰ ৰব ডিচেম্বৰৰ ২১ জুনৰ দিনটো বিশ্বজুৰি 'যোগ দিৱস' ৰূপে পালন কৰা হ'ব বুলি ঘোষণা কৰিলে। যোগ হৈছে শৰীৰ আৰু মনক শৃংখলাবন্ধ কৰা এক আধ্যাত্মিক কৌশল; যিটো ভাৰতবৰ্ষতে প্ৰথম সূচনা হৈছিল। ভাৰতবৰ্ষ হৈছে বিশ্বৰ আধ্যাত্মিকতাৰ গুৰু, কিয়নো ইয়াতেই হাজাৰ-হাজাৰ বছৰ ধৰি ঋষি-মুনিসকলে তপস্যাৰ দ্বাৰা আত্মা আৰু পৰমাত্মাৰ ভিন-ভিন অনুশীলন চলাই আহিছে। নতুন-নতুন তত্ত্বও উদ্ভাৱন কৰিছে। সেয়ে সাধাৰণ ভাৰতীয় লোকৰ মনোজগতত আধ্যাত্মিক ধ্যান-ধাৰণাই বহুল পৰিমাণে প্ৰভাৱ বিস্তাৰ কৰি আছে, সেইটো নুই কৰিব নোৱাৰি। ভাৰতৰ এই আধাত্মিকতাবাদ বিশ্বৰ বিভিন্ন প্ৰান্তলৈ সঞ্চাৰিত হোৱা দেখা গৈছে। ভাৰতীয় মনীষীসকলৰ বিদেশ ভ্ৰমণে আধ্যাত্মিকতাবাদৰ বিস্তাৰত বিশেষ অৰিহণা যোগাইছে। এই দিশত স্বামী বিবেকানন্দৰ যোগদান অতুলনীয়। ক'বলৈ গ'লে বিভিন্ন দেশলৈ গৈ সামাজিক মঞ্চত আধ্যাত্মিকতাবাদৰ সমুচিত ব্যাখ্যাৰে ভাৰতীয় দৰ্শনক গ্ৰহণযোগ্য কৰি তোলা প্ৰথমগৰাকী মনীষী বিবেকানন্দই আছিল।

শেহতীয়ভাৱে ৰাষ্ট্ৰসংঘই ২১ জুনৰ দিনটো 'আন্তৰ্জাতিক যোগ দিৱস' ৰূপে ঘোষণা কৰিলে। উল্লেখযোগ্য যে নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদত যোগ শিক্ষাৰ সামাজিক আৰু বিদ্যায়তনিক প্ৰেক্ষাপটলৈ দৃষ্টি আকৰ্ষণ কৰিছিল আৰু ইয়াৰ বিশ্বজোৰা প্ৰভাৱ সুনিশ্চিত কৰিবলৈ বছৰৰ কোনো এটা দিনক 'যোগ দিৱস' হিচাপে চিহ্নিত কৰিবলৈ আবেদন জনাইছিল। মোদীৰ প্ৰস্তাৱটোৱে ৰাষ্ট্ৰসংঘৰ কাৰ্যকৰী পৰিষদত যথোচিত গুৰুত্ব পাইছিল আৰু ২০১৪ চনৰ ডিচেম্বৰ মাহত ২১ জুন দিনটো 'যোগ দিৱস' হিচাপে বিশ্বজুৰি পালন কৰা হ'ব বুলি ঘোষণা কৰা হ'ল।

যোগ শিক্ষা কি, এই সন্দৰ্ভত নানা প্ৰশ্নৰ উদয় হোৱা দেখা যায়। যোগ শিক্ষাত প্ৰকৃততে কোনো এটা বিষয় বা লক্ষ্যৰ সৈতে একাত্মতা স্থাপনৰ উদ্দেশ্যহে আছে, যিটো প্ৰকৃততে মানসিক শক্তি আহৰণৰ প্ৰয়াসৰ বাদে আন একো নহয়। যোগ শিক্ষা এবিধ বিজ্ঞান। যেনেদৰে শাৰীৰিক স্বাস্থ্য ৰক্ষাৰ বাবে বৈজ্ঞানিক পদ্ধতি আছে, তেনেদৰে মানসিক সুস্বাস্থ্যৰ বাবে আছে যোগ শিক্ষা। এই প্ৰসংগতে আধ্যাত্মিকতাবাদত যোগ শিক্ষাৰ প্ৰাসংগিকতা বিচাৰ্য। আধ্যাত্মিকতাবাদ হ'ল নিজৰ মনৰ গভীৰতাৰ মাজত নিজকে বিচাৰি চোৱাৰ অনুশীলন। এই অনুশীলনক ধ্যান বা সাধনা বোলে। যোগভ্যাসে ধ্যান বা সাধনাৰ পথ সুগম কৰে। প্ৰতিজন ব্যক্তিৰে সমাজত এটা নিৰ্দিষ্ট স্থান আছে আৰু সেয়েহে বাহ্যিক কাৰকৰ দ্বাৰা প্ৰভাৱিত নোহোৱাকৈ তেওঁৰ নিজস্ব সত্তাৰ বিকাশ ঘটোৱাৰ স্বাধীনতা থাকে। আত্মাৰ স্থান বা পৰমাত্মাৰ অন্বেষণ অথবা নিজকে বিচাৰি চোৱাৰ প্ৰৱণতাই আধ্যাত্মিকতাবাদ। এই অন্বেষণত যোগ শিক্ষাৰ নিৰ্ণায়ক ভূমিকা আছে।

যোগভ্যাস এটা পূৰ্ণ ৰূপৰ শিক্ষা ব্যৱস্থা ইয়াৰ মাজত পাঠ্যক্ৰম, গুৰু-শিষ্যৰ সম্বন্ধ, শিক্ষকৰ প্ৰশিক্ষণ আদি শিক্ষাৰ বিভিন্ন উপাদান নিহিত আছে। ইয়াৰ মাজত আধ্যাত্মিকতাৰ স্থান থাকিলে ও সাম্প্ৰদায়িকতাবাদৰ স্থান নাই; বৰং 'বসুধেৱ কুটুম্বকম' ধাৰণাৰহে প্ৰাসংগিকতা আছে। ৰাষ্ট্ৰসংঘই 'আন্তৰ্জাতিক যোগ দিৱস'ৰ জৰিয়তে এই শিক্ষাক বিশেষ মৰ্যাদা দিয়াৰ এয়াই কাৰণ।

আন্তৰ্জাতিক যোগ দিৱসৰ প্ৰধান উদ্দেশ্যসমূহ তলত উল্লেখ কৰা হ'ব —

(১) যোগৰ প্ৰাকৃতিক উপকাৰিতাৰ বিষয়ে জনগণক অৱগত কৰোৱা।

(২) যোগৰ দ্বাৰা জনগণক ধ্যান কৰিবলৈ আৰু পৰমাত্মাৰ চিন্তা কৰিবলৈ শিকোৱা।

(৩) যোগৰ অনুশীলনৰ দ্বাৰা মানুহক প্ৰকৃতিৰ সৈতে সম্পৰ্ক স্থাপন কৰোৱা।

(৪) যোগৰ আধ্যাত্মিক উপকাৰিতাৰ দিশটোৰ ফালে বিশ্বব্যাপি মনোযোগ আকৰ্ষণ কৰা।

(৫) মানুহৰ স্বাস্থ্যৰ হানিকাৰক ৰোগসমূহ ৰোধ কৰা।

(৬) সমগ্ৰ বিশ্বৰ মানুহৰ মাজত সম্পৰ্ক শক্তিশালী কৰা।

(৭) জনগণক শাৰীৰিক আৰু মানসিক ব্যাধিসমূহৰ বিষয়ে সজাগতা কৰা আৰু যোগৰ দ্বাৰা ইয়াৰ সমাধানৰ উপায় দিয়া।

যোগভ্যাস মানুহৰ সুস্বাস্থ্য লাভ আৰু সুন্দৰ জীৱন-যাপনৰ পথ প্ৰশস্ত কৰে। বিভিন্ন ৰাষ্ট্ৰৰ প্ৰতিনিধিসকলেও এই কথা বিশ্বাস কৰিবলৈ লৈছে। সেয়েহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ প্ৰস্তাৱটোৱে ৰাষ্ট্ৰসংঘৰ মজিয়াত বিপুল সহাঁৰি লাভ কৰিছিল।

যোগভ্যাসৰ উপকাৰিতা আৰু আজিৰ প্ৰজন্মৰ কথা বিচাৰ কৰি চাবলৈ গ'লে এখন হতাশাৰ ছবিহে চকুৰ আগলৈ আহে। আজিৰ যুৱসমাজ হৈ পৰিছে বস্তুবাদী চিন্তাধাৰাৰে পৰিচালিত আৰু ভোগবাদী মানসিকতাৰ মায়াজালত বন্দী। ইয়াৰ ফলত বৃদ্ধি পাইছে হতাশা, বৈষম্য, আত্মহনন ইত্যাদি। আজিৰ নৱপ্ৰজন্মই দেশৰ ভৱিষ্যৎতৰ আশা-ভৰসা। দেশৰ সুনাগৰিক হ'বকৈ হ'লে শাৰীৰিক আৰু মানসিক বলেৰে বলীয়ান হ'ব লাগিব। শৰীৰ আৰু মনক একত্ৰিত কৰি আধ্যাত্মিক শক্তিৰে বলীয়ান হৈ আজিৰ প্ৰজন্মৰ বাবে যোগৰ বিকল্প আন নাই। ভাৰতবৰ্ষই তথা বিশ্বই এনে যোগ্য পুৰুষ-নাৰী সদায় বিচাৰে। যোগ দিৱসত সকলো যুৱক-যুৱতীয়ে লোৱা এক "মহান পণ, যোগেই দিব সকলোকে বল"।

# অৰকুট

-হিমাশ্ৰী গোহাঁই
প্ৰথম ষান্মাসিক
গণিত বিভাগ

'অৰকুট' হৈছে এক চচিয়েল নেটৱৰ্কিং ছাইট। ২০০৪ চনৰ জানুৱাৰী মাহৰ ২৪ তাৰিখে আনুষ্ঠানিকভাৱে অৰকুট মুকলি কৰা হৈছেল। প্ৰকৃততে, অৰকুট চচিয়েল নেটৱৰ্কিং বিশ্ববাসীৰ মাজত প্ৰথমবাৰৰ বাবে জনপ্ৰিয় কৰি তোলে। ফেচবুকৰ আগমণৰ আগলৈকে নেটিজেনসকলৰ মনত অৰকুট আৰু চচিয়েল নেটৱৰ্কিং ব্যৱস্থা আছিল একেটা মুদ্ৰাৰ ইপিঠি সিপিঠি। তদুপৰি অৰকুট ৰায়াকাটান আছিল গুগুল নামৰ বিশ্ববিখ্যাত প্ৰতিষ্ঠানটোৰ কৰ্মৰত অভিযন্তা। অৰকুট ৰায়াকাটানৰ লগত কৰা এক চুক্তি অনুসৰি তেওঁ উদ্ভাৱন কৰা এই চচিয়েল নেটৱৰ্কিং ছাইটটোক গুগুলে 'অৰকুট' নামেৰে ইন্টাৰনেটৰ মাধ্যমেৰে মুকলি কৰে। ইতিমধ্যে উল্লেখ কৰা মতে অৰকুট হৈছে এনে এটা ৱেবছাইট যাৰ দ্বাৰা ইয়াৰ সদস্যসকলৰ মাজত যোগাযোগ স্থাপন কৰি ভাৱ বিনিময় কৰিব পৰা যায়। কোনো সদস্যই আন সদস্যৰ লগত যোগাযোগ কৰাৰ পূৰ্বে তেওঁৰ সম্পূৰ্ণ তথ্য, ফটো আনকি সেই সময়লৈকে তেওঁৰ বন্ধুবৰ্গৰ কথাও জানি ল'ব পাৰে। সকলো সদস্যই নিজৰ পছন্দৰ একাধিক কমিউনিটি গঠন কৰিব পাৰে। অৰকুটত সদস্যসকলৰ প্ৰথম দৃষ্টি আকৰ্ষণ কৰিব পৰা বস্তুটোৰ হৈছে নিজস্ব প্ৰফাইলটো। প্ৰফাইলত সদস্য এজনে নিজৰ বিষয়ে কম কথাৰে আকৰ্ষণীয়কৈ লিখিব লাগে।

প্ৰথম অৱস্থাত অৰকুট আছিল কেৱল ভদ্ৰলোকৰ মিলন তীৰ্থ। কিন্তু পিছলৈ একাংশ অসাধুলোক অৰকুট প্ৰৱেশ কৰি নানা প্ৰকাৰে ইয়াৰ সুস্থ পৰিৱেশ বিনষ্ট কৰা দেখিবলৈ পোৱা গৈছিল। এটা সময় আছিল যেতিয়া প্ৰথমবাৰৰ বাবে ছ'চিয়েল নেটৱকিংত সোৱাদ লাভ কৰা আমাৰ দৰে লাখ লাখ নেটিজনৰ দিন-ৰাতি সকলোবিলাক অৰকুটময়। পুৱা শুই উঠাৰ পৰা নিশা টোপনি যোৱালৈকে কেৱল অৰকুট-অৰকুট। অৰকুটৰ ব্যৱস্থা বিধৰ সোৱাদ পোনপ্ৰথমবাৰৰ বাবে আমি লাভ কৰিছিলো অৰকুটৰ পৰাই তাৰ বিপৰীতে অৰকুট ব্যৱহাৰকাৰীৰ অনাদৰত শেষলৈ ইন্টাৰনেটৰ বুকুৰ পৰা অৰকুট হেৰাই যায়। কোনোদিনেই আৰু অৰকুটৰ এই আভাসী উপস্থিতি অনুভৱ কৰিবলৈ নাপাম। অৰকুটৰ সতে কটোৱা একালৰ মায়াময় দিনবিলাকৰ মধূৰ স্মৃতি সুঁৱৰি আমি অশ্ৰুসিক্ত চকুলোৰে অৰকুটৰ বিদায় জনাইছোঁ।

# বৰ্তমান সময়ত যুৱ প্ৰজন্মৰ দায়িত্ব আৰু কৰ্তব্য

- গীতিমল্লীকা কোঁৱৰ



আজি যুৱক-যুৱতী কিমান সচেতন? জনসংখ্যাৰ বৃদ্ধিৰ লগে লগে তেওঁলোকৰ উচ্ছৃংখলতা বৃদ্ধি পৰিলক্ষিত হৈছে। যুৱ প্ৰজন্ম শিক্ষিত হৈছে যদিও গুণগত মানদণ্ড উন্নত হোৱা নাই। কোনে কিমান নিজকে সৌন্দৰ্যশালী কৰিব পাৰে, কেনেকৈ শৰীৰটোক পেশীবহুল কৰি তুলিব পাৰে, কবিতাৰ প্ৰতি বিতৃষ্ণা আদি যুৱ প্ৰজন্মৰ প্ৰধান লক্ষণ। কিন্তু এই সমূহে যুৱ প্ৰজন্মৰ প্ৰকৃত দায়িত্ব আৰু কৰ্তব্যৰ কথা প্ৰকাশ কৰে জানো? আজি যুৱ প্ৰজন্মই নিজৰ সৰ্বস্ব ত্যাগ কৰি আনৰটো গ্ৰহণ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে।

সেয়ে বৰ্তমান সময়ত যুৱ প্ৰজন্মৰ মাজত এক বিৰাট জনজাগৰণৰ সময় আহি পৰিছে। যুৱ প্ৰজন্মই নিজৰ নিজৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে জ্ঞাত হোৱাৰ সময় আহি পৰিছে। যুৱ প্ৰজন্মই নিজৰ নিজৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে জ্ঞাত হোৱাৰ সময় আহি পৰিছে। কিয়নো যুৱ প্ৰজন্মৰ হাততেই এখন দেশ, এটা জাতিৰ ভৱিষ্যত জড়িত হৈ থাকে। বৰ্তমান যুৱ প্ৰজন্মই কেৱল উচ্চ শিক্ষা গ্ৰহণ কৰি এটা ডিগ্ৰী লাভ কৰাৰ আগতে নিজকে মানুহ হিচাপে গঢ় দিব লাগিব, নিজৰ লগতে দেশ তথা জাতিৰ ভৱিষ্যত সম্পৰ্কে চিন্তা কৰিব লাগিব, মানৱীয়তা গুণৰ অধিকাৰী হ'ব লাগিব তথা নিজ জাতিৰ কলা-সংস্কৃতি, ভাষা-সাহিত্য আদিৰ বিষয়ে জনাৰ লগতে এই সমূহৰ মৰ্য্যদা অটুট ৰাখিব লাগিব।

সমাজত 'We Feeling' 'আমি ভাৱ' সৃষ্টি কৰাৰ ক্ষেত্ৰত যুৱ প্ৰজন্মৰ বহু দায়িত্ব আছে। কাৰণ যুৱ প্ৰজন্মৰ বাদে এই ভাৱ কোনেও জাগ্ৰত কৰিব নোৱাৰে।

সামৰণিত ক'ব পাৰি বৰ্তমান সময়ত কেৱল গোলকীকৰণৰ ভিন্ন দিশ সমূহ আয়ত্ব নকৰি নিজৰ প্ৰকৃত দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে নৱ-প্ৰজন্মই জ্ঞাত হোৱাৰ সময় আহি পৰিছে।

বৰ্তমান যুৱ-প্ৰজন্মই কেৱল উচ্চশিক্ষা গ্ৰহণ কৰি এটা ডিগ্ৰী লাভ কৰিলেই এজন সু-নাগৰিক হৈ নুঠে; এজন যুৱকে নিজকে সু-নাগৰিক হিচাপে গঢ় দিবলৈ কিছুমান নৈতিক চৰিত্ৰৰ আচৰণো গ্ৰহণ কৰিব লাগিব।

# আন্তৰাষ্ট্ৰীয় ৰাজনীতিৰ প্ৰেক্ষাপটত বজৰংগী ভাইজান



- প্ৰাঞ্জল দাস
অসমীয়া বিভাগ
পঞ্চম ষাণ্মাসিক

বৰ্তমান ভাৰতীয় চলচিত্ৰ জগতৰ এখন আগশাৰীৰ চলচিত্ৰ হৈছে কবিৰ খান পচিলিত 'বজৰংগী ভাইজান'। চলচিত্ৰখনৰ মুখ্য নায়ক ছলমান খান আৰু মুখ্য নায়িকা কৰিনা কাপুৰ। শিশু শিল্পী (মুন্নিযশ্মাহিদা) হৰিতা মালহোত্ৰা লগতে বহুতো অভিনেতা-অভিনেত্ৰীৰ উচ্চমানৰ অভিনয়ে চলচিত্ৰখনৰ সৌন্তৰ বৃদ্ধি কৰিছে। চলচিত্ৰখনত বিভিন্ন মানৱীয় দিশৰ লগতে ভাৰত-পাকিস্তানৰ মাজত থকা ৰাজনৈতিক সম্পৰ্ক সুন্দৰভাৱে পৰিস্ফুত হৈ উঠিছে।

স্বাধীনতাৰ পাছৰে পৰা ভাৰত আৰু পাকিস্তানৰ মাজত এক শত্ৰুতাপূৰ্ণ সম্পৰ্কই গঢ় লৈ উঠে। তেতিয়াৰে পৰা আজিলৈকে দুয়োখন দেশৰ মানুহৰ মাজত মিলাপ্ৰীতিৰ ভাৱ তেনেই নগণ্য। এনে এটা পৰিস্থিতিৰ মাজত দুয়োখন দেশৰ সম্পৰ্কক লৈ ৰচনা কৰা 'বজৰংগী ভাইজান'এ দৰ্শকক আপ্লুত কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ ক্ষেত্ৰত এক নতুন দৃশ্য প্ৰদৰ্শন কৰিছে।

ধৰ্ম ৰাজনীতিৰ এক গুৰুত্বপূৰ্ণ উপাদান। সেয়ে ধৰ্মক কেন্দ্ৰ কৰি দুয়োখন দেশৰ মাজত থকা বিৰোধভাৱৰ যোগেদি এক ৰাজনৈতিক দৃশ্যপট চলচিত্ৰখনত পৰিস্ফুত হৈ উঠিছে। কাৰণ চলচিত্ৰখনৰ মূলতে হ'ল ধৰ্ম।

সাংবাদিকজনে অভিনেতা ছলমান খানক বিশ্বাস কৰি অন্তিম সময়লৈকে সহায়ৰ হাত আগবঢ়াইছিল আৰু নিজ দেশৰ আৰক্ষী বিষয়াৰ আগত মিছা মাতিছিল। যাৰ বাবে চলচিত্ৰখনত ছলমানখানে লক্ষ্যত উপনিত হ'ব পাৰিছিল আৰু ভাৰত-পাকিস্তানৰ উভয়ে মানুহৰ মাজত মানবীয়তা গুণ দেখিবলৈ পোৱা গৈছিল। এই দৃশ্যৰ পৰা অনুমান কৰিব পাৰি যে ভাৰত-পাকিস্তান উভয়ে সাংবাদিকসকলে কেৱল শত্ৰুতাৰ ভাৱেৰে বা বাতৰি সমূহ প্ৰচাৰ নকৰি দুয়ো দেশৰে মাজত সু-সম্পৰ্ক গঢ় লৈ উঠিব পৰা বা-বাতৰি সমূহ প্ৰচাৰ কৰিলে আন্তৰাষ্ট্ৰীয় ৰাজনীতিৰ প্ৰেক্ষাপটত ভাৰত-পাকিস্তানৰ মাজত পুনৰ ভাল ৰাজনৈতিক সম্পৰ্ক গঢ়ি উঠিব পাৰে। কাৰণ ইয়াৰ ইংগিত 'বজৰংগী ভাইজান'ত পৰিস্ফুত।

চলচিত্ৰখনত দুয়োখন দেশৰ মাজত থকা বিভিন্ন বিৰোধভাৱে আন্তৰাষ্ট্ৰীয় ৰাজনীতিৰ সমস্যাৰ সৃষ্টি কৰিলেও, চলচিত্ৰখনৰ অন্তিম সময়ত দুয়ো দেশৰ মাজত মিলাপ্ৰীতিৰ যি আৰ্হি দেখুৱালে, সেই ছবিয়ে আন্তৰাষ্ট্ৰীয় ৰাজনীতিৰ ক্ষেত্ৰত ভাৰত-পাকিস্তানৰ মানুহৰ অন্তৰত পৰোক্ষ মানৱীয়তাৰ ভাৱ প্ৰকাশ কৰে।



# ফাগুন তুমি যে এটা সপোন

শিল্পী বুঢ়াগোঁহাই
উদ্ভিদ বিজ্ঞান
১ম ষান্মাষিক

ফাগুনৰ অবাধ্য বতাহজাকে গাভৰুৰ আঁচল উৰুৱাই, দীঘল চুলিকোছা আউলি বাউলি কৰিলেও ফাগুন যে ডেকা গাভৰুৰ অতি মৰমৰ। কাৰণ ফাগুনে ধৰিব জানে জীৱনৰ ছন্দ। ফাগুনৰ চঞ্চল বতাহজাকে ধৰালৈ বসন্তক আদৰি আনে। বসন্ততে গছে পাত সলাই, কোমল পাতেৰে পোখা-মেলি ন সাজে প্ৰতিভাত হয়। যেন প্ৰকৃতিয়ে নৱযৌৱন পায়। মদাৰ, কৃষ্ণচূড়াৰ তেজাল কৰা প্ৰকৃতিৰ এই বিনন্দীয়া ৰূপত দুগুণে মাদকতা ঢালে ৰঙৰ উৎসৱ ফাকুৱাই। ভাতৃত্ববোধৰ এনাজৰীডাল মজবুত কৰাৰ বাবেই প্ৰকৃতিলৈ আহে ৰঙৰ উৎসৱ ফাকুৱা বা দৌল উৎসৱ। দৌল বুলি ক'লে সত্ৰ নগৰী বৰপেটাৰ কথাকে মনত পৰে। বৰপেটাৰ দৌলৰ উপাস্য দেৱতা কৃষ্ণ। দৌল উৎসৱৰ বিষয়ে ভাগৱত পুৰাণত শ্ৰীকৃষ্ণই গোপীসকলৰ লগত ফাকুৱা খেলি নৃত্য কৰাৰ কথা উল্লেখ আছে। বৰপেটাৰ দৌল মহোৎসৱৰ প্ৰথম দিনটোক "গোন্ধ যাত্ৰী" বা ফল্গুৎসৱ বোলে। উৎসৱটিৰ প্ৰবাদ আছে যে ফল্গু নামৰ দৈত্যক বধ কৰাৰ বাবে দেৱলোকৰ দেৱতাসকলে বিষ্ণুৰ ওচৰ চাপে। বিষ্ণু দেৱতাসকলৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ ফল্গু দৈত্যক বধ কৰে আৰু এক অত্যাচাৰৰ পৰা ৰক্ষা পোৱাৰ আনন্দত দেৱতাসকলে ইজনে সিজনৰ মাজত ৰং ছটিয়াই আনন্দ কৰে আৰু তেতিয়াৰ পৰা ফাগুনৰ পূৰ্ণিমা বা চ'তৰ পূৰ্ণিমাত ফাকুৱা বা হোলী উৎসৱ পালন কৰি অহা বুলি লোক বিশ্বাস আছে। নগাঁৱৰ বৰদোৱা, উত্তৰ গুৱাহাটীত থকা দৌলগোবিন্দ মন্দিৰত বিশাল আয়োজনেৰে উদ্‌যাপন কৰাৰ দৰে অসমৰ প্ৰায়বোৰ ঠাইতে তিনিদিনীয়া দৌলোৎসৱ পালন কৰা হয়। প্ৰথমদিনা "গোন্ধ", দ্বিতীয় দিনা "ভৰদেউল" আৰু তৃতীয় দিনা "গোসাঁই পৰিভ্ৰমণ" বা "সুৱৰী"ৰে দৌলোৎসৱৰ সামৰণি পৰে।

ফাগুন মানে অকল ৰঙৰ খেলাই নহয়, ই হৈছে পৱিত্ৰ উৎসৱ। কোৱা হয় যে হোলীৰ সময়ত দেহত ফাকুৱা সানিলে বসন্ত ৰোগ ৰোধ হয়। কিন্তু আজিকালিৰ বজাৰত উপলব্ধ ভেজাল আবিৰে ছাল, চকুৰ সমস্যাৰ সৃষ্টি কৰে। সেইবাবে প্ৰাকৃতিকভাৱে তৈয়াৰী ৰংহে ব্যৱহাৰ কৰাটো উচিত। ভাব হয় ফাকুৱা উৎসৱটো এক আনন্দ আৰু ভাতৃত্ববোধৰ ৰঙীণ উৎসৱ হ'লেও ইয়াক যেন লাহে লাহে অপশক্তিয়ে গ্ৰাস কৰি আহিব ধৰিছে। তথাপি এই ফাকুৱাই লৈ আহে কুলি-কেতেকীৰ মন আন্দোলিত কৰি থকা বিনন্দীয়া মাত, সৰিয়হৰ হালধীয়া ফুলৰ হাঁহিটোৰে প্ৰকৃতি জাতিস্কাৰ হৈ উঠে।

এই চ'তৰ মাহতে বৰদৈচিলাজনী মাকৰ ঘৰলৈ যাবলৈ সাজু হয়। বৰদৈচিলাৰ আগমনে প্ৰকৃতিৰ কোলালৈ ৰঙালীক আদৰি আনে। মুঠতে ফাগুন যে জীৱনৰ ছন্দ। ফাগুনে সপোন ৰচে। নিজৰ বৈশিষ্ট্যৰে উজ্জ্বল ফাগুন এনে এটি মাহ যিয়ে পুৰণিক বিদায় দি নতুনক আদৰে। ফাগুন হ'ব পাৰে দুষ্ট আদৰৰ শিশুৰ দৰে। ফাগুন হ'ব পাৰে উতনুৱা গুণী ডেকাৰ দৰে। ফাগুণ এনে এটি মাহ, যিয়ে নিৰাশাৰ মাজেৰে আশা আনে। ফাগুনৰ পুৱাতে শুনো কুলিৰ মাত। ফাগুনেই আনে প্ৰেমৰ গোপন বতৰা। ডেকা-গাভৰু, সৰু বৰ সকলোৰে মনত ৰং সানি ব'হাগক আমন্ত্ৰণ জনাই ধুলিয়াৰি বাটেৰে ফাগুন যায়গৈ আশাৰ বতৰা দি। নতুনৰ আৱাহনী সুৰে আদৰি লৈ হালধীয়া পাতবোৰ ইতিহাস হৈ সোৱৰণী এচাটি বতাহৰ নাম নষ্টালজিয়া সাবটি লয়।

-⚬⚬-

# সাম্প্ৰতিক যুগৰ অসমীয়া কবিতাৰ এক অৱলোকন

-দেৱজিৎ গগৈ
স্নাতক তৃতীয় ষান্মাসিক
অসমীয়া বিভাগ

কবিতা হ'ল প্ৰাণৰ ভাষা। হৃদয়ৰ অভ্যন্তৰত নিহিত হৈ থকা অপ্ৰকাশিত ভাৱানুভূতিৰ ছন্দোবদ্ধ আৰু শিল্পিত প্ৰকাশতেই সাধাৰণ অৰ্থত কবিতা বুলিব পাৰি। কবিতা হ'ল ধ্বনি সুষমাৰ লগত সমন্বিত প্ৰকাশ বিশ্বৰ বিভিন্ন দেশৰ ভিন্ন কাব্য সাহিত্যৰ লগতে অসমীয়া কাব্য সাহিত্যৰো এক নিজস্ব বৈশিষ্ট আৰু সুকীয়া অতীত আছে। চৰ্যাপদ, শ্ৰীকৃষ্ণ-কীৰ্ত্তন, শূন্যপুৰাণ ইত্যাদিয়ে গঢ় দিয়া কাব্য পবিত্ৰ মাৰ মাজেদি ক্ৰমে প্ৰাকশংকৰী, শংকৰী আৰু শংকৰোত্তৰ যুগৰ গীতিময়, কাব্যময়, ভক্তি-সৰ্বস্ব ৰূপৰ মাজেদি অসমীয়া কাব্য সাহিত্যই বৰ্তমানৰ নব্য আধুনিক ৰূপ লভিবলৈ সক্ষম হৈছে। তাহানিৰ ছন্দোবদ্ধ কবিতা আৰু নব্য আধুনিক কবিতাক পৰ্য্যালোচনৰ আওতালৈ টানি আনিলে এই দুই ধৰ্মী কবিতাৰ মাজত এক বিৰাট বৈসাদৃশ্য পৰিলক্ষিত হয়। সাধাৰণতে, কবিতা আৰু আধুনিকতা ইয়াৰ সংজ্ঞা বৰ নহল। আধুনিকতাৰ স্বৰূপ ফুটাই নাযায়। আধুনিকতা এক আপেক্ষিক শব্দ আৰু এই ধাৰণা গতিশীল।

সাম্প্ৰতিক বিৰোধ যুগৰ কবিতা যেন এক বিতৰ্কিত বিষয়। আধুনিক কবিতাৰ সমৰ্থনত আৰু বিৰোধত দুই শ্ৰেণীৰ পাঠকে নিজৰ নিজৰ মত আগবঢ়ায়। এক শ্ৰেণীয়ে কবিতাক ব্যঞ্জনাময় সৌন্দৰ্যৰ প্ৰতীকৰূপে গ্ৰহণ কৰে। তেওঁলোকৰ মতে কবিতা হ'ল বুদ্ধি আৰু চিন্তা শক্তিৰ সম্পদ আৰু আনটো শ্ৰেণীৰ মতে আধুনিক কবিতাসমূহ দুৰূহ, বুজিবলৈ টান। গতিকে কবিতাৰ আমেজ পোৱা নাযায়। তেওঁলোকৰ মতে কবিতা কেৱল হৃদয়ৰ অনুভৱ। আধুনিক যুগৰ কবিতাত দুটা ভাগত ভগাব পাৰি - এবিধ হ'ল হৃদয় চুই গুণগুনাই যোৱা আৰু আনবিধ হ'ল মগজুৰ দুৱাৰত পাঠকৰ পৰা অধিক সচেতনতা আৰু অধ্যয়ন দাবী কৰে। আধুনিক কবিতা জটিল বুলি কোৱাৰ কাৰণ এটাই যে এইবোৰ কবিতাত বুদ্ধিৰ দুৱাৰেদি গৈ হৃদয়ক বিচাৰিব লগা হয়।

সাম্প্ৰতিক যুগৰ অসমীয়া কবিতাত বিষয়বস্তুৰ অবিনৱত্ব, বিবিধ দৰ্শনৰ প্ৰভাৱ, ঔদ্যোগিক বিকাশৰ প্ৰভাৱ, প্ৰাচীন ঐতিহ্য আৰু মূল্যবোধৰ অপসাৰণ, প্ৰেমৰ নতুন সংজ্ঞা, নতুন ছন্দৰীতিৰ প্ৰয়োগ, চিত্ৰকল্পৰ প্ৰয়োগ আদি লক্ষণেৰে পৰিপূৰ্ণ। আধুনিক কবিতাই ছন্দৰ কোনো বান্ধোনকেই মানি ল'বলৈ বিচৰা দেখা নাযায়। নতুন কবিতাৰ আদি কালছোৱাত যেতিয়া সম্পূৰ্ণ নতুন ধৰণৰ ভাৱধৰাই কবিতা জগতত আলোড়ন তুলিছিল, সেই সময়ত অসমীয়া কবিসকলেও হাতত লয় স্পন্দিত গদ্যৰ অনুৰূপ এক গদ্যছন্দ। ফলত গদ্যগন্ধী ছন্দৰ লগত ললিত-লাৱণ্যৰ মিশ্ৰণত নতুন কবিসকলে কবিতাক দিছিল এক নতুন ৰূপ। আধুনিক কবিতাই অনুভূতিতকৈ বেছি দাবী কৰে বুদ্ধিমত্তা আৰু অধ্যয়ণৰ প্ৰয়োজনীয়তা। প্ৰতীক আৰু চিত্ৰকল্পৰ সমযোগত আধুনিক কবিতাৰ যি ধূসৰ ভাষা, তাৰ সিপাৰে থকা আবেদনে হৃদয় চুব পৰাকৈ আজিৰ কবিতা পাঠকে নিজকে সাজু কৰিব লাগিব। সেইক্ষেত্ৰত সবাতোকৈ ডাঙৰ দায়িত্ব থাকে কবিতা সমালোচকৰ। সমালোচকেহে নিৰ্ণয় কৰিব পাৰিব ঠিক কোনটো বিন্দুৰ মুখামুখি হ'ব কবি আৰু তেওঁৰ পাঠক।

# অসমীয়া সমাজত তামোল-পাণৰ ভূমিকা

- সুস্মিতা বৰুৱা
পঞ্চম ষান্মাসিক
অসমীয়া বিভাগ

**সময়** পৰিৱৰ্তনশীল, গতিশীল। এই পৰিৱৰ্তন আহে লাহে লাহে কোনোৱে ক'ব নোৱাৰাকৈয়ে। অতীত নহ'লে বৰ্তমান নাথাকে, বৰ্তমান নহ'লে ভৱিষ্যত থাকিব নোৱাৰে। এইয়া পৃথিৱীৰ চিৰাচৰিত নিয়ম। সেইদৰে পুৰণিক এৰি নতুনৰ সৃষ্টিও হ'ব নোৱাৰে।

অসমীয়া সমাজত কৃষ্টিৰ কঠিয়াস্বৰূপ তামোল পাণৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। তামোল পাণৰ অবিহনে অসমীয়া সমাজত দৈনন্দিন জন-জীৱনৰ বহু কাম-কাজ সম্পন্ন নহয়। বিভিন্ন সামাজিক কাম-কাজ, উৎসৱ পাৰ্বণ, সকাম-নিকাম, বিয়া, অতিথি আপ্ৰায়ন আদিৰ ক্ষেত্ৰত আমাৰ সমাজত তামোল পাণেই সৰ্বে সৰ্বা। আমাৰ সমাজ ব্যৱস্থাত তামোল পাণক আপ্ৰায়নৰ প্ৰধান অহিলাৰূপে ব্যৱহাৰ কৰা হয়। ইয়াৰ উপৰিও বিভিন্ন বিয়া-সবাহৰ নিমন্ত্ৰণ জনাবৰ বাবেও এটি তামোল পাণৰ টোপোলা আগবঢ়োৱা হয়। অৱশ্যে আজিকালি আধুনিকতাৰ পৰিৱেশত বিভিন্ন মনোমোহা ৰঙ-বিৰঙৰ সুন্দৰ পত্ৰৰ জৰিয়তে বিয়া সবাহৰ নিমন্ত্ৰণ জনোৱা হয়। পত্ৰৰ জৰিয়তে নিমন্ত্ৰণ জনোৱা এই নিয়ম আমাৰ সমাজত প্ৰায়েই প্ৰচলিত হ'বলৈ ধৰিছে। কিন্তু যিমান ৰঙ-বিৰঙৰ পত্ৰৰে নিমন্ত্ৰণ জনালেও তামোল পাণৰ টোপোলাৰে নিমন্ত্ৰণ জনোৱাৰ ক্ষেত্ৰত যিমানখিনি মৰ্যাদা আৰু আন্তৰিকতা থাকে, যি এক অনুভূতি থাকে সেই মৰ্যাদা, আন্তৰিকতা আৰু অনুভূতি পত্ৰৰ ক্ষেত্ৰত থাকিব নোৱাৰে।

সময় যিহেতু পৰিৱৰ্তনশীল, গতিশীল, গতিকে সময়ৰ লগতে পৃথিৱীৰ প্ৰত্যেকটো বস্তুৰে পৰিৱৰ্তন হোৱাটো স্বাভাৱিক। কিন্তু পৰিৱৰ্তন যে সকলো ক্ষেত্ৰতে আহিব লাগে সেয়াওটো কোনো ধৰা বন্ধা নিয়ম নাই।

আমাৰ সমাজত অতীতৰে পৰা কিছুমান নিয়ম প্ৰচলিত হৈ আহিছে। আমাৰ সমাজত কোনো ব্যক্তিয়ে কিবা কামত জগৰ লগালে ৰাইজৰ আগত এটি তামোল পাণৰ টোপোলা দি সেৱা জনাই ক্ষমা খুজিলেও সেই দোষ আঁতৰি যায়। ঘৰলৈ আলহী-অতিথি আহিলেও পোন-প্ৰথমতে তামোল পাণৰ বঁটা আগবঢ়ায় আলহী আপ্ৰায়ন কৰা হয়। তাৰ পাছতহে বিভিন্ন কথা বতৰাৰ অৱতাৰণা কৰে। আগৰ দিনত এটা নিয়ম আছিল যে ঘৰলৈ মিতিৰ কুটুম আহিলে মৰমৰ চিন হিচাপে অন্য একো নহ'লেও এটি তামোল পাণৰ টোপোলাকে আগবঢ়োৱা হয়। ইয়াৰ উপৰিও অতীতত তামোল পাণৰ বিপৰীতে ধান, চাউল, মাটিবাৰীৰও আদান প্ৰদান হোৱাৰ কথা শুনিবলৈ পোৱা যায়। কিন্তু আজিৰ দিনত লাহে লাহে পৰিৱৰ্তন আহি পৰিছে। তামোল পাণৰ ঠাইত চফ্, লং, ইলাচী, দালচেনী, চুপাৰীৰ ব্যৱহাৰ হ'ব ধৰিছে। সেইবুলি যে আমাৰ মাজৰ পৰা তামোল পাণৰ ব্যৱহাৰ নোহোৱা হৈ গৈছে সেয়াও নহয়। কিয়নো অসমীয়া সমাজ আৰু তামোল পাণৰ এক ওতঃ প্ৰোতঃ সম্বন্ধ আছে।

বিহুৰ সময়ত জ্যেষ্ঠ জনক, মিতিৰ কুটুমক সেৱা জনাবলৈ, শ্ৰদ্ধা জনাবলৈও এটি তামোল পাণৰ টোপোলা আগবঢ়ায়

ডাঙৰজনৰ পৰা সৰুৱে আশীৰ্বাদ গ্ৰহণ কৰে। ইয়াৰ লগতে আগৰ ডেকা গাভৰুৰ মাজতো তামোল পাণে বিশেষ সমাদৰ লাভ কৰিছিল। বিহুৰ বতৰত গাভৰুসকল বিহুতলীলৈ ওলায় গ'লে প্ৰিয়জনলৈ তামোল পাণ থুৰিয়াই বান্ধি নিছিল। ইয়াৰ জৰিয়তে তেওঁলোকৰ হৃদয়ৰ অনাবিল ভালপোৱা, মৰম-চেনেহ, গোপন অনুভূতি কিছুমান ইজনে সিজনৰ আগত প্ৰকাশ কৰাৰ চেষ্টা কৰিছিল। কিন্তু বৰ্তমানে এনে মধুৰ স্মৃতি কিছুমান আমাৰ মাজৰ পৰা হেৰাই গ'ল। আজি কালিৰ দৰে আগৰ ডেকা-গাভৰুৱে নিজৰ প্ৰিয়জনৰ লগত মুকলিমূৰীয়াকৈ কথা পতাৰ সুবিধা পোৱা নাছিল। এই ক্ষেত্ৰত তেওঁলোকক এই তামোল পাণেই তেওঁলোকৰ হৃদয়ত সাঁচি ৰখা মৰম, ভালপোৱা প্ৰকাশ কৰাত সুবিধা কৰিছিল, দুআষাৰ কথা পতাৰ সুবিধা পাইছিল।

বিহু নামবোৰৰ মাত নৈ, জান জুৰি, ফুল আদিয়ে স্থান পোৱাৰ লগতে তামোল পানেও বিশেষ স্থান লাভ কৰিছে। উদাহৰণস্বৰূপেঃ—

গৰু চৰাবলে কঠিয়া তলিখন
ম'হ চৰাবৰে দল,
মুঠিৰ কটা তামোল মুঠিতে শুকালে
দিবলৈ নাপালো চল।

ইয়াৰ উপৰিও আইনাম, বিয়ানাম আদিৰ মাজতো তামোল পাণৰ বিশেষ প্ৰভাৱ পৰিলক্ষিত হয়।

আমাৰ মাজলৈ এই পৰিৱৰ্তনবোৰ কেনেকৈ আহিছে আমি ধৰিবকে নোৱাৰো। আমাৰ মাজৰ পৰা আমাৰ সুন্দৰ পৰম্পৰা কিছুমান কেনেকৈ হেৰাই যাবলৈ ধৰিছে আমি তাক বুজিবও নোৱাৰো আৰু কোনো দিন বুজিবৰ চেষ্টাও নকৰোঁ। যিবোৰ পৰম্পৰাই আমাৰ হৃদয়ক স্পৰ্শ কৰে; যিবোৰ পৰম্পৰাই আন্তৰিকতা, মৰ্যদা তথা মধুৰ অনুভূতি কিছুমান নিহিত হৈ আছে সেই পৰম্পৰাবোৰ আমি আমাৰ মাজৰ পৰা শেষ হৈ যাব দিব নোৱাৰোঁ। আমাৰ এই সুন্দৰ পৰম্পৰাবোৰ বিভিন্ন পৰিৱৰ্তনৰ মাজতো আমি জীয়াই ৰাখিব লাগিব। জীয়াই ৰখাতো আমাৰ দায়িত্ব।

## ঃ মহৎ লোকৰ বাণী ঃ

১) ঈশ্বৰে প্ৰতিটো চৰাইকে আহাৰ যোগায়, কিন্তু সেই আহাৰ চৰাইটোৰ বাহত দি নাহে।

- জে জি হলাণ্ড

২) নিজকে নিজে সহায় কৰা, দেখিবা তেতিয়া ঈশ্বৰেও তোমাক সাহায্য কৰিব।

-হাৰবৰ্ট

৩) যাৰ আত্মবিশ্বাস অৰ্থাৎ নিজৰ শক্তিৰ ওপৰত আস্থা আছে, তেওঁহে কামত কৃতকাৰ্যতা লাভ কৰে।

- ৱাৰ্জিল

৪) আমাৰ সৰহভাগ অকৃতকাৰ্যতাৰ ঘাই কাৰণ হৈছে, আত্মবিশ্বাসৰ অভাৱ অৰ্থাৎ সংশয়, যাৰ আত্মবিশ্বাস নাই তেওঁ যিমানেই বলী নহওঁক কিয় তেওঁ নিতান্তই দুৰ্বল বুলিব লাগিব।

- বোভী

সংগ্ৰাহক
প্ৰবীণ নেৱাৰ, প্ৰাক্তন ছাত্ৰ

# কেমেৰাত বন্দী বিকলাঙ্গ

মূল হিন্দী ঃ ৰঘুবীৰ চহায়
অনুবাদ ঃ কৃষ্ণকান্ত বৰদলৈ
সহকাৰী অধ্যাপক, হিন্দী বিভাগ

আমি দূৰদৰ্শনত ক'ম
আমি সক্ষম শক্তিৱান
আমি এজন দুৰ্বলীক আনিম
এটা বন্ধ কোঠাত।

তেওঁক সুধিম আপুনি বিকলাঙ্গনে ?
আপুনি কিয় বিকলাঙ্গ ?
আপোনাৰ বিকলাঙ্গতাই
আপোনাক দুখ দিয়ে হ'বলা ?

দিয়ে ?
কেমেৰামেন এওঁক ডাঙৰ ডাঙৰকৈ দেখুওৱা
হয় আপুনি কওঁক আপোনাৰ দুখ কি ?
সোনকালে কওঁক সেই দুখৰ কথা কওঁক
ক'ব নোৱাৰিব।
ভাৱক
    কওঁক
বিকলাঙ্গ হৈ আপোনাৰ কেনেকুৱা লাগিছে
অৰ্থাৎ কেনেকুৱা কেনে লাগিছে
(আমি স্বয়ং ইংগিতেৰে দেখুৱাম কি এনেকুৱা ?)
ভাৱক
   কওঁক
অলপ চেষ্টা কৰক
(এই সুযোগ হেৰুৱাব ?
আপুনি জানেনে অনুষ্ঠান উপভোগ্য
            কৰিবৰ বাবে
আমি তেওঁক প্ৰশ্ন সুধি সুধি কন্দুৱাম
অপেক্ষা কৰক আপুনিও তেওঁৰ কন্দালৈ।
কৰিবনে ?
(এই প্ৰশ্ন সোধা নহয়)
আকৌ আমি পৰ্দাত দেখুৱাম
ফুলি থকা চকুৰ এখন ডাঙৰ ছবি
বহুত ডাঙৰ ছবি
আৰু তেওঁৰ ওঠৰ এক কম্পনো
(আশা কৰো আপুনি এইটো তেওঁৰ
বিকলাঙ্গতাৰ দুখ বুলি ভাবিব।)

এটা আৰু প্ৰয়াস
দৰ্শক
ধৈৰ্য ধৰক
চাওঁক
আমি দুয়োকে একেলগে কন্দুৱাও
আপুনি আৰু সিহঁত দুয়ো
(কেমেৰা
    বন্ধকৰা
 নহ'ল
থাকিবলৈ দিয়া
পৰ্দাত সময়ৰো মূল্য আছে।)
আমি এতিয়া হাঁহিম
আপুনি উপভোগ করি আছিল
সামাজিক উদ্দেশ্যেৰে পৰিপূৰ্ণ অনুষ্ঠান
(কেৱল অলপ ক্ৰটি বৈ গ'ল)
ধন্যবাদ।

# অনুভৱ

- কল্পনা সেনগুপ্তা বৰুৱা
সহযোগী অধ্যাপিকা
মুৰব্বী হিন্দী বিভাগ

জানা নে ?
সেই যে তেওঁ বিলীন হ'ল পঞ্চভূতত...
সেই দিন ধৰি...
কি যে এক ব্যাকুলতা, অস্থিৰতাৰ ছয়াময়া
বুজাব নোৱাৰা হিয়াৰ নিৰ্ভৃতত প্ৰবাহমান
স্রোতস্বিনী খৰস্রোতা,
কোনেও নেদেখা, কোনেও নুবুজা।।
ছনপৰা মনৰ পথাৰ
চকুলোৰ বানে ধোৱা
বালিময় শূন্য শুকান।।
নিজম, নিৰ্জন, নিৰিবিলি নিশাত
বতাহে বোকোচাত ওমলাই অতীত
ছবি বোৰে প্ৰাণ পায়
হৃদয় উথলি যায়
ক্ষণিকৰ বাবে সময় হয় মধুময়।

পিছে বাস্তৱ বৰ কঠোৰ,
যোৱা জন উভতি নাহে
গুচি যোৱা সময়ৰ দৰে।।
সেয়ে বুজিছা,
কোমল হিয়াখনি মোৰ
কৰি তুলিছো লৌহ কঠিন
বৰ লাহে ধীৰে সন্তৰ্পনে
অনাগত দিনবোৰত যুঁজ দিব পৰাকে'।

(কটন কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী প্ৰয়াত ড০ শান্তনু সেনগুপ্ত চাৰৰ পবিত্ৰ স্মৃতিত উৎচৰ্গিত)



# শীতৰ এটি ৰাতিপুৱা

- তৃষ্ণা ডেকাৰী
স্নাতক পঞ্চম ষান্মাসিক
অসমীয়া বিভাগ

শীতৰ কুঁৱলীসনা ৰাতিপুৱা
খিৰিকীৰে সোমাই আহিছে
কোমল ৰ'দ জাক।
কোঠালিত গুঞ্জৰিত হৈ আছে
তোমাৰ মধুৰ গান।
গীতৰ কলিবোৰ যেন এপাহ এপাহকৈ
সৰি পৰিছে
হৃদয়ৰ সেমেকা দুৱৰিত।
সুৰে সুৰে যেন
সুবাসিত হৈছে
হৃদয়ত সাঁচি ৰখা মৰমখিনি
যেন গলি পৰিছে
অপ্ৰকাশিত অথচ অজস্ৰ
ভাৱনাৰ তুষাৰ,
তোমাৰ স্পৰ্শকাতৰ
উদাসী অনুপস্থিতি।
তুমি দিয়া মৰমবোৰ
শীতৰ ঋতুৰ দৰেই গভীৰ
শীতৰ সেই পুৱা গধুলিবোৰ স্মৃতিয়ে
ধূসৰ কুঁৱলীৰ দৰে ঢাকি ৰাখে
মোৰ স্থিতিক।



# বগাসজীয়া অমাৱস্যা ৰাতি

-তুলুজিৎ বড়া
স্নাতক পঞ্চম ষান্মাসিক
অসমীয়া বিভাগ

অমাৱস্যা ৰাতি
কিছুমান ছায়ামূৰ্তিৰ অমানুষিক আখৰাত
খোল খায় শ্মশানৰ জপনা
কঁপি উঠে কবৰৰ কাষৰ মাটি।
কফিন খুলি উঠি আহে নাৰীমূৰ্তি
কামদেৱৰ কোপাদৃষ্টিত নিখোজ হোৱা
এটা কিশোৰী ৰাতি।
আৰু.... তাইৰ পিছে পিছে
সমাধিত লীন নোযোৱা এটা চিংকাৰ
আৰু চকুপানীৰ কেইটামান টোপোলা।

অমাৱস্যা ৰাতিটো যেতিয়া কাষ চাপি আহে
বুকুত হাত থৈ শ্মাশানৰ কাষেৰে আহিবলৈ
কোনেও সাহস নকৰে।
আগতে আহিছিল...
মমবাতিৰ জাক, শান্তি সমদল... ইত্যাদি
এতিয়া মমবাতিবোৰো নুমাল...
শান্তি সমদলেও জিৰণি লৈছে।
বন্ধ দুৱাৰৰ পৰাই শুনিছে
সমাধিত লীন নোযোৱা চিংকাৰটো।

অমাৱস্যা ৰাতিটো কাষ চাপি আহে ...
শ্মশানৰ জপনা খোল খায়
এটা বগাসজীয়া অমাৱস্যা ৰাতি।



# অনুভৱ

-গীতাঞ্জলী ভৰালী

উজাই আহে
শাওনৰ মেঘাবৃত্ত অভিমান
প্ৰহেলিকাৰ আৱৰ্তত
কৰো মই অনুভৱ


বাৰে বাৰে উজুটি খোৱাৰ পৰত
কিন্‌কিনীয়া বৰষুণ জাকে
হেঙুলীয়া কঠীয়া সিঁচে


মোৰ স্বৰ্গতোক্তি
কেতিয়াবা প্ৰতিধ্বনিত হ'লে
তোমাৰ বুকুত
গোপন ঘাটত।

# আমাৰ কলেজ

-কল্যাণ দাস
স্নাতক প্ৰথম ষান্মাসিক

কিমান যে মহান আমাৰ কলেজখন
সকলো ছাত্ৰ, শিক্ষক-শিক্ষয়িত্ৰী
কলেজ আমাৰ মহামিলনৰ স্থান
য'ত কৰা হয় সৰু-বৰ
সকলোকে সন্মান।
ছাৰ-বাইদেউ সকলে আমাক
জ্ঞানৰ পোহৰ বিলায়।
একেলগে পঢ়ো আমি
একেলগে খেলো,
একেলগে সকলোৱে
ঈশ্বৰক প্ৰাৰ্থনা কৰোঁ।
সৰস্বতী আই তোমালৈ
যাচিলো সৰল প্ৰণাম,
উজ্বলাব পাৰো যেন
আমাৰ কলেজৰ নাম।।





# ছাত্ৰ

- জ্যোতিস্মান দত্ত
একাদশ শ্ৰেণী, বিজ্ঞান শাখা

চাব খোজা এক
সচাঁ উজ্জ্বল প্ৰতিচ্ছবি
তুমিয়ে দিব পাৰা।
সুস্থ সেই পৰিবেশ, য'ত
লীণ হৈ আছে এক সভ্যতা
নাই তাত কোনো নিৰানন্দ প্ৰতীক
ফুটি উঠে য'ত কোনো চিন,
তুমিয়ে দিব পাৰা।

দিব পাৰা
এক উৎকৰ্ষ চিন্তাধাৰা
গঢ়িব পাৰা এক সমাজ
যি সৎ
পালন কৰিব পাৰা
সেই দিৱস
য'ত সমৃদ্ধ, অহিংসাৰ ধৰ্ম
ৰচিব পাৰা তুমি
সেই কবিতা
য'ত থাকিব সন্ত্ৰাসবিৰোধী ছন্দা।



আছে সেই সাহস তোমাৰ মাজত
প্ৰতিফলিত কৰিব পাৰা বিপ্লৱীৰ উদাহৰণ,
কৰিব পাৰা তুমি
সমাজৰ অন্ধবিশ্বাস দূৰ
পুতিব পাৰা সেই নদী
য'ত বৈ তেজৰ সোঁত।
ধ্বংস কৰিব পাৰা সেই
মনোবৃত্তি য'ত থাকে উচ্চ নিম্ন ভাৱ
কৰিব পাৰা তুমি
অস্ত্ৰ (কলম) তুলি
নীৰৱ সেই সমাজৰ অসুৰবোৰক
যিয়ে ৰক্ত শুহে সাধাৰণ জনগণৰ।
কৰিব পাৰা তুমি সেই আন্দোলন
য'ত সন্নিবিষ্ট দু-শাসনৰ বিচাৰ।

আছে সেই সুযোগ
য'ত তুমি লিখিব পাৰা
এক ব্যক্তিক্ৰমী ইতিহাস
সোণালী কৰিব পাৰা
তোমাৰ নাম।
সেই কৰ্মৰ বাবে আজি
ৰৈ আছে সমাজ।



# আহিবনে সেইদিন আকৌ...

- কল্পনা সোনোৱাল
প্ৰথম ষান্মাসিক

আহিবনে সেইদিন আকৌ ?
নাই নাহে
সেইদিন আৰু কেতিয়াও নাহে,
যিবোৰ দিনত হৈছিল
পাতবোৰৰ লগত
মনৰ বহুতো গোপন আলাপ।

এতিয়া, অকলশৰে মাথোঁ নিথৰ হৈ আছোঁ
মুকলি আকাশৰ তলত।
এখিলি এখিলিকৈ
সৰিল মোৰ পাত
অৱশিষ্ট আছে মাথোঁ
মোৰ লঠঙা দেহ।
অত্যাচাৰী মানৱৰ
কঠোৰ নিৰ্যাতনত
হৈ পৰিছো অৱশ।

নিষ্ঠুৰ মানৱৰ অত্যাচাৰত
অৱসন্ন হৈ পৰিছে অৱনী
হৈ পৰিছে ধূঁৱলী-কুঁৱলী।

আহিবনে সেইদিন আকৌ ?
নাই নাহে
সেইদিন আৰু কেতিয়াও নাহে।

# কাব্য-কানন



## শ্ৰদ্ধাঞ্জলি

- মনিশা দাস
উঃমাঃ দ্বিতীয় বৰ্ষ

অসমৰ জনতাই
মানিব পৰা নাই
তুমি যে আৰু নাই,
বিধাতাৰ বিধিমতে
জীৱন সামৰি লৈ
সঁচাই গ'লা যে হেৰায়
অসমীয়ে হেৰুৱালে
সু-যোগ্য সন্তান,
আমি হে হেৰুৱালো
শিল্পী মহান,
তথাপি গাইছো আজি
অশ্ৰুসিক্ত নয়নেৰে
তোমাৰেই গান।
হে শিল্পী
তোমাৰ মহান সৃষ্টি,
সেয়ে মৃত্যু তিথিত যাচিলো
হিয়াভৰা শ্ৰদ্ধাঞ্জলি।

## সেউজীয়া (বিঃদ্রঃ- জীৱন)

- চেংথই লাব্রাম
পঞ্চম ষন্মাসিক
ৰাজনীতি বিভাগ

মোক এডোখৰ মাটি দিয়া
যত শান্তিৰ নিজৰা বৈ যায়।
ঠেকা নোখোৱাকৈ,
বাধা নোপোৱাকৈ।

পোহৰে সৰু চকুহাল স্পৰ্শ কৰোতেই
উমান পালো।
কোনঠাইত বৰষুণ পৰিছে
মাজে মাজে একোকন সাতোৰঙী ৰামধেনু।
গছবোৰৰ সেউজীয়াবোৰ
আৰু সেউজীয়া পৰিছে।
ঘৰ-ঘৰ সুবাস এটা
উপঙি ফুৰিছে বতাহত।
মৰমবোৰে পাখি মেলিছে।
বুকুত চাংকেনৰ সুবাস এটিয়ে (চাংকেন- পানীবিহু)
জিৰণী লৈছে।

মাজতে জীৱন নামৰ কিবা এটাই
খেলি মেলি লগালে।
খলাবমালৈ ভয় লাগে।
কিন্তু কুমচাইত জীয়াই থকাৰ
এটি হেঁপাহে
শিপাই ধৰিছে মাটিত।

# মোৰ মৰমৰ ‘মা’

- পৰাগজ্যোতি ভৰালী
স্নাতক প্ৰথম বৰ্ষ (কলা শাখা)



মা তুমি সঁচাকৈয়ে কল্পনাময়ী
জীৱনৰ প্ৰতিটো সময় প্ৰতি দিন
তোমাৰ অবিহনে জীয়াই থকাটো অসম্ভৱ
বেলিৰ পোহৰৰ সমান,
ৰঙীন তোমাৰ মুখখনি,
হৃদয় তোমাৰ মমতাময়ী
পৃথিৱীৰ এই নিজান বুকুত
যদি হঠাৎ থমকি ৰওঁ,
বিচাৰো কেৱল তোমাক কাষত
ধন্য হ'লো আজি,
জীৱন দিলা মোক পৃথিৱীত
পৰিচয় দিলা নিজকে ‘মোৰ মৰমৰ মাতৃ’ বুলি।

# কাব্য-কানন

## মানুহ

- জোহেব হুছেইন
পঞ্চম ষাণ্মাসিক
অসমীয়া বিভাগ

মানুহ বোলা জীৱটো কিয় ?
অনেক যন্ত্ৰণা ভুগি থকাৰ অৱস্থাত
তেতিয়াও হাৰিব নোখোজে
জীৱনৰ বাটে বাটে অনেক বাধা আহে।
সেইসকলো বাধা পাৰ কৰিবলৈ চেষ্টা কৰে,
তথাপিও হাৰ মানিব নোখোজে
জীয়াই থাকিবলৈ চেষ্টা কৰে।
এই চেষ্টাৰ ফলত অলপ সুখ বিচাৰি পায়
অলপ সুখ পালেও
সকলো যেন পাই গ'ল বুলি অনুভৱ কৰে।
মানুহ বোলা জীৱই
কেতিয়াও হাৰ নামানিলে আৰু নামানে,
জীৱনৰ শেষ মুহূৰ্তলৈকে চেষ্টা কৰিছে
আৰু কৰিয়েই থাকিব।
মানুহ বোলা জীৱই
জীৱনৰ প্ৰত্যেক মুহূৰ্ততে
অনেক যন্ত্ৰণা ভুগে,
অনেক অসুবিধাৰ সন্মুখীন হয়,
তেতিয়াও হাঁহি থাকে।
মানুহ বোলা জীৱটো কি ?

## জীৱনৰ বাটত

- পল্লৱী দত্ত
স্নাতক পঞ্চম ষাণ্মাসিক
অসমীয়া বিভাগ

খোজকাঢ়িয়ে গ'ল মোৰ জীৱন
মৰুৰ মাজেৰে
ভৰিৰ পতা পুৰি গৈছে মোৰ
বাগৰি পৰো কেইবাবাৰো
সাৱতি লৈ বালিৰ তপত জুই
চকুৰ আগত মৰিচিকাকে লৈ।

চকুত নোপোৱা ডাৱৰ
মৰহি যায় ফুলৰ পাহিবোৰ
যি ফুলিছিল এদিন মোৰ মনৰ আঁচলত।
তুমি সুধিছিলা ধুমুহা মই কিয় ভয় কৰো
এটি ঘূণেধৰা সপোন লৈ
আজি মই মৰিচিকাৰ মাজত।

# RISE OF FEMALE PROTAGINIST IN INDIAN CINEMA

Debapriya Baruah
B.A 3rd Sem
English Dept.

Prime Minister Narendra Modi launched "Beti Bachao Beti Padhao" Scheme on January 2015 which aimes at generating awarness and improving the efficiency of delivery of wealfare serivice ment for girls when it comes to women empowerment, Indian Cinema is not far behind.

Females take up half the space in society, yet, specially in flims they appear seldom than male do. In the initial days women were portrayed a meek, docile and vulnerable, often staying in the shadow of her husband as an idealistic home maker. In those days of Indian Cinema, the bold characters were meant and delegates on to those males. But the present scenario has a overall contract from those days ...... Females demand and command equality in the flourishing area of flims .... we actully do not need a male protagonist to be the handsome charmer every now. Over the yaers there has been a dramitic changes in the portrayal of females, and that have change the face of Bollywood and the regional arena. Flims like "Mother India " portrayed iconic strength and stamina of a woman with which she can fight the thougest problems. In the years that followed several women centric flims withe strong female protagonist gathered momentum. In the recent times we have witnessed some remarkable flims where women is not mearly a candy eye or a supporting character but the main hero that drives ther story ahead. Gone are the days when women used to be cast in glamourous prop roles playing a second fiddle to theirs heroes, but women have demolished stereotypes and played a variety of roles to conviction and have also managed to hold their stamina along more famous lead actors.Films like "Tanu weds Manu" and "Piku" were applauded highly and are blockbusters. Kangana Ranaut is being applauded for her duel performence whereas in Piku, Deepika Padukone is seen in a titular role and received high applaud from critics and audience. even in the presence of Amitabh Bachan and Irfan Khan, Deepika hold her own. Now a days the flavour has been the favour of actresses willing to explore strong women - centric subjects Even heroines are openly willing to carry out the burden of the entire film on therie shoulders. Gauri Shinde who mande her directorial debut with the highly acclaimed, "English Vinglish" quoted by saying "unless more women get out on their own and decide what they want to watch things will not change." 2014 witnessed a host of flims with a dozen mainstream women centric films most of which were succesful at the box office. It started with "Dedh Ishqiya" (Madhuri Dixit and Huma Qureshi) followed by "Highway" (Alia Bhatt) "Gulab Gang" (Madhuri Dexit and Juhi Chawla) and highly acclaimed "Queen" (Kangana Ranaut) which grossed Rs 61 crore in domestic market making it a women led film. The progress is slow but on the way to demolish gender dispority and future is blooming with more and more of women centric roles to be portrayed to enhance the essence of Feminine.

We are proud that the Indian film industry has been giving due respect and credit to strong women characters through its history and we hope it will only increase in the future with the new fillip provided by the government.

# SRINIVASA RAMNUJAN

-Niharika Kakoty
B.Sc 5th Sem
Dept of Mathematics

From time to time India has produce mathematicians of remarkable power, but Srinivasa Ramanujan (1887-1920) is universally considered to have been its greatest genius. He was born in the southern Indian town of Euode, near Madras, the son of a bookkeeper in a cloth merchant's shop. He began his single minded pursuit of methamatics when, at the age of 15 or 16, he borrowed a copy of carr's synopsis of pure mathematics. This unusual book contaied the statements of over 6000 theorems, very fewwith proofs. Ramanujan undertook the task of establishing without help, all the formulas in the book. In 1903, he won a scholarship to the university of Madras, only to lose it a year later for neglecting other subjects in disappointment and wandered the countryside for the next several years, impoverished and unemployed. compelled to seek a regular livelihood after marrying, Ramanujan secured (1912) a clarical position with the Madras Port Trust office. a job that left him enought time to continue his work in mathematics. after publishing his first paper in 1911,and two more the next year, he gradually gained recognition.

At the urging of influential friends, Ramanujan begin a correspondence with the leading British pure mathematician of the day, G.H Hardy. appended to his letters to Hardy were lists of theorems,120 in all, some definitely proved and others only conjectured. Examining these with bewilderment, Hardy concluded that "they could only be written down by a mathematician of the higest class; they must be true because if they were not true, no one would have the imagination to invent them." Hardy immediately invited Ramanujan to come to Cambridge University to devlop his already great, but untrained, mathematical talent. Upto that time, Ramanujan has worked almost totally isolated from modern European Mathematics.

Supported by a special schlorship, Ramanujan arrived in Cambridge in April 1914. There he had three years of uninterrupted activity, during much of his best work in collaboration with Hardy. Hardy wrote to Madras University saying "He will returned to India with a scientific standing and reputation such as no Indian has enjoyed before." However, in 1917, Ramanujan became incurably ill. His disease was diagnosed at that time as tuberculosis, but it is now thought to have been a severe vitamin deficiency. Early in 1919 when the seas were finally considered safe for travel, he returned to India.In extreme pain, Ramanujan continued to do mathematics while lying in bed. He died the following April, at the age of 32.

# CHILD MARRIAGE



-Neelam Prasad
B.A 1st Sem
Dept of Pol Sci

According to Indian law child marrige is a marriage where either the woman is below 18 years of age and the man is below 21 years of age. In other words , it is a marriage before the childern are physically and mentaly matured. In India, child marriage has been practiced from centuries. Child marriage is prevalent in many part of India.

India estimates very widely between sources as to the extend and scale of child marriages. the International centre for Reasearch on women UNICEF publications has estimited India's child marriage rate to be 47% from small sample survey of 1998. While the UN report it to be 30 % in2005. The census of India has counted and reported married women by age with proportion of females in child marriage falling in each 10 years census period since 1981. In its 2011 census report, India started Zero married girl below age 10, 1.4million married girls out of 59.2 million in the age of 10 - 14, and 11.3 million married girls out of 46.3 million girls in the age of 15 - 19. Since 2011 child marriage rates in India have fallen another 46% reaching an overall nationwide average 7% child marriage rate by 2009.

There are some causes behind the child marriage. The problem are religious traditions, socio - cultral factors and economic factor. A section of the society has to practice child marriage because of their religious traditions and cultures and in some cases due to their poor socio-economic conditions. Child marriage has several negative effects. As child marriage constitutes a gross violation of human rights.It also leave physical, emotional and psycological scares in life. One of the major effect is that sexual relationshipsoon after marriage results in pregnancy and child birth at an early age. This leads to meternal as well as infant mortality. Moreever, women who gets married at a young age are more likely to exprience domostic violence.

This problem can be checked and solved by taking the following measures --

(i) Gender Sensitization Programme should be held through out the district for police & NGOs.
(ii) Checking loopholes in the law and administration in order to stregthen it.
(iii) Child marriage prevention NGO's or organisation should be trained for vigilance.
(iv) Special police cells, task forces must be set up to focus on cases of child marriage.
(v) All stakeholder should be sensitized about the negative impact of child marriage by awarness programmes
(vi) Primary and secoundery education for girls should be promoted.

Some of the constitutional and legal measures is already taken against child marriages. They are -- Under protest from muslim organisation in undivided India, a personal law sharial act was passed that allowes child marriage with the consent of girl's gurdian in 1937 and after the independence and adoption of Indian constitution in 1950, the child marriages act undergone several revision. As a result, the minimum legal age for marriage since 1978 has been 18 for the girls and 21 for the boys.

# CAN MATHEMATICS SPOT THE WINNING TEAM LETTER THEN SPORTS COMMENTATORS

-Barasha barua

B.Sc 1st Sem

Jack Brimberg and Bill Hurley of the Royal Military College of Canada , Kingston, Ontario, pointed out that sports commentators will offen argue the importance of scoring the first goal and often suggest that a team improves its chances of winning considerably by scoring it. This kind of punditry more commenly areises during playoff games which tends to be played more defensively

However, although the total number of goal scored in a soccer or hockey match is usally small, Brimberg and Hurley wanted to find out whether that first goal is all important or not. They have done this by calculating the probability of the first-goal team winning at discrete points in the match afterthe first goal is scored based on the number of minutes remaining in the game. They also took overtime into account to adjust the weighting on their formula appropriately

Team X is playing with team Y. Team X score first and there are T minuits left in regulation time. They then assumed that goal scoring follows the law of statistic known as a Poisson distribution, which is acceptable in case of hockey and soccer . Scoring in other sports, such as tennis and baseball follow a different set of statistical rules as there are different scoring factors and more "goals" scored in a match.

Therefor, thenumber of goals scored, N, follows the Poisson Pattern and has a probability a certain number being scored in total by both sides of "lambda". If both teams are playinghard to win , then there is an equal chance of them scoring after that first goal. However, there are factors such as league position and seasonal perfomance to take into account,so each of those has a parameter in the final formula teh formula breaks down as follows : From the first whistle team X has a 50:50 chance of winning. however , if the team scores at just 5 minutes of play, with 55 minutes left to play in the first period of a hockey match, then the team's chances rise to 7 - 3 (70%). howeverif they score the first goalmuch letter in the game, with say, 25 minutes remaining in the secound period, then tbe chances of winning the match rise to 4 to 1 (80%)

Ofcourse, probablity and statistic are notoriously difficult to pin down in real life, so it is best totake any such mathematical punditry with a pinch of salt when watching the fortunes or misfortune of our teams. That applies whether we are catching the Toronto Maple Leafs in hockey or our flight fo fancy is The Newcastle Magpie in soccer.

the researcher,s ultimate aim is not to see sports pundits out of a job, but to provide an intresting example about how statistics can be used in day-to-day events. the current example requires explanation and understanding of several important topics in statistics,they explain, including the exponential,poisson and binomical distributions, probability trees and the use of conditioning to calculate complex probablities

SOURCE : Inderscience Publishers

# TEEN OBSESSION WITH THE ADVENT OF GADGETS AND MODERN TECHNOLOGY

- Perona Sen
B.Sc 1st Sem
Statistics Dept

Nowadays, technologyaddiction is a growing problem. Teens rely on technology for everything and even apps to help time management. They are mostly obsessed and develop an attachment to this kind of things creating amusement. Some might give opininons that modern world is of much bigger advantage which is authentic, but as all thing in the world have good as well as bad aspects on their behalf, this 'modern world' too possesses them. At the present time, technology has become central to the line of many teenagers. as they become more plugged into technology, they have given up the habit of going outdoors and insteed stick on their phone most of the time.

Recently, there has been a trend of social networking sites and the most adopted one is Facebook, with which anyone and everyone is able to connect and intrect with each other and from people around the world. they tend to spend their crucial hours in front of laptop or mobile, leaving no time for them to do their important tasks. These things hamper a lot in their studies as they try to acquire everything and get engulfed in it completly. They cheat their perents by saying that they have some home assignment or projects to do with the help of the net but they open other sites and thus waste their study time.

Reseahers have found college student at campuses across the glob being addicted to modern technology such as mobile phone, television as well as social networking such as whatsapp and Twitter, due to which they have started geting health problems specially eyesight problems. Sitting on the couch at home with one gadget or the other in their hands would not improve anything but instead give more of health problems.

These techonologies are bringing about distractions, narcissism, unhelaty addiction leading to downfall of grades, antisocial behaviour, mania and aggressive tendencies and lots more...

Thus it is high time to realize our mistake and not get much obsessed with such things. We as students have the duty of studing with full contenment and not get distracted much by any other things. Thus we must do the right thing at the right time and use the time wisely and forever realize that the time is always ripe to do right.

On this note , it is now time to log out. I quickly sign out and go to bed.

# ZUI - QUAN



A Zui-Quan Practioner

-Moushmi Sonowal
B.Sc (1st Sem)
Statistics Dept

"Appear weak when strong
Unbalanced when balanced"

A few days earlier as I was flipping through the pages of a newspaper, something caught my eye. It was not detailed but since I found it to be quit interesting, I tried to look up on the internet immeditiately. The moment I typed the keywords "Zui Quan"severals links cropped up "Zui-Quan" which in Chinese means 'drunken fist' is a general name for all the styles of Chinese Mertial arts that imitates a drunkard. It is a very ancient style, whose origins can be traced back to the famous Buddhist and Daoist sects.

Zui-Quan has the most unusual body movements among all the styles of Chinese martial arts. It is said that this art is an expression of grace and skill mixed into an overwhelming fighting system.

**Features :-**

The most amazing feature of Ziu-Quan is that it is based on imitating a drunkard, Sloshing,which reffers to "Hollow Body", "Wine Belly"is the main method of this art, as though the body is hollow and the lower abdomen is filled with wine, which travels through the body adding power to the movements.It concentrates more on being relexed and going with the flow of battel instead of going against it. The methods applied in drunken boxing appears too have little power to the opponent, but in actule practice the style is meant to conceal the power behind the strikes. Even the most unusual parts of the body are actively used to attack and also defend

The main hand gesture imitates holding a cup of wine,this semi closed hands use the back of the hands, fingers. plams wrists, fore-arms and other parts to attack or defend, grab or throw lock or release etc. Conditioning for this martial art requires the ability to fall often, without being injured, reversing momentum, going with an opponent's force and being able to lose balance, when necessary to take him down into a lock, hold or throw without hurting themselve in the process.

Here, it is worth mentioning that this form of martial art is believed to be most effective because of peculiar movemets,as wobbly footwork and jerky movements, just like a drunkard, which the practioner can use to distract their opponent. This gives them an opportunity to pick how, when and where they strike.

**Zui Quan Style : Buddhist Style**

The Buddhist Style is related to the Shaolin temple. It is believed that drunken style was first introduced in the Song Dynasty (960 - 1279 A.D). A famouns martial artist named Lui Oizan accidently killed a person and sought refuge in Shaolin to avoid trial and to repent. But, despite his vows he still continued to drink wine. The monks in the temple could not tolarate this and wanted to expel him from the temple. Lui Oizan, completly drunk after consuming a huge amount of wine defied and beat the monks. However some of the monks appreciated this drunken style of combat and was adopted by many, there after and refined over the generations.

**Daoist Style**

The Daoist style of Zui - Quan imitates the character of the"Drunken Eight Immortals" (Zui ba nian). It comprises of eight forms, each representing one of the eight characters

1) **Lü Dongbin :-** Leaders of the 8 immortals with a sword on his back, that dispels evil spirits swaying back and forth to trick the enemy, the drunken with internal strength.

2) **Li Jieguai :-** Li, the cripple, walks with a iron cane, feigns the weakness of having just one leg, to win the fight using one powerful leg.

3) **Hen Zhongli :-** The strongest immortal, carries a large couldron of wine, tackles the enemies with strength

4) **Lan Caihe :-** Sexually ambiguous, cerries a bamboo basket, attacking the enemy with swaying waist, mostly feminine postures

5) **Zhang Guolao :-** An old man, Zhang, donkey rider, with his entertaining posture on the donkey, and his donkey's lethal swift double kicks.

6) **Cao Guojiu :-** The youngest immortal, a clever, controlled fighter, locks and breaks the joints, attacks the deadly soft parts of the enemy body.

7) **Han Xiangzi :-** Flute- playing immortal, denying and countering the enemy attacks with powerful wrists.

8) **He Xiangu :-**Miss He, flirting with the enemy to cover her short range attacks evading the enemy attack with the twisting body

**Related Ancient Beliefs :-** Many masters believe that Zui Quan improves the health of the practioner, increases the flexibility of the mind and body as the fighter ages. While there are limitations on what practical science can measure, yet it may be safely concluded that any form of exercise perfomed with care will improve the health of an individual and reduce rigidity of the body

**In popular Culture :-**

★ Film :-

a) Zui - Quan received mainstream media attention outside of China after the premiere of the Jackie Chan starrer 'Dranken Master' in 1978

b) The character of so Chan played by Donnie Yen in the movie 'Hero Among Heros' used Zui - Quan to defeat the main villain.

c) The Forbidden Kingdom,

d) Dance of the Drunk Mantis,

e) Heros of the East etc.

★ Television :-

a) The character Jatane Meme from the series "Soul eater Not !" is a proficient Zui-Quan while in self - conciousness (state of half -asleep).

b) In the Kung Fu Panda : Legend s of Awesomeness episode 'love Stings', the protagonist Po develops a fighting style called "Dizzy Kung Fu" base on Zui-Quan.

c) Naruto,

d) The Final Fu

e) dragon Ball, etc

★ Books :-

a) In the manga series, "History's Strongest Desiciple Kenichi" Li raichi is a practioner of the drunken style of the eight immortals

b) In "Daries of a Wimpy Kid", Greg Heffby learns Zui-Quan in the future 6th book and used it to fight Rowley's father, Robert

c) Swordplay Under the Moon,

d) Naruio,

e) Dragon Ball etc.

[ Source : 1) The Wikipedia, 2) The Sentinel.]